www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি যি জানো, সি অতি সামান্য। আমি যি নাজানো, তাৰ সীমা নাই। এতেকে, নিজক জ্ঞানী বুলি ভৰা অনুচিত। -পাপলেচ্

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬৯ | শনিবাৰ | ০৮ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 269 | Saturday | 08th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

# গালি-গালাজে বঢ়াইছে সাহায্য পুঁজিৰ ধন



## সোণ যিমানেই পুৰিব সিমানেই উজ্জ্বল হয় ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি মুখ্যমন্ত্ৰী সাহায্য পুঁজি (CM Relief Fund)ক লৈ চলি থকা বিতৰ্ক আৰু ৰাজ্যৰ বান সমস্যাৰ স্থায়ী সমাধান সম্পৰ্কত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। বিৰোধীৰ সমালোচনা আৰু একাংশ নেটিজেনৰ গালি-গালাজৰ প্ৰতি কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই নেতিবাচক প্ৰচাৰে তেওঁক ৰাইজৰ হৈ কাম কৰাৰ অহোপুৰুষাৰ্থতা আৰু সহায় আহ্বানৰ হেঁপাহ বৃদ্ধিহে কৰিছে। মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ অহা অনুদানৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "সোণ যিমানেই পুৰিব সিমানেই উজ্জ্বল হয়। মোক যদি গালি নাপালেহেঁতেন, ১০২খন আসন নাপালোঁহেঁতেন। এতিয়াও যদি মোক গালি নাপালেহেঁতেন, CM Relief Fund-îÂ 100 কোটি টকা জমা নহ'লহেঁতেন। অসমৰ মানুহে মোৰ প্ৰতি এনে সহানুভূতি দেখুৱাইছে যে 'মামাক এনেই গালি পাৰিছে, ময়ো দুই টকা দিম' বুলি ভাবি তেওঁলোকে পুঁজিলৈ অৰিহণা যোগাইছে।" তেওঁ লগতে কয়, "মোক যিমানে গালি পাৰিব, আসন বাঢ়িব, টকা বাঢ়িব, কাম বাঢ়িব। যিসকলে মোক গালি পাৰিলে, তেওঁলোকক মই দুই হাতযোৰ কৰি ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো, কাৰণ তেওঁলোকে নৈৰ পানী পৰাদি পুঁজি সোমাবলৈ সহায় কৰিছে। এইমাত্ৰ খবৰ পালো যে গুজৰাটৰ পৰা আন এজন ব্যক্তিয়ে, কোটি টকা প্ৰেৰণ কৰিছে। গতিকে, মোক গালি ❑ ৬ পৃষ্ঠাত

## বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ হ'ব ৪-লেনযুক্ত ঘাইপথ

### ভাৰতৰ চৰকাৰৰ ৮, ৯৭০ কোটি টকা ব্যয়ৰ সিদ্ধান্ত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমা সম্পৰ্কীয় কেবিনেট কমিটীয়ে আজি অসমৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ১৩৫.৮৭১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী-তেজপুৰ কৰিডৰৰ উন্নয়নত অনুমোদন জনাইছে। এই প্ৰকল্পটো ৰাষ্ট্ৰীয় ঘাইপথ (অ')ৰ অধীনত ❑ ৬ পৃষ্ঠাত

### বান সাহায্য সংক্ৰান্তত মুখ্যমন্ত্ৰীক কটাক্ষ বিধায়ক অখিল গগৈৰ

## 'চিএম সাহায্য পুঁজিৰ চান্দা সংগ্ৰহ বন্ধ কৰক মুখ্যমন্ত্ৰীয়ে'



**ষ্টাফ ৰিপৰ্টাৰ, কাজিৰঙা, ৭ আগষ্ট ঃ** অসমৰ বানপীড়িত অঞ্চলসমূহত সাহায্য বিতৰণ আৰু চৰকাৰী পদক্ষেপক লৈ বিধায়ক তথা বিপ্লৱী জনতা দলৰ নেতা অখিল গগৈয়ে শুকুৰবাৰে কাজিৰঙাত এক সংবাদমেলৰ আয়োজন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্য চৰকাৰক তীব্ৰ কটাক্ষ কৰে। সংবাদমেলত গগৈয়ে মুখ্যমন্ত্ৰীৰ বান সাহায্য সংগ্ৰহ সম্পৰ্কীয় মন্তব্যৰ চূড়ান্ত বিৰোধিতা জনায় আৰু আহ্বান জনায় যে মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

## প্ৰতিবাদত নামিলেই 'দেশবিৰোধী' টেগ দিয়াটো অনুচিত ঃ প্ৰতিবাদী জেনজিৰ কাষত মোহন ভাগৱত

### যুৱপ্ৰজন্মৰ মতামতক সন্মান দিয়াৰ অনুৰোধ আৰ এছ এছ প্ৰধানৰ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** শেহতীয়া সময়ত ছাত্ৰ-যুৱ সমাজে সংগঠিত কৰা প্ৰতিবাদ আৰু আন্দোলনক লৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ সঞ্চালক মোহন ভাগৱতে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। যুৱপ্ৰজন্মই কোনো প্ৰতিবাদত অংশ ল'লেই তেওঁলোকক 'দেশবিৰোধী' বুলি চিনাক্ত কৰাটো একেবাৰে উচিত নহয় বুলি স্পষ্টকৈ কয় ভাগৱতে। মুম্বাইত অনুষ্ঠিত 'ইণ্ডিয়াজ ইন্টাৰনেচনেল মুভমেণ্ট টু ইউনাইট নেচনছ' (IIMUN)ৰ ১৫ সংখ্যক বৰ্ষপূৰ্তি ❑ ৬ পৃষ্ঠাত

## চৰকাৰী সমালোচনা দমনৰ বাবে নতুন সামাজিক মাধ্যম আইন

### যুৱ প্ৰজন্মৰ প্ৰতিবাদত আতংকিত প্ৰধানমন্ত্ৰী, জনতাৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ কুটিল পদক্ষেপ ঃ কেজৰিৱাল



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে প্ৰৱৰ্তন কৰা নতুন সামাজিক মাধ্যম আইনখন চৰকাৰৰ সমালোচনা দমনৰ বাবে ব্যৱহাৰ কৰা হ'ব বুলি তীব্ৰ অভিযোগ উত্থাপন কৰিছে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। জনতাৰ প্ৰতিবাদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভীতিগ্ৰস্ত হৈ পৰা বুলি কটাক্ষ কৰি তেওঁ কয় যে এই আইনখনৰ জৰিয়তে যিকোনো ধৰণৰ বিৰোধী মতামতক তিনি ঘণ্টাৰ ভিতৰতে শেষ কৰি তোলাৰ চেষ্টা চলোৱা হ'ব। শুক্ৰবাৰে সামাজিক মাধ্যমযোগে সমৰ্থকসকলক উদ্দেশ্যি দিয়া এক বিবৃতিত কেজৰিৱালে দাবী কৰে যে নতুন আইনখনৰ অধীনত ❑ ৬ পৃষ্ঠাত

## বিধ্বংসী বানপানীত ক্ষতিগ্ৰস্ত ৩০খন চাহ বাগিচা

### মূল্যায়ন সম্পন্ন মন্ত্ৰীৰ ঃ ১১খন বাগিচাত গুৰুতৰ ক্ষয়ক্ষতি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অসমৰ উজনি অঞ্চলৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট — এই চাৰিখন জিলাত সাম্প্ৰতিক বানপানীয়ে ভয়াবহ ধ্বংসলীলা চলাইছে। কেৱল ঘৰ-বাৰী আৰু খেতি-বাতি নহয়, এই অঞ্চলৰ গৌৰৱময় চাহ উদ্যোগো বানৰ প্ৰকোপত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। বহু চাহ বাগিচা পানীৰ তলত বুৰ গৈছে, ❑ ৬পৃষ্ঠাত

## টাকচিঙত চীনৰ অনুপ্ৰৱেশৰ বাতৰি নাকচ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ

### ভাৰতীয় সেনাই সীমান্ত সুৰক্ষিত কৰি ৰখা বুলি দাবী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অৰুণাচল প্ৰদেশৰ উপৰ সুবনশিৰি জিলাৰ টাকচিং অঞ্চলত চীনৰ সেনা অনুপ্ৰৱেশ ঘটিছে বুলি সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে। শুকুৰবাৰে সাংবাদিকসকলৰ সৈতে কথা পাতে তেখেতে স্পষ্টকৈ কয় যে সীমান্তত নিয়োজিত ভাৰতীয় সেনাই নিজৰ ভূখণ্ড কাৰ্যকৰীভাৱে সুৰক্ষিত ৰাখিছে, আৰু চীনৰ কোনো অনুপ্ৰৱেশ ঘটিছে বুলি বিশ্বাস কৰাৰ কোনো কাৰণ নাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আমি ভাবো যে কোনো ❑ ৬পৃষ্ঠাত

## ৯ আগষ্টৰ পৰা উজনি অসমৰ চাৰি জিলাত বানপানীৰ ক্ষয়-ক্ষতিৰ জৰীপ

### ছেপ্টেম্বৰত প্ৰকাশ পাব সম্পূৰ্ণ তথ্য ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অসমৰ উজনি অঞ্চলৰ চাৰিখন জিলাত সাম্প্ৰতিক বানপানীয়ে কৰা ক্ষয়-ক্ষতিৰ পূৰ্ণাঙ্গ মূল্যায়ন কৰিবলৈ আগন্তুক ৯ আগষ্টৰ পৰা বিশেষ জৰীপ আৰম্ভ কৰিব ৰাজ্য চৰকাৰে। এই জৰীপৰ কাম দুটা পৰ্যায়ত সম্পন্ন কৰা হ'ব বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শুক্ৰবাৰে যোৰহাটৰ চিনামৰাস্থিত কনভেনশ্যন চেণ্টাৰত অনুষ্ঠিত এক প্ৰশিক্ষণ কাৰ্যসূচী আৰু পৰৱৰ্তী সময়ত মন্ত্ৰী-বিষয়াৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰিয়েই তেওঁ এই সিদ্ধান্তৰ কথা জনায়। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে চাৰিখন ❑ ৬ পৃষ্ঠাত

## ৰাহুল গান্ধীৰ বাসগৃহৰ বাহিৰত সাধুৰ বেশত প্ৰতিবাদ

### আৰক্ষীৰ প্ৰতিবাদকাৰী সাধু-সন্তসকলক আটক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** লোকসভাৰ বিৰোধী দলৰ নেতা তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বাসগৃহৰ বাহিৰত শুকুৰবাৰে পুৱা এক উৎকণ্ঠাজনক পৰিস্থিতিৰ সৃষ্টি হয়। সাধু-সন্তসকলে পৰিধান কৰা সাজ-পোচাক পিন্ধি কেইবাগৰাকীও ব্যক্তিয়ে ৰাহুল গান্ধীৰ ঘৰৰ সন্মুখত থিয় হৈ বিভিন্ন শ্ল'গান দি প্ৰতিবাদ জনায়। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। প্ৰতিবাদৰ খবৰ পাই তৎক্ষণাত নিৰাপত্তাৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হয় আৰু প্ৰতিবাদকাৰীসকলক আঁতৰাই নিবলৈ চেষ্টা কৰে। কিছু সময়ৰ ভিতৰতে দিল্লী আৰক্ষীৰ এটা দল উক্ত স্থানত আহি প্ৰতিবাদত জড়িত সকলো ব্যক্তিক আটক কৰে। আটককাৰী ❑ ৬ পৃষ্ঠাত

## অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোঁহাইৰ বানপীড়িতলৈ সহায়ৰ হাত

### বানপানীৰ ধ্বংসলীলা পৰিদৰ্শন ঃ সাহায্য-সামগ্ৰী বিতৰণ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অলিম্পিক পদক বিজয়ী তথা কমনৱেলথ গেমছৰ চেম্পিয়ন বক্সাৰ লাভলীনা বৰগোঁহাই শুকুৰবাৰে শিৱসাগৰ জিলাৰ বানপীড়িত অঞ্চলসমূহত উপস্থিত হৈ ক্ষতিগ্ৰস্ত লোকসকলক সহায়-সাহায্য আগবঢ়ায়। পুৱাৰ ভাগৰ পৰাই তেখেতে জিলাখনৰ বিভিন্ন বানাক্ৰান্ত গাঁও আৰু চহৰীয়া অঞ্চল পৰিদৰ্শন কৰি বিপদগ্ৰস্ত পৰিয়ালসমূহৰ মাজত প্ৰয়োজনীয় খাদ্য, পানী আৰু অন্যান্য আৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। পৰিদৰ্শন কালত তাৰকা বক্সাৰগৰাকীয়ে প্ৰত্যক্ষভাৱে বানপীড়িত লোকসকলৰ সৈতে সময় কটায়। জীৱন-জীৱিকা, গৃহস্থালি আৰু শস্যক্ষেত্ৰ হেৰুৱাই জীৱন-মৰণৰ সন্ধিক্ষণত থকা ৰাইজক তেখেতে এই দুৰ্যোগময় পৰিস্থিতিত নিজৰ সম্পূৰ্ণ সমৰ্থন থাকিব বুলি আশ্বাস ❑ ৬ পৃষ্ঠাত

## বান সাহায্য বিতৰণত গুৰুতৰ অনিয়মৰ অভিযোগ নাজিৰাৰ প্ৰাক্তন বিধায়ক দেৱব্ৰত শইকীয়াৰ

### প্ৰকৃত বানপীড়িত বঞ্চিত; একে পৰিয়ালৰে দুই-তিনিজন সদস্যই পৃথকভাৱে সাহায্য লাভ কৰাৰ অভিযোগ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ আগষ্ট ঃ** নাজিৰাৰ প্ৰাক্তন বিধায়ক দেৱব্ৰত শইকীয়াই ৰাজ্য চৰকাৰে ঘোষণা কৰা বান সাহায্য বিতৰণত হোৱা গুৰুতৰ অনিয়মৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা ১৫, ০০০ টকা আৰু অতিৰিক্ত ১০, ০০০ টকাৰ সাহায্য পেকেজে কিছু সঁকাহ দিলেও নাজিৰা আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলত বহু প্ৰকৃত বানপীড়িত পৰিয়াল এই সাহায্যৰ পৰা বঞ্চিত হৈছে। আনহাতে কিছু অপাত্ৰ পৰিয়ালেও ধন লাভ কৰিছে বুলি ❑ ৬ পৃষ্ঠাত

## উজনি অসমৰ বান পৰিস্থিতিক লৈ প্ৰধানমন্ত্ৰীলৈ পত্ৰ গৌৰৱ গগৈৰ

### শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ দুৰ্দশা দাঙি ধৰি বিশেষ সাহায্য পেকেজৰ দাবী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** উজনি অসমত সৃষ্টি হোৱা বানপানীৰ ভয়াবহ পৰিস্থিতিৰ প্ৰতি ❑ ৬ পৃষ্ঠাত

## পাকিস্তান-চৌদি-তুৰ্কিৰ ত্ৰিপাক্ষিক প্ৰতিৰক্ষা চুক্তিৰ ওপৰত ভাৰতৰ তীক্ষ্ণ দৃষ্টি

### বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰৰ স্পষ্টীকৰণ ঃ 'ইছলামিক নাটো'ৰ চৰ্চা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** পাকিস্তান, চৌদি আৰৱ আৰু তুৰস্কৰ মাজত শেহতীয়াকৈ স্বাক্ষৰিত হোৱা ত্ৰিপাক্ষিক প্ৰতিৰক্ষা চুক্তিৰ প্ৰতি ভাৰতে তীক্ষ্ণ দৃষ্টি ৰখা বুলি স্পষ্টভাৱে জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে শুকুৰবাৰে সাপ্তাহিক সংবাদমেলত এই মন্তব্য কৰে। তেওঁ কয়, "এই ঘটনাৱলীৰ ওপৰত আমি তীক্ষ্ণ নজৰ ৰাখিছো আৰু পৰৱৰ্তী সময়ত যিকোনো ❑ ৬ পৃষ্ঠাত

## অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত বৃহৎ ৰদবদল কেইবাখনো জিলাত নতুন অধীক্ষক নিযুক্তি

### গোলাঘাটত স্বপ্নীল ডেকা, কাছাৰত পাৰ্থপ্ৰতীম দাস, নগাঁৱত পি ভি ৰাকেশ ৰেড্ডী



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** অসম আৰক্ষী বিভাগৰ শীৰ্ষ পৰ্যায়ত শুকুৰবাৰে এক গুৰুত্বপূৰ্ণ ৰদবদল ঘটাই ৰাজ্য চৰকাৰে। কেইবাখনো জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (SSP)ক বদলি কৰাৰ লগতে নতুন নিযুক্তি প্ৰদান কৰা হয়। এই বদলিৰ অংশ হিচাপে গোলাঘাট, নগাঁও, ❑ ৬ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫-ত অসমৰ চাৰি গৰাকীৰ সাফল্য ঃ ৰাষ্ট্ৰপতিৰ পৰা সন্মান গ্ৰহণ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ আগষ্ট ঃ** ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫ (National Handloom Awards 2025) প্ৰদান কৰে। এই বঁটাৰ বাবে নিৰ্বাচিত হোৱা চাৰি গৰাকী অসমীয়া ব্যক্তি আৰু এটা প্ৰতিষ্ঠানক ৰাষ্ট্ৰপতিগৰাকীয়ে সন্মানেৰে বঁটা প্ৰদান কৰে। অসমৰ হস্ততাঁত খণ্ডৰ বাবে এই সাফল্য এক অভিলেখযোগ্য গৌৰৱ বুলি গণ্য কৰা হৈছে। সন্মানপ্ৰাপ্তসকলৰ ভিতৰত প্ৰথমজন হৈছে ৰুণিমা চেতিয়া চৌধুৰী। হস্ততাঁত শিল্পত আজীৱন অসাধাৰণ অৱদান আৰু উৎকৃষ্ট কাৰিকৰী দক্ষতাৰ বাবে তেওঁক দেশৰ সৰ্বোচ্চ হস্ততাঁত সন্মান 'সন্ত কবীৰ বঁটা' (Sant Kabir Award) প্ৰদান কৰা হয়। এই সন্মান পোৱা অসমীয়া হিচাপে তেওঁ ৰাজ্যখনৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। দ্বিতীয় সন্মানপ্ৰাপ্ত জ্যোতি ভূঞাই প্ৰাকৃতিক ৰঙেৰে সজোৱা এৰী ৰেচমৰ শাৰী (Natural Dyed Eri Silk Saree) সৃষ্টিত ❑ ৬পৃষ্ঠাত



## প্ৰধানমন্ত্ৰী সন্ধানহীন' বেনাৰেৰে মহানগৰীত এনএছইউআইৰ অভিনৱ প্ৰতিবাদ

### বানপীঞ্জতি অসমত মোদীৰ উপস্থিতি নথকাত ছাত্ৰ সংগঠনটোৰ তীব্ৰ ক্ষোভ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ আগষ্ট ঃ** অসমৰ ২৫খন জিলাত ভয়াবহ বানপানীয়ে সৃষ্টি কৰা দুৰ্যোগ পৰিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনলৈ নহা আৰু বিশেষ সহায় পেকেজ ঘোষণা নকৰা বাবে কংগ্ৰেছৰ ছাত্ৰ সংগঠন এনএছইউআয়ে শুকুৰবাৰে এক অভিনৱ প্ৰতিবাদৰ আয়োজন কৰে। মহানগৰী গুৱাহাটীৰ গণেশগুৰি, খানাপাৰা, খ্ৰীষ্টানবস্তি আদি প্ৰধান সেতুত সংগঠনটোৱে 'প্ৰধানমন্ত্ৰী সন্ধানহীন' শীৰ্ষক বেনাৰ আঁৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। আঁৰি দিয়া বেনাৰবোৰত স্পষ্টভাৱে উল্লেখ কৰা হয় "সন্ধানহীনহু অসমৰ বানপানীৰ সময়ত সন্ধানহীন হৈ আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। কোনো ব্যক্তিয়ে সন্ধান পালে যোগাযোগ কৰিবলৈ আহ্বান জনাইছো।" আন এখন বেনাৰত ইংৰাজী ভাষাত লিখা হয় ঃ "The 56 inch image is missing where courage is needed most for Assam. For Modi A for Assam × A For Avoiding Assam ?, For Modi A for Assam × ❑ ৬ পৃষ্ঠাত



# মন্ত্ৰী কৌশিক ৰায়ৰ অধ্যক্ষতাত তিনিচুকীয়াত পৰ্যালোচনা সভা অনুষ্ঠিত



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ আগষ্ট ঃ** এদিনীয়া কাৰ্যসূচীৰে বুধবাৰে তিনিচুকীয়া জিলাত উপস্থিত হোৱা অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, সমবায় তথা গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে তিনিচুকীয়া জিলাৰ অন্তৰ্গত আটাইকেইখন পৌৰ সভাৰ কামকাজৰ বিতং পৰ্যালোচনা কৰাৰ লগতে খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, সমবায় তথা গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন বিভাগ কাম কাজৰো পৰ্যালোচনা কৰে। বুধবাৰে সন্ধিয়া তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাত আটাইকেইখন পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকলে নিজ নিজ পৌৰসভাৰ কৰ সংগ্ৰহৰ পৰিমাণ, ট্ৰেড লাইচেঞ্চ প্ৰদান, পৌৰসভা আৰু স্বচ্ছ ভাৰত মিছনৰ অধীনত চলাই থকা উন্নয়নমূলক কাম-কাজৰ সবিশেষ খতিয়ান দাঙি ধৰে। মন্ত্ৰী কৌশিক ৰায়ে উপস্থিত পৌৰসভাৰ পৌৰপতিসকলৰ সৈতে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও বুজ লয়। গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত তিনিচুকীয়া জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজ, পৰিকল্পনা আৰু নলা নিষ্কাশনৰ স্থিতি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে বুজ লয়। নগৰ আৰু গাঁও পৰিকল্পনা বিভাগৰ যুটীয়া সঞ্চালক বিশ্বজিৎ ভূঞাই তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধীনত প্ৰস্তুত কৰি উলিওৱা মাষ্টৰ প্লেন এৰিয়াৰ সবিশেষ, নগৰ পৰিকল্পনাৰ আঁচনি, ভূমি প্ৰদানৰ বিনিময়ত উন্নয়ন অধিকাৰ প্ৰমাণ-পত্ৰ সন্দৰ্ভত বিতংভাৱে আলোকপাত কৰে। নগৰ আৰু গাঁও পৰিকল্পনাৰ নলী নৰ্দমা বিভাগৰ কাৰ্যবাহী অভিযন্তা তপন কুমাৰ শৰ্মাই তিনিচুকীয়া নগৰৰ নলা আৰু নৰ্দমাৰ সবিশেষ পৰিকল্পনা দাঙি ধৰে। মন্ত্ৰী কৌশিক ৰায়ে বাৰিষাৰ সময়ছোৱাত তিনিচুকীয়াৰ বিভিন্ন স্থানত হোৱা কৃত্ৰিম বানপানী ৰোধৰ ক্ষেত্ৰত বিভাগটোক সঠিক পৰিকল্পনাৰে কাম কৰাৰ নিৰ্দেশ প্ৰদান কৰাৰ লগতে তিনিচুকীয়া চহৰখন স্বচ্ছ কৰি ৰখাৰ দিশত অব্যাহত বিভিন্ন পদক্ষেপ আৰু এইক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অন্নসেৱা কাৰ্যসূচীৰ বৰ্তমানৰ স্থিতিৰ বুজ লোৱাৰ লগতে অহা ১০ আগষ্টৰ পৰা গ্ৰাহকসকলক বিশেষভাৱে ৰাজসাহায্যযুক্ত চেনি আৰু দাইল বিতৰণৰ প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰে। প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে খাদ্য সামগ্ৰীসমূহ লাভ কৰাটো নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। আনহাতে, তিনিচুকীয়া জিলাত ধান ক্ৰয় কেন্দ্ৰসমূহৰ জৰিয়তে কিমান সংখ্যক কৃষক লাভান্বিত হৈছে সেই সন্দৰ্ভতো বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনা কৰাৰ লগতে কৃষকসকলক ধান বিক্ৰীৰ ক্ষেত্ৰত প্ৰয়োজনীয়া সকলো সা-সুবিধা প্ৰদান কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। কৃষকসকলে উৎপাদিত ফচলৰ পৰা যাতে সঠিক মূল্য লাভ কৰে, তাৰ বাবে বিভাগীয় প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। তিনিচুকীয়া জিলাত সমবায় বিভাগৰ অধীনত সমবায় সমিতিসমূহৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ বুজ লোৱাৰ লগতে সমবায় সমিতিসমূহৰ অধীনত হোৱা কাম-কাজৰ বুজ লয়। সমবায় সমিতিসমূহৰ পৰা কিমান গ্ৰাহক কেনেদৰে লাভান্বিত হৈছে সেই সন্দৰ্ভতো বিভাগীয় বিষয়াৰ সৈতে বিতংভাৱে আলোচনা কৰা হয়। উক্ত পৰ্যালোচনা সভাত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, পৌৰ প্ৰশাসনৰ সঞ্চালক টংকেশ্বৰ দাস, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্ত হেমন্ত ভূঞা, অসম খাদ্য আৰু অসামৰিক যোগান নিগম (পৰিসীমিত)ৰ যুটীয়া সচিব পাৰিজাত ভূঞা, তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, চপাখোৱা পৌৰসভাৰ পৌৰনেত্ৰী বিচন্দ্ৰৱতী সোণোৱাল, মাকুম পৌৰসভাৰ পৌৰনেত্ৰী অৰ্চনা শইকীয়া আৰু ডিগবৈ পৌৰসভাৰ সুদীপ দত্ত চৌধুৰী, জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমান প্ৰমুখ্যে বিভাগীয় বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰী কৌশিক ৰায়ে পঞ্চদশ বিত্তীয় আয়োগ (মুক্ত শিতান)ৰ অধীনত তিনিচুকীয়াৰ জি এন বি পথৰ ডিভাইডাৰৰ ওপৰত সংস্থাপিত দ্বৈত আৰু ত্ৰি বাহু যুক্ত অলংকৃত ষ্ট্ৰীট লাইটৰ শুভ উদ্বোধন কৰে। এই ষ্ট্ৰীট লাইটসমূহে তিনিচুকীয়া চহৰখন আলোকিত কৰাৰ লগতে সৌন্দৰ্য বৰ্ধনতো বিশেষ অৰিহণা যোগাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

## দক্ষিণ জাজড়িত বাইক দুৰ্ঘটনা; এজনৰ মৃত্যু

**অসম বাৰ্তা, বেবেজীয়া, ৮ আগষ্ট ঃ** নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ জাজড়িত আজি এক বাইক দুৰ্ঘটনাত এজন নিদুষী ব্যক্তিৰ মৃত্যু হয়। জানিব পৰা মতে আজি দিনৰ প্ৰায় ২.৪৫ বজাত অভিজিৎ দাস (লাঠুৰাম ) নামৰ ব্যক্তি জনে AS02AM7537 নম্বৰৰ পালছাৰ বাইকে পথ পাৰ হ'ব ধৰা ৰবি শংকৰ মহন্ত নামৰ ৫৮ বছৰীয়া ব্যক্তজনক পিছফালৰ পৰা খুন্দা মৰাত ব্যক্তজন গুৰুত্বৰভাৱে আহত হয়। আহত মহন্তক তাৎক্ষণিক ভাৱে নগাঁৱৰ মেডিকেল কলেজ হস্পিটালত ভৰ্ত্তি কৰা হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। কিন্তু পৰিয়ালৰ লোকে গুৱাহাটীলৈ নি থকা অৱস্থাত ৰহা পাৰ হওতেই আহত ৰবি শংকৰ মহন্তই শেষ নিশ্বাস ত্যাগ কৰে। জাজৰি অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান দক্ষিণ জাজৰি সাৰ্বজনিন শংকৰ মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তণ সম্পাদক, দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠা কালৰ সদস্য মহন্তৰ বিয়োগৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগেই দক্ষিণ জাজৰি অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ আৰু বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

## বিহালীৰ চেনিমাৰীত চাঞ্চল্যকৰ হত্যাকাণ্ড; দাৰে ঘপিয়াই ৫৭ বছৰীয়া মহিলাক হত্যা

**অসম বাৰ্তা, জিনজিয়া, ৮ আগষ্ট ঃ** বিহালী আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰী গাঁৱৰ গঞ্জু বস্তীত এক চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত হৈছে। প্ৰদীপ গঞ্জু নামৰ ৩৭ বছৰীয়া এজন যুৱকে ঘৰৰ কাষৰ প্ৰায় ৫৭বছৰীয়া এগৰাকী মহিলাক দাৰে ঘপিয়াই হত্যা কৰে। দুপৰীয়া প্ৰায় ২বজাত এই ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে। নিহত মহিলাগৰাকীৰ নাম আলমণি গঞ্জু। ঘটনাৰ পিছতে অভিযুক্ত যুৱকজন বিহালী আৰক্ষীয়ে আটক কৰিছেবুলি জানিব পৰা গৈছে। কি কাৰণত এই হত্যাকাণ্ডৰ ঘটনা সংঘটিত কৰিলে বৰ্তমান সময়ত জানিব পৰা নাই। বিহালী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## নুমলীগড় শোধনাগাৰ নগৰাঞ্চলত ৰহস্যজনকভাৱে যুৱতীৰ মৃতদেহ উদ্ধাৰ, চাঞ্চল্য

**অসম বাৰ্তা, নুমলীগড়, ৬ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰ নগৰাঞ্চলত বৃহস্পতিবাৰে এক শোকাৱহ আৰু ৰহস্যজনক ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শোধনাগাৰৰ এজন কৰ্মচাৰীৰ আবাসগৃহৰ ভিতৰত এগৰাকী ২১ বছৰীয়া যুৱতীৰ মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি স্থানীয় লোকসকলৰ মাজত বিভিন্ন জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। মৃত যুৱতীগৰাকী জ্যোতি কেৰকেটা (২১) বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, তেওঁ নুমলীগড় শোধনাগাৰৰ কৰ্মচাৰী ভাৰ্গৱ সান্দিল্যৰ আবাসত ঘৰুৱা কৰ্মী হিচাপে কৰ্মৰত আছিল। বৃহস্পতিবাৰে সন্দেহজনক পৰিস্থিতিত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত প্ৰাথমিক তদন্ত আৰম্ভ কৰে। আৰক্ষীৰদ্বাৰা ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে প্ৰয়োজনীয় তথ্য-প্ৰমাণ সংগ্ৰহ অব্যাহত। যুৱতীগৰাকীৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে মৃত্যুৰ সঠিক কাৰণ পোহৰলৈ অহাৰ সম্ভাৱনা আছে। এই ঘটনাক কেন্দ্ৰ কৰি স্থানীয় লোকসকলৰমাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে, আৰক্ষীয়ে ঘটনাটোৰ সকলো দিশৰ ওপৰত তদন্ত অব্যাহত ৰাখিছে। তদন্ত সম্পূৰ্ণ নোহোৱালৈকে মৃত্যুৰ কাৰণ বা ঘটনাটোৰ সৈতে জড়িত কোনো বিষয়ত নিশ্চিত মন্তব্য কৰা সম্ভৱ নহয় বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে।

**নদী ব্যৱস্থাপনা, জলাধাৰ সংৰক্ষণ, বিজ্ঞানসন্মত গৱেষণা আৰু জনসচেতনতাৰ সমন্বয় অবিহনে স্থায়ী সমাধান অসম্ভৱ**

## জাঁজী-দিখৌৰ বিধ্বংসী বান পুনৰাবৃত্তি ৰোধত দীৰ্ঘম্যাদী পৰিকল্পনাৰ আহ্বান

**অসম বাৰ্তা, জাঁজী, ৮ আগষ্ট ঃ** যোৱা ১৯ জুলাইত জাঁজী আৰু দিখৌ নদীৰ প্ৰবল বানে যোৰহাট আৰু শিৱসাগৰ জিলাৰ বিস্তীৰ্ণ অঞ্চলত ব্যাপক ধ্বংসলীলা সংঘটিত কৰাৰ পিছত অঞ্চলবাসীৰ মনত এতিয়াও আতংক অব্যাহত আছে। হাজাৰ হাজাৰ পৰিয়ালে ঘৰ-বাৰী, কৃষিভূমি, পশুধন আৰু জীৱিকাৰ উৎস হেৰুৱাই পুনৰ স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ সংগ্ৰাম চলাই আছে। বিশেষজ্ঞসকলৰ মতে, কেৱল সাহায্য বা ক্ষতিপূৰণে এই সমস্যাৰ স্থায়ী সমাধান আনিব নোৱাৰে। ভৱিষ্যতে এনে বিধ্বংসী বান ৰোধ কৰিবলৈ সুপৰিকল্পিত, বিজ্ঞানসন্মত আৰু দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী। জলসম্পদ বিশেষজ্ঞসকলৰ মতে, নদীৰ স্বাভাৱিক গতিপথ সংকুচিত হোৱা, নদীগৰ্ভত অতিমাত্ৰা পলিমাটি জমা হোৱা, বনাঞ্চল ধ্বংস, পাহাৰীয়া অঞ্চলত অপৰিকল্পিত খনন, জলবায়ু পৰিৱৰ্তনৰ ফলত অস্বাভাৱিক বৰষুণ আৰু নদী-নলা দখলৰ দৰে একাধিক কাৰকে বানৰ তীব্ৰতা বৃদ্ধি কৰিছে। সেয়েহে সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে সামগ্ৰিক নদী অৱবাহিকা ব্যৱস্থাপনা অতি প্ৰয়োজন। বিশেষজ্ঞসকলে প্ৰথমেই জাঁজী আৰু দিখৌ নদীৰ নিয়মীয়া ড্ৰেজিং বা নদীগৰ্ভ গভীৰকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বহু বছৰ ধৰি নদীৰ তলিত পলিমাটি জমা হোৱাৰ ফলত পানী ধাৰণ ক্ষমতা কমি আহিছে। ইয়াৰ ফলত অতি কম সময়তে নদীৰ পানী উপচি বিস্তীৰ্ণ অঞ্চল প্লাৱিত হয়। বিজ্ঞানসন্মত সমীক্ষাৰ ভিত্তিত নিয়মীয়া ড্ৰেজিং কৰিলে নদীৰ স্বাভাৱিক প্ৰবাহ পুনৰুদ্ধাৰ হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ লগতে নদীৰ দুয়োকাষৰ মথাউৰি বা বান্ধসমূহ আধুনিক প্ৰযুক্তিৰে শক্তিশালী কৰি সময়ে সময়ে মেৰামতি কৰাটো অত্যন্ত জৰুৰী। য'ত প্ৰয়োজন, তাত নতুন সুৰক্ষা বান্ধ, ৰিভাৰ ৰিভেটমেণ্ট, জিঅ'বেগ, কংক্ৰিট ব্লক আদি ব্যৱহাৰ কৰি খহনীয়া ৰোধ কৰাৰ ব্যৱস্থা ল'ব লাগিব। বৰষুণ আৰম্ভ হোৱাৰ আগতেই সকলো বান্ধৰ স্বাস্থ্য পৰীক্ষা সম্পূৰ্ণ কৰাৰ দাবীও উত্থাপিত হৈছে। বিশেষজ্ঞসকলৰ মতে, জাঁজী আৰু দিখৌ নদীৰ সৈতে সংযুক্ত সৰু নদী, জান, নলা, বিল আৰু জলাশয়সমূহ পুনৰুজ্জীৱিত নকৰিলে মূল নদীৰ ওপৰত পানীৰ চাপ অধিক বৃদ্ধি পাব। সেয়েহে এই জলাশয়সমূহ দখলমুক্ত কৰি নিয়মীয়া পৰিষ্কাৰ আৰু সংৰক্ষণ কৰাটোও অতি প্ৰয়োজনীয়। পাহাৰীয়া অঞ্চলত অবৈধ বন উজাৰ, অপৰিকল্পিত পথ নিৰ্মাণ, শিল-বালি উত্তোলন আৰু মাটিখননৰ ফলত বৰষুণৰ পানী দ্ৰুতগতিত নামি আহি নদীত পলিমাটিৰ পৰিমাণ বৃদ্ধি কৰে। সেয়েহে বন সংৰক্ষণ, বৃক্ষৰোপণ আৰু পাহাৰীয়া অঞ্চলত পৰিৱেশ-অনুকূল উন্নয়ন নীতি কঠোৰভাৱে কাৰ্যকৰী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। আধুনিক প্ৰযুক্তিৰ সহায়ত বানৰ আগতীয়াকৈ সতৰ্কবাণী প্ৰদান ব্যৱস্থা অধিক শক্তিশালী কৰাৰো প্ৰয়োজন আছে। নদীৰ পানীৰ উচ্চতা, বৰষুণৰ পৰিমাণ আৰু প্ৰবাহৰ তথ্য ৰিয়েল-টাইমত সংগ্ৰহ কৰি গাঁও পৰ্যায়লৈকে মোবাইল বাৰ্তা, ছাইৰেণ, সামাজিক মাধ্যম আৰু স্থানীয় প্ৰশাসনৰ জৰিয়তে আগতীয়াকৈ সতৰ্কবাণী প্ৰেৰণ কৰিব পাৰিলে ক্ষয়-ক্ষতি বহু পৰিমাণে হ্ৰাস কৰিব পৰা যাব। বিশেষজ্ঞসকলে নদীৰ প্লাৱনভূমিত অপৰিকল্পিত বসতি স্থাপন আৰু অবৈধ দখল বন্ধ কৰাৰ পৰামৰ্শও আগবঢ়াইছে। বানপ্ৰৱণ অঞ্চল চিনাক্ত কৰি বৈজ্ঞানিক ভূমি ব্যৱহাৰ নীতি গ্ৰহণ কৰিলে ভৱিষ্যতৰ বিপদ যথেষ্ট কমিব। কৃষি খণ্ডতো বান-সহনশীল ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। বান-সহিষ্ণু ধানৰ জাত, উন্নত বীজ ভঁৰাল, কৃষি বীমা, জল নিষ্কাশন ব্যৱস্থা আৰু কৃষকসকলক নিয়মীয়া প্ৰশিক্ষণ প্ৰদান কৰিলে বানৰ পিছত কৃষি পুনৰুদ্ধাৰ অধিক সহজ হ'ব। স্থানীয় ৰাইজৰ মতে, নদী সম্পৰ্কীয় সকলো উন্নয়নমূলক কামত স্থানীয় অভিজ্ঞতা আৰু মতামতক অগ্ৰাধিকাৰ দিব লাগে। বহু ক্ষেত্ৰত স্থানীয় লোকে পূৰ্বৰে পৰা বানৰ সম্ভাব্য বিপদৰ বিষয়ে সতৰ্ক কৰি আহিছে যদিও সেই পৰামৰ্শসমূহ যথোচিত গুৰুত্ব লাভ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। সচেতন মহলৰ অভিমত, জাঁজী আৰু দিখৌ নদীৰ বান কেৱল প্ৰাকৃতিক দুৰ্যোগ হিচাপে চোৱাটো যথেষ্ট নহয়। বিজ্ঞানভিত্তিক পৰিকল্পনা, সঠিক নদী ব্যৱস্থাপনা, পৰিৱেশ সংৰক্ষণ, আধুনিক সতৰ্কীকৰণ ব্যৱস্থা, শক্তিশালী আন্তঃবিভাগীয় সমন্বয় আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব পাৰিলেহে ভৱিষ্যতে এনে বিধ্বংসী বানৰ ক্ষয়-ক্ষতি যথেষ্ট হ্ৰাস কৰিব পৰা যাব। এই ক্ষেত্ৰত চৰকাৰ, বিশেষজ্ঞ, স্থানীয় প্ৰশাসন আৰু জনসাধাৰণে একেলগে দায়িত্বশীল ভূমিকা গ্ৰহণ কৰাটোৰেই সময়ৰ আহ্বান।

**১৯৯০ চনৰ পৰা বেদখলী জৰিমনা আদায় দি অহা টোকনকাটা মহিলা সমিতিৰ ভূমিত প্ৰাক্তন বিএছএফ সন্থাৰ বলপূৰ্বক দখলৰ অভিযোগ**

## টংলাৰ টোকানকাটাত চৰকাৰী ভূমি দখলক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত তীব্ৰ বাক-বিতণ্ডা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলাৰ নিকটৱৰ্তী টোকানকাটাত এডোখৰ চৰকাৰী ভূমি দখলক কেন্দ্ৰ কৰি কালি দুটা ফৈদৰ মাজত তীব্ৰ বাকবিতণ্ডাৰ লগতে উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। উল্লেখযোগ্য যে, জিলাখনৰ কলাইগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত টোকনকাটা ৰাজহ গাঁৱৰ টোকনকাটা চ'কৰ পৰা এফ চি আইলৈ যোৱা পথৰ টোকনকাটা চ'কত প্ৰায় ১ বিঘা ৩ কঠা ১০ লেচা চৰকাৰী ভূমি দীৰ্ঘদিনধৰি টোকনকাটা মহিলা সমিতিয়ে চৰকাৰী বেদখলী জৰিমনা আদায় দি নিজৰ দখলত ৰাখিছিল যদিও আজি একাংশ লোকে নিজকে প্ৰাক্তন বি এছ এফ বুলি পৰিচয় দি উক্ত মহিলা সমিতিৰ দখলি ভূমিত বেদখল কৰিব অহাক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত বাক বিতণ্ডাৰে উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ যে, ১৯৯০ চনৰে পৰা উক্ত চৰকাৰী ভূমি দখল কৰি টোকনকাটা মহিলা সমিতিয়ে উক্ত স্থানত এটি ঘৰ সাজি তাতে তেওঁলোকৰ যাৱতীয় কাম কাজ কৰি আছিল যদিও দুই বছৰমান পূৰ্বে ৰহস্যজনকভাৱে তেওঁলোকৰ কাষৰ এটা এনজিঅ'ৰ কাৰ্যালয় জুইত জাহ যোৱাৰ সময়তে উক্ত মহিলা সমিতিৰ কাৰ্যালয়টো জুইত জাহ যায়। তেতিয়াৰে পৰা মহিলা সমিতিৰ কোনো ঘৰ নাই যদিও তেওঁলোকে বিভাগীয় নথি পত্ৰৰ লগতে বেদখলী জৰিমনা আদায় দি উক্ত ভূমি নিজৰ দখলত ৰাখি আহিছে। এনে ক্ষেত্ৰত আজি নিজকে প্ৰাক্তন বিএছএফ সন্থাৰ চিনাকিৰে উক্ত মহিলা সমিতিৰ ভূমিত পকী খুঁটা পুতি বেদখল কৰিব অহাত মহিলা সমিতিৰ সমূহ সদস্যা ওলাই আহি প্ৰাক্তন বিএছএফ সন্থাৰ বুলি চিনাকি দিয়া লোক সকলৰ সৈতে তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হোৱাত প্ৰাক্তন বি এছ এফ সন্থাৰ লোক সকল উক্ত স্থানৰ পৰা আঁতৰি যায়। প্ৰাক্তন বি এছ এফ সন্থাই বিভাগীয় অনুমতিলৈ উক্ত ভূমি দখল কৰিছে বুলি জানিব দিয়ে যদিও মহিলা সমিতিৰ দখলত থকা উক্ত ভূমি কেতিয়াও এৰি দিয়া নহ'ব বুলি মহিলা সমিতিয়ে জানিব দিয়ে। এই ক্ষেত্ৰত কাইলৈ মহিলা সমিতিয়ে কলাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰিব বুলি জানিব দিয়ে। উল্লেখ যে, গুৱাহাটী উজান বজাৰৰ অসম প্ৰাদেশিক মহিলা সন্মিলনৰ অধীনস্থ মঙলদৈ জিলা মহিলা সমিতিৰ অন্তৰ্গত টোকনকাটা মহিলা সমিতি। এনে ক্ষেত্ৰত বিভাগীয়ভাৱে উক্ত ভূমিৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয়।

**পুৰণিগুদামৰ বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নলৈ 'সদস্য বৰেণ্য' সন্মান**

## ৮ আগষ্টত অসমীয়া সাহিত্য সন্মিলনীৰ 'সদস্য বৰেণ্য' সন্মান প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ আগষ্ট ঃ** অসমীয়া সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্তমৰ্মে সন্মিলনীৰ ২০২৫-২৭ বৰ্ষৰ সৰ্বোচ্চ সন্মান 'সদস্য বৰেণ্য'ৰ বাবে নগাঁও জিলাৰ বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী ফণীন্দ্ৰনাথ গায়নক মনোনীত কৰা হৈছে। পুৰণিগুদামৰ জ্যেষ্ঠ সাহিত্যিক ফণীন্দ্ৰনাথ গায়নে অসম সাহিত্য সভাৰ উপ-সভাপতিৰ আসন অলংকৃত কৰাৰ লগতে নগাঁও জিলা সাহিত্য সন্মিলনীৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ গল্প, উপন্যাস, জীৱনী, আলোচনা সাহিত্য, ব্যংগ সাহিত্য ইত্যাদিৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱাৰ লগতে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ প্ৰায়বোৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানক নেতৃত্ব প্ৰদান কৰি আহিছে। সন্মিলনীয়ে বিবেচনা কৰে যে, গায়নৰ কৰ্ম আৰু কৃতি মূলতঃ নগাঁও জিলাকেন্দ্ৰিক যদিও তেওঁৰ অৱদানে অসমৰ সাহিত্যিক আৰু সামাজিক-সাংস্কৃতিক জীৱনক সমৃদ্ধ কৰিছে আৰু সেয়েহে সন্মিলনীয়ে তেওঁক এই সৰ্বোচ্চ সন্মান যাচিবলৈ পাই গৌৰৱ অনুভৱ কৰিছে। এই সন্মান প্ৰদান অনুষ্ঠানটি অহা ৮ আগষ্টত দিনৰ ১১-৩০ বজাৰ পৰা নগাঁও জিলাৰ পুৰণিগুদামৰ বাপুজী ভৱন আৰু পুথিভঁৰালত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি দিনৰ ১১-৩০ বজাত সদস্য বৰেণ্যৰ বাবে মনোনীত ফণীন্দ্ৰনাথ গায়নকলৈ শ্ৰীশ্ৰী গড়মূৰ শাখা সত্ৰৰ সন্মুখৰ পৰা শঙ্খধ্বনি সাংস্কৃতিক গোষ্ঠীৰ সদস্য- সদস্যাসকলে আদৰণি শোভাযাত্ৰা কৰিব। দুপৰীয়া বাৰ বজাত অতিথিসকলৰ আসন গ্ৰহণ, সন্মিলনীৰ সংগীত, আদৰণি সমিতিৰ সভাপতিৰ আদৰণি ভাষণ, সন্মিলনী আৰু "সদস্য বৰেণ্য" সম্পৰ্কে একাষাৰ, মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড' অশোক বৰাই। ইয়াৰ পাছতে "সদস্য বৰেণ্য" সন্মান প্ৰদান কৰিব অসমীয়া সাহিত্য সন্মিলনীৰ হৈ সভাপতি ড° মুকুল চক্ৰৱৰ্তী, মুখ্য অতিথি ড° অশোক বৰা, নগাঁও আৰু পুৰণিগুদাম অঞ্চলৰ ৰাইজ, দল-সংগঠনে। ইয়াৰ পাছতে গ্ৰন্থ উন্মোচন, সদস্য বৰেণ্য ফণীন্দ্ৰনাথ গায়নৰ একাষাৰ, অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতিৰ ভাষণ, শলাগৰ শৰাই আৰু অসম সংগীত আৰু সভাভংগ। উক্ত অনুষ্ঠানতে পুৰণিগুদামৰ পোন্ধৰটিকৈ সামাজিক অনুষ্ঠান, শিক্ষা প্ৰতিষ্ঠান ক্ৰমে, শ্ৰীশ্ৰী গড়মূৰ শাখা সত্ৰ, পুৰণিগুদাম, জালজৰী সন্মিলিত যুৱমঞ্চ, পুৰণিগুদাম, অনিৰ্বাণ গোষ্ঠী, অবিনশ্বৰ গোষ্ঠী, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, আলোড়ন গোষ্ঠী, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখা, পুৰণিগুদাম প্ৰেছ ক্লাৱ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, শঙ্খধ্বনি সাংস্কৃতিক গোষ্ঠী, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নিশিকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুল, শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদাম আৰু কলংপাৰ জাতীয় বিদ্যালয়, পুৰণিগুদামে সদস্য বৰেণ্য প্ৰাপক ফণীন্দ্ৰনাথ নাথ গায়নক সমূহীয়াকৈ অভিনন্দন জনাব। উক্ত অনুষ্ঠানত উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ সদস্য বৰেণ্য সন্মান প্ৰদানৰ আদৰণি সমিতিয়ে অঞ্চলৰ সমূহ ৰাইজ আৰু দল-সংগঠনক অনুৰোধ জনাইছে লগতে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিবলৈ অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰধান সম্পাদক ড° ভাস্কৰ ভূঞাই এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়াৰ লগতে সন্মিলনীয়ে অঞ্চলটোৰ সকলো ৰাইজক দল-মত-ধৰ্ম-নিৰ্বিশেষে যোগদান কৰিবৰ বাবে বিনম্ৰভাৱে আহ্বান জনাইছে।

## পুৰণিগুদামত শোকাৱহ পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম গড়মূৰৰ ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া ১২-৩০ মান বজাত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। নিহত লোকজন পুৰণিগুদাম মুঢ়ানি গাঁৱৰ বিপিন গায়ন (৬০)। জানিব পৰা মতে, গুৱাহাটীৰ পৰা তেজপুৰ অভিমুখে অহা এম-এল-০৫-এ-এই ছ-৪১৮৮ নম্বৰৰ এখন তীব্ৰবেগী মাৰুতি ছুইফ ডিজায়াৰ বাহনখনে পথ পাৰ হ'বলৈ বিচৰা লোকজনক মহতিয়াই নিয়াৰ ফলতেই লোকজনৰ থিতাতে মৃত্যু হয়। পাছত পুৰণিগুদাম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পুৰণিগুদাম গাঁও পঞ্চায়তৰ সাত নং ৱাৰ্ডৰ মুঢ়ানি গাঁৱৰ অতি দৰিদ্ৰ লোকজনৰ আকস্মিক মৃত্যুত পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। পত্নীসহ এটা উৰুখা পঁজাত বসবাস কৰা লোকজনৰ মৃত্যুত এতিয়া অকলশৰীয়া হৈ পৰিল তেওঁৰ দুৰ্ভগীয়া পত্নীগৰাকী। উল্লেখ্য যে, তীব্ৰবেগত চলাচল কৰা যান-বাহনৰ বাবে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত কে'বাটাও পথ দুৰ্ঘটনাত সংঘটিত হৈছে।

## ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচন ট্ৰাষ্টৰ বানাক্ৰান্ত ৰাইজলৈ সাহায্য



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান জাকাত এণ্ড ইমদাদ ফাউণ্ডেচন শিৱসাগৰ, নাজিৰা, চৰাইদেউ জিলাৰ শিলসাঁকো, কেন্দুগুৰি, চন্তক, বিহুবৰ আদি বিভিন্ন ভিতৰুৱা অঞ্চলত দুদিনকৈ গৈ সেই অঞ্চলৰ বানাক্ৰান্ত ৰাইজৰ মাজত চিৰা, গুৰ, বিস্কুত, গাখীৰ পেকেট, ছাৰ্ফ, চাবোন, ডেটল, মহ খেদোৱা ধূপ, ফেনাইল, টুথব্ৰাছ, বিছনাচাদৰ, গাৰু, পিন্ধা কাপোৰ আদি বিতৰণ কৰে। উল্লেখযোগ্য যে ২০০৮ চনতে গঠিত হোৱা ডিব্ৰুগড়ৰ এই অনুষ্ঠানটোৱে সমাজৰ দুখীয়া, অসহায় লোকৰ মাজত ঘৰ সজাই দিয়া, মেৰামতি কৰা, অভাৱগ্ৰস্ত ছাত্ৰ ছাত্ৰীক মেডিকেল, ইঞ্জিনিয়াৰিং, ওকালতি আদি পঢ়াত সহায় কৰা, শিক্ষানুষ্ঠানত কম্পিউটাৰৰ যোগান ধৰা, দিয়া, চিলাই মেচিন, ৰিস্কা, ঠেলা, মোবাইল দোকান দিয়া, বিভিন্ন বেমাৰত আক্ৰান্তক চিকিৎসাৰ বাবে এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা, দুখীয়া হিতাধিকাৰীক দুৰ্যোগৰ সময়ত ঘৰে ঘৰে গৈ চাউল দাইল, আটা, তেল, চেনি, মিঠাতেল আদি আগবঢ়াই আহিছে। তদুপৰি ইমদাদ ফাণ্ডৰ পৰা অন্যান্য ধৰ্মাম্বলম্বী লোক ঘাইকৈ শিক্ষাৰ্থী সকলক সময়ে সময়ে আৰ্থিকভাৱে সহায় কৰি আহিছে। বান সাহায্য বিতৰণৰ ক্ষেত্ৰত ঘাইকৈ অনুষ্ঠানটিৰ সম্পাদক নাচিৰ চুলতান আৰু দুগৰাকী ট্ৰাষ্টি নাচিৰ আহমেদ আৰু শ্বাহনাজ ৰহিমে বিশেষ ভূমিকা পালন কৰে।

## সন্তোষ লহকৰ আন্তঃজিলা ফুটবল; মৰিগাঁও-নগাঁৱৰ ড্ৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ দ্বাৰা পৰিচালিত ১৭ বছৰৰ অনুৰ্দ্ধ সন্তোষ লহকৰ সোঁৱৰণী আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ "চি"ৰ ক্লাষ্টাৰ ১ৰ দ্বিতীয়খন খেল নগাঁও ক্ৰীড়া সন্থা আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ মাজত ১-১ গ'লত অমীমাংসিত হৈ ৰোৱাত উভয় দলেই এক পইণ্টকৈ অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত মানিপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলখনত নগাঁও ক্ৰীড়া সন্থাই সংঘবদ্ধভাৱে খেলি খেলৰ প্ৰথমাৰ্ধত অভিজিত ডেকাৰ গ'লৰে ১-০ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত মৰিগাঁও দলে সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি ৰোহিত বৰাৰ সুন্দৰ গ'লৰে খেলখনত সমতা স্থাপন কৰে। ইয়াৰ পূৰ্বে খেলৰ আৰম্ভণিতে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই খেলখন শুভ উদ্বোধন কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰৰ তত্ত্বাৱধানত অনুষ্ঠিত আদৰণী অনুষ্ঠানটোত অসম ফুটবল সন্থাৰ উপসভাপতি জিতু বৰদলৈ, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মা আৰু সম্পাদক গুলজাৰিলাল শৰ্মা, প্ৰাক্তন সুদক্ষ ফুটবলাৰ দেব বৰদলৈ, খেল আয়ুক্ত নাচিৰউদ্দিন আহমেদ আৰু সহকাৰী সম্পাদক ইক্ৰামুল হুছেইনৰ উপৰিও ফুটবল সম্পাদক অপূৰ্ব বৰদলৈ সহিতে অন্যান্য নিমন্ত্ৰিত অতিথি আৰু ক্ৰীড়া সংগঠক সকল উপস্থিত থাকে। আজিৰ খেলখন ভোগচিং বৰদলৈ, মানস সেনগুপ্ত, ৰ'জ আলী আহমেদ, দ্বিগেন পাতৰ আৰু জিতুল বৰদলৈয়ে পৰিচালনা কৰে।

# টংলা নগৰৰ বিভিন্ন প্ৰান্তত কৃত্ৰিম বানপানী

**এজাক দপ্‌দপীয় বৰষুণতে ঠায়ে-ঠায়ে একাঠু পানী; ৰাইজৰ সমস্যাত পিঠি দিলে জনপ্ৰতিনিধিয়ে**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ আগষ্ট ঃ** উজনি অসমত বানপানীয়ে সংহাৰী ৰূপ ধাৰণ কৰাৰ পিছত বিগত কেইবাদিনধৰি দপদপীয়া বৰষুণৰ ফলত নামনি অসমৰ নদীসমূহ বঢ়নী পানীত উফন্দি উঠাৰ লগতে ঠায়ে ঠায়ে জলমগ্ন হোৱা পৰিলক্ষিত হৈছে। ওদালগুৰি জিলাৰ বহু অঞ্চলত কৃত্ৰিম বানপানী হোৱা দেখা গৈছে। বিশেষকৈ জিলাখনৰ অন্যতম টংলা নগৰৰ চাৰিওটা ৱাৰ্ডত কৃত্ৰিম বানপানীৰ বাবে ৰাইজে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। টংলা ১ নং ৱাৰ্ডৰ নবিনপল্লি, ২ নং ৱাৰ্ডৰ ছাটগাড়ী চৰকাৰী মজলীয়া বিদ্যালয়ৰ, ৩নং ৱাৰ্ডৰ সুভাষপল্লি আৰু ৪ নং ৱাৰ্ডৰ চিত্ৰনগৰ আদি বহু অঞ্চলৰ বাট পথ আৰু মানুহৰ ঘৰত একাঠোঁ পৰ্যন্ত বানপানী হোৱা পৰিলক্ষিত হৈছে। নগৰখনত পৰিকল্পিত বাট পথ আৰু নলা নিৰ্মাণ কৰাৰ লগতে বিভিন্ন অঞ্চলত থাকিবলগীয়া উপযুক্ত পকী নলা নিৰ্মাণ কৰিব নোৱাৰাত ৰাইজে কৃত্ৰিম বানপানীৰ সমস্যাত ভুগিব লগীয়া হৈছে। পূৰ্বে পানেৰী বিধান সভা সমষ্টিৰ আৰু বৰ্তমান টংলা বিধান সভা সমষ্টিৰ অন্তৰ্গত টংলা নগৰখন ৰাজ্যৰ ভিতৰতে লেখত লবলগীয়া পুৰনি নগৰ যদিও উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ বাট পথ আৰু পকী নলা আদি নিৰ্মাণত অতি পিছপৰা অনুন্নত নগৰ। বিটিচিৰ খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ ১নং আৰু ২নং ৱাৰ্ড দুটা অন্তৰ্ভুক্ত আনহাতে মুদৈবড়ী পৰিষদীয় সমষ্টিৰ অন্তৰ্ভুক্ত ৩নং আৰু ৪ নং ৱাৰ্ড দুটা যদিওজন প্ৰতিনিধিৰ অবহেলা আৰু গুৰুত্ব আৰোপ নকৰাৰ ফলত প্ৰতিবছৰে টংলা নগৰৰ ৰাইজে বাৰিষাত কৃত্ৰিম বানপানীৰ সমস্যাত ভুগিব লগীয়া হয়। সুভাষপল্লি অঞ্চলত অতি প্ৰয়োজনীয় পকী নলাৰ যদিও কানসাৰ নাই কোনো এজন জনপ্ৰতিনিধিৰ। গুৰুত্ব নাই টংলা পৌৰ সভাৰ। সেইদৰে প্ৰতিটো ৱাৰ্ডত পৰিকল্পিত বাট-পথ আৰু পকী নলাৰ অভাৱে ৰাইজক বাৰে-বাৰে কৃত্ৰিম বানপানীৰ মাজত ঠেলি পঠিওৱা পৰিলক্ষিত হৈছে। ৰাইজৰ দীৰ্ঘদিনীয়া এই বোৰ সমস্যা সমাধানৰ ক্ষেত্ৰত গা লৰা নাই নেতা পালিনেতাৰ। টংলাৰ ৰাইজে অতি শীঘ্ৰে কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ বাবে দাবী জনায়। অন্যথা ৰাজপথত ওলাই আহিবলৈ বাধ্য হ'ব বুলি জানিব দিয়ে। টংলা নগৰৰ এনে সমস্যা সমাধানৰ ক্ষেত্ৰত জনপ্ৰতিনিধিসকলে কি ভূমিকা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয় বিষয়।

# সমগ্ৰ ৰাজ্যৰ লগতে খৈৰাবাৰী মহাবিদ্যালয়তো নিযুত মইনা আৰু নিযুত বাবু আঁচনীৰ প্ৰ- পত্ৰ বিতৰণৰ শুভাৰম্ভণী

**খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যব্ৰত সেনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন**

**অসম বাৰ্তা, খৈৰাবাৰী, ৮ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যত ২০২৬ আৰু ২৭ বৰ্ষৰ বাবে মুখ্যমন্ত্ৰী নিযুত মাইনা আৰু নিযুত বাবু আঁচনীৰ শুভাৰম্ভণী। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ শিক্ষাখণ্ডক এক বিশেষ অগ্ৰাধিকাৰ দি ছাত্ৰ-ছাত্ৰী সকলক উচ্চ শিক্ষাত সহায়ৰ উপযোগী হোৱকৈ নিযুত মাইনা আঁচনী আৰু নিযুত বাবু আঁচনী আনুষ্ঠানিক ভাৱে ৬ আগষ্ট বৃহস্পতিবাৰে শুভাৰম্ভণী কৰে। ইয়াৰ সমান্তৰালভাৱে ওদালগুৰি জিলাৰ খৈৰাবাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত নিযুত মাইনা আঁচনী আৰু নিযুত বাবু আঁচনীৰ শুভাৰম্ভণী কৰে খৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত সেনে। গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ নিযুত মাইনা আৰু নিযুত বাবু আঁচনীৰ আবেদন পত্ৰ বিতৰণৰ পোনপটীয়া ভিডিঅ' সম্প্ৰচাৰ খৈৰাবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী দেখুৱাৰ পাছতে অনুষ্ঠিত হয় উক্ত সভা। খৈৰাবাৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰূপেশ্বৰ বড়োই আঁত ধৰা নিযুত মাইনা আঁচনী আৰু নিযুত বাবু আঁচনী শুভাৰম্ভণীত বিদ্যালয়ৰ প্ৰায় ১২০০ ছাত্ৰ আৰু ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়ৰ ৪৫৪ গৰাকী ছাত্ৰ- ছাত্ৰীক আনুষ্ঠানিক ভাৱে নিযুত মাইনা আৰু নিযুত বাবু আঁচনীৰ পত্ৰ মহাবিদ্যালয়ৰ অধ্যাপকৰ হাতেৰে বিতৰণ কৰে। অন্যহাতে ছাত্ৰ-ছাত্ৰী সকলক তথ্য সহায়তা প্ৰদান কৰিবলৈ অধ্যাপিকা সুৱৰ্ণ দেৱী, প্ৰদীপ দেৱনাথ, প্ৰনৱ প্ৰসাদ আৰু প্ৰদীপ বড়োক মহাবিদ্যালয়ৰ তৰফৰ পৰা দায়িত্ব অৰ্পণ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যব্ৰত সেনে অসমৰ মুখ্যমন্ত্ৰীৰ আলম লৈ তেওঁ কয় ছাত্ৰ-ছাত্ৰী সকলক অসম চৰকাৰে প্ৰতিমাহে ১২৫০ টকাকৈ প্ৰায় ১ নিযুত চেক বিতৰণ কৰিব। লগতে তেওঁ কয় বহু সংখ্যক শিক্ষাৰ্থী দূৰ দূৰণীৰ পৰা মহাবিদ্যালয়লৈ আহিবৰ বাবে অৰ্থৰ অভাব, খোৱা লোৱাত অসুবিধা, শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যাৱতীয় সা-সামগ্ৰী ক্ৰয়ত অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰি আধাতে বিদ্যা শেষ নকৰিবৰ বাবে চৰকাৰৰ দ্বাৰা এই প্ৰদক্ষেপ গ্ৰহণ কৰে বুলি বক্তব্য প্ৰদান কৰে। ইয়াৰ উপৰিও বাল্য বিবাহ ৰোধ, দুখীয়া মাক দেউতাকে অতি কম বয়সতে ছোৱালী বিয়া দিয়াও অন্য এটা মুখ্য কাৰণ। সেয়ে চৰকাৰৰ এই আঁচনীৰ যোগেদি ছাত্ৰ-ছাত্ৰী সকল পঢ়াৰ প্ৰতি যথেষ্ট আগ্ৰহী হৈ চৰকাৰৰ এই আঁচনিৰ ধন সঠিক ভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

# পান খেতি সন্দৰ্ভত মৰিগাঁৱত জিলা পৰ্যায়ৰ কৃষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ আগষ্ট ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (CSSঔATMA)-ৰ অধীনত আন্তঃ জিলা পৰ্যায়ৰ কৃষক প্ৰশিক্ষণ কাৰ্যসূচী ভুৰবন্ধা কৃষি উন্নয়ন চক্ৰ তথা আত্মা ব্লকৰ অন্তৰ্গত দন্দুৱা মাজগাঁৱত সফলতাৰে অনুষ্ঠিত হয়। আত্মা আঁচনিৰ ডেপুটী প্ৰজেক্ট ডাইৰেক্টৰ হীৰামণি দাসৰ সঞ্চালনাত অনুষ্ঠিত এই কাৰ্যসূচীত খুতি পদ্ধতিৰ জৰিয়তে বৈজ্ঞানিক ভাৱে পান খেতি কৰাৰ বিভিন্ন দিশৰ ওপৰত কৃষকসকলক বিশদ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে দৰং জিলাৰ ছিপাঝাৰত অৱস্থিত ফ্ল'ৰিকা নাৰ্চাৰীৰ স্বত্বাধিকাৰী তথা অন্যতম পান খেতিয়ক হিৰণ্য কুমাৰ নাথ উপস্থিত থাকি পান খেতিৰ সম্প্ৰসাৰণ, উৎপাদন বৃদ্ধি, খেতিত গ্ৰহণ কৰিবলগীয়া বিভিন্ন সাৱধানতা, বৈজ্ঞানিক ব্যৱস্থাপনা, কীট-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণ পদ্ধতি, পুলি সমূহৰ মাজৰ দূৰত্ব আদি বিষয়ত প্ৰায় ৬০ গৰাকী কৃষকক ব্যৱহাৰিক আৰু কাৰিকৰী প্ৰশিক্ষণ আগবঢ়ায়। অনুষ্ঠানত ভুৰবন্ধা কৃষি চক্ৰৰ উন্নয়ন বিষয়া লোনা বৰুৱা, ATMA-ৰ বি.টি.এম. পবিত্ৰ দেউৰী, সুভাশ্ৰী বৰঠাকুৰ, অভিজিৎ বৰদলৈ, শিল্পী দেৱী বৰা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, এ.টি.এম. চিন্তমণি বৰা, অৰ্চিতা কুমবাঙৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে কৃষকসকলে বৈজ্ঞানিক পদ্ধতিৰে পান খেতি কৰি উৎপাদন আৰু আয় বৃদ্ধিৰ ক্ষেত্ৰত প্ৰয়োজনীয় জ্ঞান আহৰণ কৰাৰ সুযোগ লাভ কৰে।

**অসমত চাৰিখনকৈ ক্ৰিকেট একাডেমী নিৰ্মাণ হৈ আছে ঃ ৰমেন দত্ত**

# বঢ়মপুৰ ক্ৰিকেট একাডেমীত আৱাসিক হোষ্টেলৰ আধাৰশিলা স্থাপন




**অসম বাৰ্তা, পুৰণিগুদাম, ৮ আগষ্ট ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ বঢ়মপুৰত নিৰ্মাণ কাৰ্য চলি আছে অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী। যোৱা ৬ আগষ্টত এই ক্ৰিকেট একাডেমীত এটা আৱাসিক হোষ্টেলৰ আধাৰশিলা স্থাপন কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। এশ প্ৰশিক্ষাৰ্থী থাকিব পৰা এই আৱাসিক হোষ্টেলত থাকি ক্ৰিকেট প্ৰশিক্ষাৰ্থীসকলে ক্ৰিকেটৰ অনুশীলন কৰিব পাৰিব। বঢ়মপুৰত ক্ৰীড়াৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰা বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীয়ে ইতিমধ্যে থগী সূত ক্ৰীড়া প্ৰকল্পত ক্ৰিকেট, ফুটবল, বেডমিণ্টন, বাস্কেটবল আদিৰ প্ৰশিক্ষণ দি খেলুৱৈ গঢ়াৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে থগী সূত ক্ৰীড়া প্ৰকল্পৰ নিচেই কাষতে অসম ক্ৰিকেট সন্থাই নিৰ্মাণ কাৰ্য চলাই থকা ক্ৰিকেট একাডেমীয়ে এতিয়া বঢ়মপুৰৰ সামগ্ৰিক পৰিৱেশ সলনি কৰিছে। অসম ক্ৰিকেট সন্থাই এখন ক্ৰিকেট একাডেমী নিৰ্মাণ কৰিবলৈ বঢ়মপুৰ অঞ্চলটো বাচি লোৱাত বিধায়কগৰাকীয়ে বঢ়মপুৰবাসীৰহৈ অসম ক্ৰিকেট সন্থাক ধন্যবাদ জনায। অতি দ্ৰুতগতিত নিৰ্মাণ কাৰ্য চলি থকা ক্ৰিকেট একাডেমীৰ আৱাসিক হোষ্টেলৰ আধাৰশিলা স্থাপন কৰাৰ সময়ত বিধায়ক জিতু গোস্বামীৰ লগত উপস্থিত থকা অসম ক্ৰিকেট সন্থাৰ উপ-সভাপতি ৰমেন দত্তই কয়, অসমত চাৰিখনকৈ ক্ৰিকেট একাডেমী নিৰ্মাণ হৈ আছে। ইয়াৰে কেন্দ্ৰীয়ভাৱে নিৰ্মিত উত্তৰ গুৱাহাটীৰ খুলুঙৰ লগতে বৰপেটা আৰু উমৰাংছুৰ ক্ৰিকেট একাডেমীৰ কাম সম্পূৰ্ণ হৈছে। বঢ়মপুৰত নিৰ্মাণ কাৰ্য চলি থকা ক্ৰিকেট একাডেমীৰ কাম সোনকালে শেষ কৰাৰ প্ৰচেষ্টা কৰা হ'ব বুলি উপসভাপতি তথা বিশিষ্ট ক্ৰীড়া সংগঠক ৰমেন দত্তই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, অসমত বৰ্তমান সময়ত ক্ৰিকেট খেলুৱৈ গঢ়ি তোলাৰ ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাই যুগান্তকাৰী প্ৰদক্ষেপ গ্ৰহণ কৰিছে। ল'ৰা আৰু ছোৱালী প্ৰতিভাৱান ক্ৰিকেট খেলুৱৈসকলে যাতে পৰিৱেশৰ অভাৱত নিজৰ সুন্দৰ প্ৰতিভা হেৰুৱাবলগীয়া নহয় তাৰ বাবে অসম ক্ৰিকেট সন্থাই যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া এতিয়া অসমৰ চুকে-কোণে ক্ৰীড়াৰ ক্ষেত্ৰত আলোচনাৰ বিষয়বস্তু হৈ পৰিছে। অসমৰ সু-সন্তান ক্ৰীড়া সংগঠন দেৱজিৎ লন শইকীয়া ভাৰতীয় ক্ৰিকেট বৰ্ডৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱাৰ পিছতে অসম ক্ৰিকেট সন্থাৰ প্ৰচেষ্টাত অসমত অসম প্ৰিমিয়াৰ লীগ ক্ৰিকেট অনুষ্ঠিত হৈছে। ইয়াৰ জৰিয়তে অসমৰ ক্ৰিকেট খেলুৱৈসকলে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত জিলিকি উঠাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। যোৱা ৬ আগষ্টত বঢ়মপুৰত ক্ৰিকেট খেলুৱৈৰ বাবে আৱাসিক হোষ্টেল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ক্ৰিকেট একাডেমীৰ কাম খৰতকীয়াকৈ চলি থকাত বঢ়মপুৰবাসী উৎফুল্ল হৈ পৰিছে।

**টিনপাত কাটি চোৰ সোমাই লৈ গ'ল নগদ ধন**

# গহপুৰ নগৰৰ মাজমজিয়াৰ দুই ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ৮ আগষ্ট ঃ** গহপুৰ আৰক্ষী থানাৰ আৰক্ষীৰ অস্তিত্বক তেনেই অস্তিত্বহীন কৰি তুলিছে এটা বৃহৎ চুৰি চক্ৰই। গহপুৰ আৰক্ষীৰ তথাকথিত নিৰাপত্তা ব্যৱস্থাক চূড়ান্ত ভাৱে উপলুঙা কৰি ধাৰাবাহিক ভাৱে সংঘটিত হৈ থকা চুৰিকাণ্ড সমূহে গহপুৰ আৰক্ষীৰ ব্যৰ্থতা বাৰুকৈয়ে উন্মোচিত কৰি অহাৰ সময়তে যোৱা নিশা পুনৰ সংঘটিত হয় আন এক চুৰি কাণ্ড। গহপুৰ আৰক্ষী থানাৰ পৰা নাতিদূৰৈত গহপুৰ নগৰৰ মাজমজিয়াৰ হস্পিতাল ৰোডৰ দুখন ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত হয় উক্ত চুৰি কাণ্ড। যুৱ ব্যৱসায়ী প্ৰণয় চাহুৰ শিৱম ইণ্টাৰনেট আৰু সুজিত মুখাৰ্জীৰ এছ এম এণ্টাৰ প্ৰাইজ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠান দুখনত সংঘটিত হোৱা এই চুৰি কাণ্ডত প্ৰণয় চাহুৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা লকাৰ ভাঙি লৈ যায় প্ৰায় ৭০/৮০ হাজাৰ টকা। আনহাতে সুজিত মুখাৰ্জীৰ ইলেক্ট্ৰিকছ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা কোনো ধৰণৰ সা-সামগ্ৰী নিব নোৱাৰিলে যদিও কেচ ব'ৰ পৰা প্ৰায় এহেজাৰ টকা লৈ যায়। ওচৰা ওচৰিকৈ থকা উক্ত ব্যৱসায়িক প্ৰতিষ্ঠান দুখনৰ মাজৰ মুধচত থকা টিনপাত কাটি ব্যৱসায়িক প্ৰতিষ্ঠান দুখনৰ ভিতৰত প্ৰৱেশ কৰিছিল চোৰৰ দলটো। আজি পুৱা শিৱম ইণ্টাৰনেটৰ ভিতৰৰ টেবুলত স্বত্বাধিকাৰী প্ৰণয় চাহুয়ে সন্দেহজনক অৱস্থাত এটা স্মাৰ্ট ফোন প্ৰত্যক্ষ কৰে। আজি পুৱা প্ৰায় ১১ বজাত গহপুৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে উক্ত ম'বাইলটো জব্দ কৰি লৈ যায়। উদ্ধাৰ হোৱা ম'বাইল ফোনটো যদি সঁচাকৈয়ে চুৰি চক্ৰটোৱে পাহৰণিত এৰি থৈ গৈছে তেন্তে ম'বাইল ফোনটোৰ পৰা ক্লু' উলিয়াই চুৰি চক্ৰটোক আৰক্ষীয়ে চিনাক্ত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। উল্লেখযোগ্য যে -গহপুৰ নগৰত চোৰৰ সন্ত্ৰাস ৰোধ কৰিবলৈ গহপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৱন গায়নে কালি সন্ধিয়া গহপুৰ নগৰ এলেকাত মাইক যোগে ঘোষণা কৰি প্ৰতিজন ভাড়াতীয়াৰ নাম ঠিকনা দুদিনৰ ভিতৰত গহপুৰ আৰক্ষী থানাত জমা দিবলৈ আহ্বান জনাইছিল। চোৰৰ সন্ত্ৰাস ৰোধ কৰিবলৈ গহপুৰ আৰক্ষীয়ে গ্ৰহণ কৰা এনেধৰণৰ তৎপৰতাৰ কিছু সময়ৰ পিছতেই গহপুৰ নগৰৰ মাজমজিয়াত সংঘটিত হোৱা চুৰি কাণ্ডই গহপুৰ আৰক্ষীক বাৰুকৈয়ে অস্বস্তিত পেলাইছে।

# বানাক্ৰান্ত ৰাইজৰ কাষত দেৰগাঁৱৰ বিধায়ক ড° মৃদুল কুমাৰ দত্ত

**অসম বাৰ্তা, দেৰগাঁও, ৮ আগষ্ট ঃ** যোৱা প্ৰায় এক মাহ ধৰি দেৰগাঁও সমষ্টিৰ বিভিন্ন অঞ্চল, বিশেষকৈ ব্ৰহ্মপুত্ৰ অঞ্চলৰ বালিদোৱা, খকন্দগুৰি, কৰয়নী, গৰুমৰা আদি এলেকাত ভয়ংকৰ বানপানীয়ে ব্যাপক ক্ষতি সাধন কৰিছে। বহু পৰিয়ালে ঘৰ-বাৰী, সা-সম্পত্তিৰ লগতে জীৱিকাৰ ক্ষেত্ৰতো কঠিন সমস্যাৰ সন্মুখীন হৈছে। এই দুৰ্যোগৰ সময়ত দেৰগাঁও সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তক দিনে-নিশাই বানাক্ৰান্ত ৰাইজৰ কাষত উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়োৱা দেখা গৈছে। বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি তেওঁ ৰাইজৰ সমস্যা বুজ লোৱাৰ লগতে বিভিন্ন বিভাগৰ সৈতে সমন্বয় কৰি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ চেষ্টা অব্যাহত ৰাখিছে। এই বাৰৰ বানপানীৰ অন্যতম কাৰণ হিচাপে দেৰগাঁও পৌৰসভা এলেকাৰ নাৰিকলগুৰি অঞ্চলৰ ড্ৰেইন ব্যৱস্থাৰ দুৰ্বলতাক বহু লোকে উল্লেখ কৰিছে। পৰ্যাপ্ত নিষ্কাশন ব্যৱস্থা নথকাৰ ফলত বহু ঘৰত পানী সোমাইছে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহো বন্ধ ৰাখিবলগীয়া হৈছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলে বিদ্যালয়লৈ যাব পৰা নাই আৰু বহু ব্যৱসায়ীয়ে আৰ্থিক লোকচানৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, নতুন ঘৰ বা ব্যৱসায়িক প্ৰতিষ্ঠান নিৰ্মাণৰ অনুমতি দিওঁতে পানী নিষ্কাশনৰ বিষয়টোত যথেষ্ট গুৰুত্ব দিয়া হোৱা নাছিল। সেয়েহে বৰষুণ হ'লেই জলাবদ্ধতা আৰু বানপানীৰ সমস্যা তীব্ৰ ৰূপ ধাৰণ কৰে। ইয়াৰ মাজতে বিধায়ক ড° মৃদুল কুমাৰ দত্তই ড্ৰেইনসমূহৰ উন্নয়ন আৰু পানী নিষ্কাশনৰ ব্যৱস্থা শক্তিশালী কৰাৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ এফ.চি.আই চাৰিআলিৰ সমীপত পানী নিষ্কাশনৰ নতুন ব্যৱস্থা কৰাৰ ফলত কিছু অঞ্চলত সমস্যাৰ উপশম হোৱা বুলি জানিব পৰা গৈছে। যদিও সামগ্ৰিক সমস্যাৰ সম্পূৰ্ণ সমাধান এতিয়াও হোৱা নাই, তথাপিও বিধায়কগৰাকীয়ে বিষয়টো সমাধানৰ বাবে অব্যাহতভাৱে কাম কৰি আছে। বানৰ এই কঠিন সময়ত ৰাইজে আশা প্ৰকাশ কৰিছে যে সংশ্লিষ্ট সকলো বিভাগৰ সহযোগত দেৰগাঁৱৰ স্থায়ী জলাবদ্ধতা আৰু বান সমস্যাৰ এক দীৰ্ঘম্যাদী সমাধান শীঘ্ৰে বাস্তৱায়িত হ'ব।

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ খোৱাং সমষ্টিৰ ১৭ গৰাকী ঠিকাদাৰৰ মুঠ ৮,৫১,০০০ টকাৰ চেক প্ৰদান



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ হাতত অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বিধায়ক গৰাকীৰ জৰিয়তে খোৱাং সমষ্টিৰ ঠিকাদাৰ সন্থাই প্ৰতি গৰাকীয়ে ৫০ হাজাৰ টকাকৈ মুঠ ১৭গৰাকী ঠিকাদাৰে চেক প্ৰদান কৰে। উল্লেখযোগ্য যে সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ বৰবৰুৱাৰ কোটোহাটিস্থ বাসভৱনত অসমৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ খোৱাং সমষ্টিৰ ঠিকাদাৰ সন্থাই চেক প্ৰদান কৰে। বিধায়ক চক্ৰধৰ গগৈয়ে উজনি অসমৰ তিনিখন জিলাৰ বানবিধ্বস্ত অঞ্চলৰ জনসাধাৰণৰ জীৱন সুৰক্ষা আৰু আন্তঃ গাথনিৰ উন্নয়নৰ হকে খোৱাং সমষ্টিৰ ঠিকাদাৰ সন্থাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অৰ্থসাহায্য চেক প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰে আৰু বানপীড়িত গ্ৰাম্যাঞ্চলৰ দুৰ্দশাগ্ৰস্ত বিপন্ন সময়ত খোৱাং সমষ্টিৰ ঠিকাদাৰ সন্থাই লোৱা পদক্ষেপক মানৱ সেৱাৰ উৎকৃষ্ট মহানুভৱতা বুলি প্ৰকাশ কৰে। খোৱাং সমষ্টিৰ ঠিকাদাৰ সন্থাৰ ১৭গৰাকী ঠিকাদাৰে পঞ্চাশ হাজাৰকৈ মুঠ ৮, ৫১, ০০০ টকাৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বিধায়ক চক্ৰধৰ গগৈৰ হাতত প্ৰদান কৰে।

# উজনি মাজুলীত পঞ্চদশ বিত্তীয় পুঁজিৰে নামঘৰৰ শৌচালয় নিৰ্মাণৰ শুভাৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ** উজনি মাজুলী জিলা পৰিষদৰ পঞ্চদশ বিত্তীয় পুঁজিৰ অধীনত ৩ লাখ ৭৯ হাজাৰ টকাৰ ব্যয়ৰে আজি মলং বৰগুৰি আতৈ চুক নামঘৰৰ এটি শৌচালয় নিৰ্মাণ কাৰ্যৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। এই নিৰ্মাণ কাৰ্যৰ শুভ উদ্বোধন কৰে উজনি মাজুলী জিলা পৰিষদৰ সদস্য চাপ্পল দলেই। উদ্বোধনী ভাষণত তেখেতে স্থানীয় ৰাইজক নিৰ্মাণ কাৰ্য আঁচনি অনুসৰি সঠিকভাৱে হৈছে নে নাই, তাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও নিৰ্মাণ কাৰ্য সম্পন্ন হোৱাৰ পিছত শৌচালয়টো পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে ব্যৱহাৰ কৰিবলৈ তেওঁ ৰাইজক অনুৰোধ জনায়। উক্ত গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীত মিচিং স্বায়ত্তশাসিত পৰিসদৰ ৩০ নং চাংগা মাজুলী সমষ্টিৰ সাধাৰণ সদস্য নিলকান্ত দলে, সন্মিলিত গণশক্তি উজনি মাজুলী খণ্ড শক্তিৰ সম্পাদক দিলিপ বৰা, উত্তম শইকীয়া, প্ৰাঞ্জল বৰা, ছায়াদেৱী বৰাৰ লগতে নামঘৰ পৰিচালনা সমিতিৰ সদস্যসকল আৰু অঞ্চলটোৰ ভক্ত-বৈষ্ণৱসকল উপস্থিত থাকে।

# ষষ্ঠ নগাঁও জিলা কাৰাটে আন্তঃ ক্লাৱ কাৰটে চেম্পিয়নশ্বিপত সফলতা; ৰহা আঞ্চলিক "মাছ"ৰ সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, ৰহা, ৮ আগষ্ট ঃ** নগাঁও জিলা কাৰাটে এছ'চিয়েছনৰ উদ্যোগত সদৌ অসম কাৰাটে এচ'ছিয়েছনৰ সহযোগত দেওবাৰে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত ষষ্ঠ নগাঁও জিলা কাৰাটে আন্তঃ ক্লাৱ কাৰটে চেম্পিয়নশ্বিপত ১১টা gold, ২টা silver আৰু ৩টা Bronze সহ মুঠ১৬টা পদক লৈ গৌৰৱ কঢ়িয়াই অনা ৰহা বৌদ্ধিধৰ্মা কাৰাটে ক্লাবৰ ছাত্ৰ-ছাত্ৰীক আজি বিয়লি ৫ বজাত ৰহা শংকৰদেৱ শিশু বিদ্যা নিকেতনত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ স্থলীত মানৱ অধিকাৰ সংগ্ৰাম সমিতি(মাছ)কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যকৰী অধ্যক্ষ লক্ষ্মী প্ৰসাদ ডেকা, ৰহা আঞ্চলিক সমিতিৰ সচিব খনিকৰ ডেকা, সাংগঠনিক সম্পাদক তৰুণ ৰাম ডেকা, মাছৰ শুভাকাংক্ষী নৱজ্যোতি বৰদলৈ, অৰ্চনা বৰুৱা, ৰশ্মি ৰাণী দেৱী আদি সহ এক প্ৰতিনিধি দল উপস্থিত হৈ পদক প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচাৰে অভিনন্দন জনাই উৎসাহ প্ৰেৰণা যোগাৱা লগতে উজ্জ্বল ভৱিষ্যত কামনা কৰে। লগতে বৌদ্ধিধৰ্মা কাৰাটে ক্লাবৰ মুখ্য প্ৰশিক্ষক নিত্য কুমাৰ পাতৰ, প্ৰশিক্ষক প্ৰিয়ম মজুমদাৰ, কাৰাটে ক্লাবৰ সম্পাদক সঞ্জীৱ নাথ, আৰু সাংবাদিক চয়েল খেতানক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। লগতে ৰহা বৌদ্ধিধৰ্মা কাৰাটে ক্লাবৰ মুখ্য প্ৰশিক্ষক নিত্য কুমাৰ পাতৰে জানিব দিয়ে যে অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত, সদৌ অসম কাৰাটে সন্থাৰ অধীনত নগাঁও জিলাৰ আন্তঃ ক্লাব কাৰাটে প্ৰতিযোগিতাত ৰহা বোদ্ধিৰ্ধমা কাৰাটে ক্লাবৰ ১৪জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৩জন ছাত্ৰ-ছাত্ৰীয়ে ১১ gold ২ Silvar ৩জনে Bronzer মুঠ ১৬ পদক লাভ কৰি Gold Silver Bronze পদক পোৱা সকলে আগন্তুক হ'ব লগা Zonal Karate championships অংশগ্ৰহণ কৰিবলৈ বাছনি লাভ কৰিছে, আৰু Zonal Karate championshipsত gold আৰু Silver পদক পোৱাসকলে State Karate championshipsত অংশগ্ৰহণ কৰিবলৈ সুবিধা লাভ কৰিব, State Karate championshipsত পদক লাভ কৰা সকলে অসম চৰকাৰৰ চৰকাৰী জলপানি লাভ কৰিব। আজিৰ সম্বৰ্ধনা অনুষ্ঠানত কাৰাটে ক্লাবৰ প্ৰতিনিধি, সদস্য সদস্যা সহ অবিভাবক অভিভাৱিকা আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থাকে।

# নুমলীগড়ৰ বাউৰিগাঁৱত পুনৰ বানৰ ভয়াৱহতা

**ইটা-ভাটাৰ ওখ নিৰাপদ স্থানত আশ্ৰয় বানাক্ৰান্তৰ**

**অসম বাৰ্তা, নুমলীগড়, ৮ আগষ্ট ঃ** নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পৰা পুনৰ বৃহৎ পৰিমাণে পানী মুকলি কৰাৰ ফলত গোলাঘাট জিলাৰ নুমলীগড় অঞ্চলৰ বান পৰিস্থিতি অধিক জটিল ৰূপ ধাৰণ কৰিছে। ধনশিৰি নৈৰ জলস্তৰ দ্ৰুতগতিত বৃদ্ধি পোৱাত নুমলীগড়ৰ বাউৰিগাঁওকে ধৰি নদীপৰীয়া কেইবাখনো অঞ্চল প্লাৱিত হৈছে। বহু পৰিয়ালৰ বাসগৃহত বানপানী সোমাই পৰাত স্বাভাৱিক জনজীৱন সম্পূৰ্ণৰূপে ব্যাহত হৈছে। বিশেষকৈ বাউৰিগাঁৱৰ বহু পৰিয়াল নিজৰ ঘৰ-দুৱাৰ এৰি নিৰাপদ স্থান বিচাৰি ওখ ইটা-ভাটাত অস্থায়ীভাৱে আশ্ৰয় গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। বানপানীয়ে ঘৰ, চোতাল আৰু সংযোগপথ আৱৰি ধৰাত বহু লোকে প্ৰয়োজনীয় সামগ্ৰী উদ্ধাৰ কৰিবলৈও অতি কষ্টকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইটা-ভাটাত আশ্ৰয় লোৱা লোকসকলে অতি কষ্টৰে দিন অতিবাহিত কৰিবলগীয়া হৈছে। খাদ্য, বিশুদ্ধ খোৱাপানী, শিশুখাদ্য, ঔষধ আৰু অন্যান্য নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অতি প্ৰয়োজন হৈ পৰিছে। শিশু, মহিলা আৰু বৃদ্ধসকল বিশেষভাৱেসমস্যাৰ সন্মুখীন হৈছে। বানপানী অব্যাহত থকাত বহু পৰিয়ালৰ মাজত ভৱিষ্যৎক লৈ উদ্বেগ বৃদ্ধি পাইছে। স্থানীয় বাসিন্দাসকলে জনোৱা মতে, ধনশিৰি নৈৰ বাঢ়নি পানী এতিয়াও সম্পূৰ্ণৰূপে অহা নাই। যদি জলবিদ্যুৎ প্ৰকল্পৰ পৰা পুনৰ অধিক পৰিমাণে পানী মুকলি কৰা হয় অথবা অব্যাহত বৰষুণ হয়, তেন্তে বান পৰিস্থিতি আৰু অধিক ভয়াৱহ হোৱাৰ আশংকা আছে। ইফালে, স্থানীয় ৰাইজে প্ৰশাসনৰ ওচৰত অতি শীঘ্ৰে পৰ্যাপ্ত ত্ৰাণ সামগ্ৰী, বিশুদ্ধ খোৱাপানী, চিকিৎসা সেৱা আৰু নিৰাপদ আশ্ৰয়ৰ ব্যৱস্থা কৰাৰ অনুৰোধ জনাইছে। লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ বাবে তাৎক্ষণিক সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও চৰকাৰক আহ্বান জনোৱা হৈছে। বৰ্তমানেও নুমলীগড়ৰ বানাক্ৰান্ত অঞ্চলসমূহত পানী বৃদ্ধি আৰু পৰিস্থিতিৰ ওপৰত স্থানীয় লোকসকল তীক্ষ্ণ নজৰ ৰাখিছে। বান পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে অঞ্চলটোৰ বহু পৰিয়ালৰ স্বাভাৱিক জীৱনলৈ উভতি অহা সম্ভৱ নহ'ব বুলি আশংকা প্ৰকাশ কৰিছে বাসিন্দাসকলে।

# বকোৰ কোচ ৰাজবংশী জাতীয় কৰ্মী খলিহা গাঁৱৰ অমল দলৈৰ মৃত্যুত সৰ্বত্ৰে শোঁকৰ ছাঁ

**অসম বাৰ্তা, বকো, ৮ আগষ্ট ঃ** "মৃত্যু এক চিৰন্তন সত্য" কথাষাৰৰ সত্যতা প্ৰমাণ কৰি বহুতোকে কন্দুৱাই পৰলোকলৈ গমন কৰিলে কামৰূপ জিলাৰ বকোৰ এগৰাকী সৰবৰহী ব্যক্তি। বকো ৰাজহ চক্ৰৰ অন্তৰ্গত খলিহা গাঁৱৰ অমল দলৈ ওৰফে লক্ষ্যধৰ দলৈৰ হঠাতে উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হৈ যোৱা নিশা পৰলোকপ্ৰাপ্তি ঘটে। প্ৰকৃতাৰ্থত অমল দলৈ এগৰাকী সৎ আৰু নিষ্ঠাবান কোচ ৰাজবংশী জাতীয় কৰ্মী আছিল। কোচ ৰাজবংশী জাতীয় সংগঠনৰ সকলো কাৰ্য্যসূচীতে তেওঁ আগৰণুৱা আছিল। খলিহা যুৱক সংঘৰ গুৰু দায়িত্বত থাকি সকলো সাংস্কৃতিক কাৰ্য্যক্ৰমণিকা সুচাৰুৰূপে পৰিচালনা কৰিছিল। ইফালে খলিহাৰ তিনি পাৰা গাঁৱৰ গাঁৱৰক্ষী বাহিনীৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছিল। আনহাতে এগৰাকী পৰিচিত তথা জনপ্ৰিয় প্ৰতিভা সম্পন্ন কণ্ঠশিল্পী (কিশোৰী) জিমি দলৈ আজি পিতৃহাৰা হ'ল। প্ৰাপ্ত তথ্য অনুসৰি; খলিহা অঞ্চলৰ চিনাকি নাম প্ৰয়াত বিনোদ দলৈ আৰু সৰবৰহী মহিলা শ্ৰীমতী সুৱলা দলৈৰ পুত্ৰ অমল দলৈৰ মৃত্যুত সৰ্বত্ৰে গভীৰ শোঁকৰ চা পৰিছে। ইফালে বিহুকে ধৰি কোচ ৰাজবংশী জাতীয় সংগঠনৰ কৃষ্টি সংস্কৃতিৰ উপৰিও সভা সমিতি আৰু সংগঠনে লোৱা কাৰ্য্যসুচী সমূহত সততে আগভাগ লৈছিল। খলিহাত হোৱা সভা; সাংস্কৃতিক অনুষ্ঠান আৰু অন্যান্য সামাজিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৪৮ বছৰ। সঁচা অৰ্থত এগৰাকী সমাজপ্ৰাণ লোকক হেৰুৱাই সকলো ম্ৰিয়মাণ হৈ পৰিছে। মৃত্যুৰ সময়ত মাতৃ; পত্নী আৰু জীয়ৰী জিমি দলৈ আৰু অজস্ৰ আত্মীয় স্বজন ইহসংসাৰত এৰি যায়। আজি অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত যথাৰীতি মতে অমলৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## সম্পাদকীয়

# সত্যৰ মাজত বিভ্ৰান্তি

ভাৰতীয় অৰ্থনীতিৰ স্বৰ্ণময় সফলতাসমূহৰ ভিতৰত 'ইউনিফাইড পেমেণ্টছ্ ইণ্টাৰফেচ' (UPI) নিঃসন্দেহে শীৰ্ষস্থানত স্থান পাব। ই কেৱল এখন নগৰভিত্তিক ব্যৱস্থা হৈ থকা নাই; সৰু দোকান, ফলমূলৰ ঠেলা, ৰিস্কাচালকৰ পৰা আৰম্ভ কৰি গ্ৰামীণ অঞ্চলৰ চুক-কোণলৈকে ই ভাৰতীয় সমাজৰ দৈনন্দিন জীৱনৰ অখণ্ড অংগ হৈ পৰিছে। কিন্তু শেহতীয়াকৈ সংসদত উত্থাপিত 'টেটৈচন এণ্ড আদাৰ ল'জ (এমেণ্ডমেণ্ট) বিল, ২০২৬'-এ সাধাৰণ ৰাইজ তথা খুচুৰা ব্যৱসায়ীসকলৰ মনত তীব্ৰ সংশয়ৰ সৃষ্টি কৰিছে। 'পেমেণ্ট এণ্ড চেটেলমেণ্ট চিষ্টেমছ এক্ট, ২০০৭'-ৰ ধাৰা ১০এ সংশোধনৰ জৰিয়তে চৰকাৰে অধিসূচনাৰ যোগেদি মাৰ্চেণ্ট ডিস্কাউণ্ট ৰেট (MDR) বা লেনদেনৰ মাচুল সংক্ৰান্তত নতুন নিয়ম কাৰ্যকৰী কৰাৰ ক্ষমতা নিজৰ হাতলৈ আনিছে। চৰকাৰৰ মতে এয়া এক আইনী সক্ষমীকৰণ ব্যৱস্থা যদিও, ইয়াৰ আঁৰত লুকাই থকা সম্ভাব্য খৰচৰ বোজাই সমগ্ৰ ডিজিটেল অৰ্থনীতিকেই জোকাৰি গৈছে।

চৰকাৰী পক্ষৰ ব্যাখ্যা অনুসৰি, এই বিধেয়কখনে পোনে পোনে কোনো মাচুল ধাৰ্য কৰা নাই। অৰ্থমন্ত্ৰী নিৰ্মলা সীতাৰমণে স্পষ্ট কৰিছে যে NPCI-ৰ নেতৃত্বাধীন কমিটীয়ে এতিয়ালৈকে MDR সংক্ৰান্তত কোনো চূড়ান্ত সিদ্ধান্ত লোৱা নাই। লগতে, MDR গ্ৰাহকৰ সলনি ব্যৱসায়ী বা মাৰ্চেণ্টৰ ওপৰতহে প্ৰযোজ্য হ'ব। প্ৰথম দৃষ্টিত এই যুক্তি প্ৰশান্তিদায়ক যেন লাগিলেও, ব্যৱহাৰিক অৰ্থনীতিৰ দিশৰ পৰা চালে ইয়াৰ ফল শেষত ভোগ কৰিব লাগিব সাধাৰণ গ্ৰাহকেই। যেতিয়া এজন ক্ষুদ্ৰ ব্যৱসায়ীয়ে ডিজিটেল লেনদেনৰ বিপৰীতে মাচুল ভৰিবলগীয়া হয়, তেওঁ স্বাভাৱিকতেই সেই অতিৰিক্ত ব্যয় সামগ্ৰী বা সেৱাৰ মূল্য বৃদ্ধি কৰি গ্ৰাহকৰ পৰা সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিব।

বিৰোধী দলসমূহ তথা অৰ্থনৈতিক বিশ্লেষকসকলে এই সংশোধনীৰ বিপজ্জনক দিশসমূহ আঙুলিয়াই দিছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশৰ মতে, ৰিজাৰ্ভ বেংকৰ বিপুল উদ্বৃত্ত ধন হস্তান্তৰৰ পিছতো UPI ইক'ছিষ্টেম বৰ্তাই ৰাখিবলৈ অতিৰিক্ত বিত্তীয় বোজা ৰাইজৰ মূৰত জাপি দিয়াৰ কোনো যুক্তি নাই। আনহাতে, সামাজিক মাধ্যমত ২, ০০০ টকাৰ ওপৰৰ লেনদেনত ০.২৫ শতাংশৰ পৰা ০.৫ শতাংশলৈ পৰ্যন্ত মাচুল লগোৱাৰ খবৰে ব্যৱসায়ী সমাজৰ মাজত এক অনাস্থাৰ পৰিৱেশ সৃষ্টি কৰিছে। যদি সৰু-বৰ সকলো লেনদেনতে মাচুল কাটিবলৈ লোৱা হয়, তেন্তে বহু সৰু দোকানীয়ে পুনৰ নগদ ধন লোৱা পুৰণি পথলৈ উভতি যাবলৈ বাধ্য হ'ব।

ডিজিটেল ভাৰত নিৰ্মাণৰ মূল মূলধন আছিল-উৎসাহ, বিশ্বাস আৰু 'শূন্য মাচুল'ৰ সুবিধা। ইয়াৰ দ্বাৰা লাখ লাখ অপ্ৰতিষ্ঠানিক খণ্ডৰ লোক বেংকিং ব্যৱস্থাৰ মূলসুঁতিলৈ আহিছিল। এতিয়া যদি সেই ব্যৱস্থাতে বিত্তীয় প্ৰতিবন্ধকতা স্থাপন কৰা হয়, তেন্তে সেয়া ডিজিটেল বিপ্-ৱৰ পথত ডাঙৰ প্ৰাচীৰ হৈ থিয় দিব। অৱশ্যে, বেংক আৰু ফিনটেক প্ৰতিষ্ঠানসমূহৰ চাইবাৰ সুৰক্ষা, আন্তঃগাঁথনি আৰু উদ্ভাৱনৰ বাবে বিপুল মূলধনৰ প্ৰয়োজন- এই কথা নস্যাৎ কৰিব নোৱাৰি। কিন্তু সেই বিত্ত সংগ্ৰহৰ কৌশল জনসাধাৰণৰ স্বাৰ্থৰ পৰিপন্থী হ'ব নালাগে।

আমাৰ স্পষ্ট মত হ'ল- সৰু আৰু দৈনন্দিন লেনদেনসমূহক (যেনে ৫০০ বা ১, ০০০ টকাৰ ভিতৰত) সম্পূৰ্ণৰূপে মাচুলমুক্ত ৰাখিব লাগিব। কেৱল বৃহৎ ব্যৱসায়িক লেনদেন বা অতি-উচ্চ পৰিমাণৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতহে পৰিকল্পিতভাৱে সীমিত MDR আৰোপ কৰাৰ কথা বিবেচনা কৰিব পাৰি।

চৰকাৰে 'এতিয়ালৈকে কোনো সিদ্ধান্ত হোৱা নাই' বুলি অস্পষ্ট হৈ থকাৰ পৰিৱৰ্তে স্পষ্ট আৰু নীতিগত ঘোষণা কৰা উচিত। NPCI, বেংক, ব্যৱসায়ী সংগঠন আৰু উপভোক্তা সংস্থাসমূহৰ সৈতে মুকলি আলোচনা কৰি এখন স্বচ্ছ নীতি প্ৰস্তুত নকৰিলে এই বিভ্ৰান্তিয়ে অৰ্থনৈতিক গতি স্তব্ধ কৰিব। UPI কেৱল ধন স্থানান্তৰৰ সঁজুলি নহয়, ই স্বাধীন ভাৰতৰ গতিশীলতা আৰু আত্মবিশ্বাসৰ প্ৰতীক। সেই আত্মবিশ্বাসক মাচুলৰ নামত ক্ষুণ্ণ হ'বলৈ দিয়াটো কোনো পৰিস্থিতিতে গ্ৰহণযোগ্য নহয়।



# গণতন্ত্ৰত ৰাইজৰ মতামতৰ গুৰুত্ব

*গণতন্ত্ৰত ৰাইজৰ মতামতৰ জৰিয়তে শাসকসকলৰ কৰ্মৰ ওপৰত এক ধৰণৰ নিৰীক্ষণ গঢ়ি উঠে। যেতিয়া ৰাইজে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, তেতিয়া শাসকসকলৰ ভুল সিদ্ধান্ত বা অপশাসনৰ কথা পোহৰলৈ আহে। এই প্ৰক্ৰিয়াই শাসন ব্যৱস্থাক স্বচ্ছ আৰু দায়বদ্ধ কৰি ৰাখে। যদি ৰাইজৰ মতামতৰ স্থান নাথাকে, তেন্তে শাসকসকলে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰিব পাৰে। ৰাইজৰ কণ্ঠই শাসকসকলক সঠিক পথত চলিবলৈ বাধ্য কৰে। এই ক্ষেত্ৰত গণমাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। স্বাধীন গণমাধ্যমে ৰাইজৰ মতামতক প্ৰকাশ কৰাৰ এক শক্তি শালী মঞ্চ প্ৰদান কৰে। গণমাধ্যমৰ জৰিয়তে ৰাইজে নিজৰ কথা ক'ব পাৰে আৰু শাসন ব্যৱস্থাৰ কৰ্মৰ ওপৰত প্ৰ.ন উত্থাপন কৰিব পাৰে। এই প্ৰক্ৰিয়াই গণতন্ত্ৰৰ স্বাস্থ্য ৰক্ষা কৰে আৰু ইয়াক অধিক শক্তি শালী কৰি তোলে। উদাহৰণস্বৰূপে, যদি কোনো শাসকৰ ভুল নীতিৰ ফলত ৰাইজৰ ক্ষতি হয়, তেন্তে গণমাধ্যমৰ জৰিয়তে ৰাইজে সেই কথা পোহৰলৈ আনিব পাৰে। এই প্ৰত্ৰি য়াৰ ফলত শাসকসকলৰ ওপৰত চাপ সৃষ্টি হয় আৰু তেওঁলোকে নিজৰ ভুল শুধৰাবলৈ বাধ্য হয়। ৰাইজৰ মতামতৰ এই তদাৰকিৰ ভূমিকা অবিহনে গণতন্ত্ৰৰ স্বৰূপ বিকৃত হৈ পৰিব পাৰে।*



হিমাংশু ৰণ্জন ভূঞা

গণতন্ত্ৰ হৈছে এনে এক শাসন ব্যৱস্থা, য'ত ৰাইজৰ কথাই মূল শক্তি হিচাপে কাম কৰে। এই ব্যৱস্থাৰ মূল কথাটোৱেই হৈছে ৰাইজৰ মতামতক সন্মান কৰা আৰু তাৰ ওপৰত নিৰ্ভৰ কৰা। ৰাইজৰ মতামত অবিহনে গণতন্ত্ৰৰ কোনো অৰ্থ নাই, কাৰণ এই ব্যৱস্থাৰ প্ৰাণ হৈছে জনসাধাৰণৰ ইচ্ছা, আকাংক্ষা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা। যদি ৰাইজৰ কণ্ঠ নিস্তব্ধ হৈ পৰে, তেন্তে গণতন্ত্ৰ কেৱল নামমাত্ৰ ব্যৱস্থা হৈ পৰে, য'ত ক্ষমতা কিছুমানৰ হাতত কেন্দ্ৰীভূত হৈ যায় আৰু সাধাৰণ মানুহৰ কথা অগ্ৰাহ্য হয়। গণতন্ত্ৰত ৰাইজৰ মতামতৰ গুৰুত্ব বুজিবলৈ হ'লে এই ব্যৱস্থাৰ মূল দৰ্শনৰ গভীৰতাত সোমাই চোৱা প্ৰয়োজন। গণতন্ত্ৰত প্ৰতিজন ব্যক্তিৰ মতামতৰ মূল্য থাকে, আৰু এই মতামতৰ জৰিয়তেই সমাজৰ ভৱিষ্যত গঢ় দিয়াৰ পথ মুকলি হয়। ৰাইজৰ মতামতৰ শক্তিয়ে গণতন্ত্ৰক জীৱন্ত কৰি ৰাখে, ইয়াক গতিশীল কৰে আৰু সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ কথা শুনাৰ এক মঞ্চ প্ৰদান কৰে।

গণতন্ত্ৰৰ মূল ভিত্তি হৈছে ৰাইজৰ অংশগ্ৰহণ। এই অংশগ্ৰহণৰ মাধ্যমেই ৰাইজে নিজৰ মতামত প্ৰকাশ কৰে। নিৰ্বাচনৰ জৰিয়তে ৰাইজে নিজৰ প্ৰতিনিধি বাছি লয়, যিসকলে শাসন ব্যৱস্থাৰ দায়িত্ব পালন কৰে। কিন্তু এই প্ৰক্ৰিয়া কেৱল ভোটদানৰ মধ্যে সীমাবদ্ধ নহয়। ৰাইজৰ মতামতৰ প্ৰকাশ ঘটে বিভিন্ন উপায়ে— সভা সমিতি, আলোচনা, সামাজিক গণমাধ্যম বা সাংবাদিকতাৰ মাধ্যমেৰে। এই মতামতৰ প্ৰকাশৰ জৰিয়তে ৰাইজে শাসন ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলায়। যেতিয়া ৰাইজে মুক্তভাৱে নিজৰ কথা ক'ব পাৰে, তেতিয়া শাসকসকলৰ ওপৰত এক ধৰণৰ দায়বদ্ধতা আৰোপ হয়। এই দায়বদ্ধতাৰ ফলত শাসন ব্যৱস্থা স্বচ্ছ আৰু ন্যায়পৰায়ণ হৈ পৰে। ৰাইজৰ মতামতৰ এই শক্তিয়ে গণতন্ত্ৰক অন্য শাসনব্যৱস্থাৰ পৰা পৃথক কৰে। যদি ৰাইজৰ কণ্ঠ দমন কৰা হয়, তেন্তে গণতন্ত্ৰৰ মূল উদ্দেশ্যই বিফল হৈ পৰে। সেয়েহে, ৰাইজৰ মতামতক শক্তিশালী কৰাৰ বাবে মুক্ত চিন্তাৰ পৰিৱেশ, শিক্ষাৰ প্ৰসাৰ আৰু স্বাধীন গণমাধ্যমৰ প্ৰয়োজন। এই উপাদানবোৰে ৰাইজক নিজৰ মতামত গঠন কৰিবলৈ আৰু প্ৰকাশ কৰিবলৈ সক্ষম কৰে। মুক্ত পৰিৱেশত ৰাইজে নিজৰ চিন্তা আৰু বিশ্বাসক বিনা ভয়ে প্ৰকাশ কৰিব পাৰে, যাৰ ফলত শাসন ব্যৱস্থাৰ ওপৰত এক ধৰণৰ নৈতিক চাপ সৃষ্টি হয়। এই চাপে শাসকসকলক ৰাইজৰ প্ৰত্যাশা অনুসৰি কাম কৰিবলৈ বাধ্য কৰে। ৰাইজৰ মতামতৰ এই প্ৰক্ৰিয়াই গণতন্ত্ৰক গতিশীল কৰি ৰাখে আৰু সময়ৰ সৈতে ইয়াক খাপ খুৱাই চলিবলৈ সহায় কৰে। এই অংশগ্ৰহণৰ মাধ্যমে ৰাইজে কেৱল শাসন ব্যৱস্থাত অংশ লোৱাই নহয়, সমাজৰ সামগ্ৰিক উন্নয়নৰ দিশতো অৰিহণা যোগায়।

সমাজত বিভিন্ন শ্ৰেণীৰ মানুহ বাস কৰে, আৰু তেওঁলোকৰ নিজস্ব অভিজ্ঞতা, সমস্যা আৰু প্ৰত্যাশা থাকে। এই বিভিন্নতাৰ মাজত ৰাইজৰ মতামতৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ কথা পোহৰলৈ আহে। যেতিয়া ৰাইজে নিজৰ কথা মুক্তভাৱে ক'ব পাৰে, তেতিয়া সমাজৰ কমজোৰ শ্ৰেণীৰ মানুহৰ সমস্যাও শাসন ব্যৱস্থাৰ সন্মুখত উত্থাপিত হয়। এই প্ৰক্ৰিয়াৰ জৰিয়তে নীতি নিৰ্ধাৰণত সামাজিক ন্যায়ৰ প্ৰশ্নটো গুৰুত্ব লাভ কৰে। যদি কোনো অঞ্চলৰ মানুহে নিজৰ অৱহেলিত অৱস্থাৰ কথা প্ৰকাশ কৰিব পাৰে, তেন্তে শাসন ব্যৱস্থাই সেই অঞ্চলৰ উন্নয়নৰ বাবে পদক্ষেপ ল'বলৈ বাধ্য হয়। এই প্ৰক্ৰিয়াই গণতন্ত্ৰক এক সামগ্ৰিক ব্যৱস্থা হিচাপে গঢ়ি তোলে, য'ত কোনো শ্ৰেণী বা গোষ্ঠী অৱহেলিত নহয়। ৰাইজৰ মতামতৰ এই ক্ষমতাই শাসন ব্যৱস্থাক অধিক ন্যায়পৰায়ণ আৰু সামাজিকভাৱে সংবেদনশীল কৰি তোলে। উদাহৰণস্বৰূপে, যদি কোনো গোষ্ঠীয়ে নিজৰ অধিকাৰৰ বাবে কথা কয়, তেন্তে তেওঁলোকৰ সমস্যাৰ প্ৰতি শাসন ব্যৱস্থাৰ দৃষ্টি আকৰ্ষিত হয়। এইদৰে, ৰাইজৰ মতামতৰ জৰিয়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ সমস্যাৰ সমাধান বিচাৰি উলিওৱাৰ পথ মুকলি হয়। এই প্ৰক্ৰিয়াৰ ফলত গণতন্ত্ৰ এনে এক ব্যৱস্থা হৈ পৰে, য'ত সকলোৰে কথা শুনা যায় আৰু সকলোৰে প্ৰতি ন্যায় কৰাৰ চেষ্টা কৰা হয়। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক সকলোৰে বাবে এক সমান সুযোগৰ ব্যৱস্থা হিচাপে প্ৰতিষ্ঠা কৰে।

গণতন্ত্ৰত ৰাইজৰ মতামতৰ জৰিয়তে শাসকসকলৰ কৰ্মৰ ওপৰত এক ধৰণৰ নিৰীক্ষণ গঢ়ি উঠে। যেতিয়া ৰাইজে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, তেতিয়া শাসকসকলৰ ভুল সিদ্ধান্ত বা অপশাসনৰ কথা পোহৰলৈ আহে। এই প্ৰক্ৰিয়াই শাসন ব্যৱস্থাক স্বচ্ছ আৰু দায়বদ্ধ কৰি ৰাখে। যদি ৰাইজৰ মতামতৰ স্থান নাথাকে, তেন্তে শাসকসকলে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰিব পাৰে। ৰাইজৰ কণ্ঠই শাসকসকলক সঠিক পথত চলিবলৈ বাধ্য কৰে। এই ক্ষেত্ৰত গণমাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। স্বাধীন গণমাধ্যমে ৰাইজৰ মতামতক প্ৰকাশ কৰাৰ এক শক্তিশালী মঞ্চ প্ৰদান কৰে। গণমাধ্যমৰ জৰিয়তে ৰাইজে নিজৰ কথা ক'ব পাৰে আৰু শাসন ব্যৱস্থাৰ কৰ্মৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিব পাৰে। এই প্ৰক্ৰিয়াই গণতন্ত্ৰৰ স্বাস্থ্য ৰক্ষা কৰে আৰু ইয়াক অধিক শক্তিশালী কৰি তোলে। উদাহৰণস্বৰূপে, যদি কোনো শাসকৰ ভুল নীতিৰ ফলত ৰাইজৰ ক্ষতি হয়, তেন্তে গণমাধ্যমৰ জৰিয়তে ৰাইজে সেই কথা পোহৰলৈ আনিব পাৰে। এই প্ৰক্ৰিয়াৰ ফলত শাসকসকলৰ ওপৰত চাপ সৃষ্টি হয় আৰু তেওঁলোকে নিজৰ ভুল শুধৰাবলৈ বাধ্য হয়। ৰাইজৰ মতামতৰ এই তদাৰকিৰ ভূমিকা অবিহনে গণতন্ত্ৰৰ স্বৰূপ বিকৃত হৈ পৰিব পাৰে। সেয়েহে, ৰাইজৰ মতামতৰ স্থান সুনিশ্চিত কৰাটো গণতন্ত্ৰৰ সফলতাৰ বাবে অতি জৰুৰী।

গণতন্ত্ৰ এনে এক ব্যৱস্থা, য'ত সমাজৰ পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ খুৱাই নীতি আৰু কাৰ্যসূচী গঢ়ি তোলা হয়। ৰাইজৰ মতামতৰ জৰিয়তে এই পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা ধৰা পৰে। যেতিয়া ৰাইজে নিজৰ চিন্তা আৰু প্ৰত্যাশা প্ৰকাশ কৰে, তেতিয়া শাসন ব্যৱস্থাই সমাজৰ নতুন নতুন প্ৰয়োজনৰ কথা জানিব পাৰে। এই প্ৰক্ৰিয়াৰ জৰিয়তে গণতন্ত্ৰ সময়ৰ সৈতে সৌন্দৰ্যমণ্ডিত হৈ থাকে। যদি ৰাইজৰ মতামতৰ স্থান নাথাকে, তেন্তে শাসন ব্যৱস্থা স্থবিৰ হৈ পৰিব পাৰে আৰু সমাজৰ পৰিৱৰ্তিত প্ৰয়োজনৰ সৈতে খাপ খুৱাব নোৱাৰিব। ৰাইজৰ মতামতৰ জৰিয়তে সমাজৰ নৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ প্ৰতিফলন ঘটে। এই পৰিৱৰ্তনৰ প্ৰক্ৰিয়াই গণতন্ত্ৰক এক জীৱন্ত আৰু গতিশীল ব্যৱস্থা হিচাপে গঢ়ি তোলে। উদাহৰণস্বৰূপে, যদি সমাজৰ কোনো অংশই নতুন ধৰণৰ শিক্ষা বা স্বাস্থ্যসেৱাৰ প্ৰয়োজনীয়তাৰ কথা কয়, তেন্তে ৰাইজৰ মতামতৰ জৰিয়তে শাসন ব্যৱস্থাই সেই দিশত পদক্ষেপ ল'ব পাৰে। এইপ্ৰক্ৰিয়াৰ ফলত গণতন্ত্ৰ সমাজৰ সৈতে সংগতি ৰাখি চলিব পাৰে। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক সময়ৰ সৈতে খাপ খোৱা আৰু সমাজৰ প্ৰয়োজনৰ সৈতে মিলি চলা এক ব্যৱস্থা হিচাপে প্ৰতিষ্ঠা কৰে।

যেতিয়া ৰাইজে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, তেতিয়া সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত এক ধৰণৰ সংযোগ গঢ়ি উঠে। এই সংযোগৰ জৰিয়তে সমাজত পাৰস্পৰিক বুজাপৰা আৰু সহযোগিতাৰ ভাৱ জন্মে। ৰাইজৰ মতামতৰ প্ৰকাশৰ মাধ্যমে বিভিন্ন গোষ্ঠীৰ মানুহৰ মাজত থকা পাৰ্থক্যবোৰৰ বিষয়ে জানিব পৰা যায় আৰু সেই পাৰ্থক্যবোৰক সন্মান কৰাৰ পৰিৱেশ গঢ়ি উঠে। এই প্ৰক্ৰিয়াই সমাজত ঐক্য আৰু সংহতিৰ ভাৱক শক্তিশালী কৰে। যদি ৰাইজৰ মতামতক দমন কৰা হয়, তেন্তে সমাজত বিভেদৰ সৃষ্টি হ'ব পাৰে। ৰাইজৰ মতামতৰ স্থান থকাৰ ফলত সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত সংলাপৰ পথ মুকলি হয়। এই সংলাপৰ জৰিয়তে সমাজৰ বিভিন্ন সমস্যাৰ সমাধান বিচাৰি উলিওৱা হয়। উদাহৰণস্বৰূপে, যদি কোনো গোষ্ঠীৰ মানুহে নিজৰ সংস্কৃতি বা পৰম্পৰাৰ প্ৰতি অৱহেলাৰ কথা কয়, তেন্তে ৰাইজৰ মতামতৰ জৰিয়তে সেই বিষয়ে আলোচনা হ'ব পাৰে আৰু সমাধানৰ পথ বিচাৰি উলিওৱা যায়। এই প্ৰক্ৰিয়াই সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত একতাৰ ভাৱ গঢ়ি তোলে আৰু সমাজক অধিক শক্তিশালী কৰি তোলে। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক এক সংহত আৰু ঐক্যবদ্ধ সমাজ গঢ়াৰ এক মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰে।

ৰাইজৰ মতামতৰ গুৰুত্বৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ব্যক্তিৰ স্বাধীনতা আৰু মৰ্যাদাৰ সুৰক্ষা। গণতন্ত্ৰত প্ৰতিজন ব্যক্তিৰ মতামতৰ মূল্য থাকে। এই মূল্যই ব্যক্তিৰ স্বাধীনতা আৰু মৰ্যাদাক সুৰক্ষিত কৰে। যেতিয়া ৰাইজে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, তেতিয়া তেওঁলোকৰ নিজৰ অস্তিত্বৰ প্ৰতি গৌৰৱবোধ জন্মে। এই গৌৰৱবোধই ব্যক্তিক সমাজৰ এক সক্ৰিয় অংশ হিচাপে গঢ়ি তোলে। ৰাইজৰ মতামতৰ স্থান থকাৰ ফলত ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতাৰ প্ৰতি সন্মানৰ ভাৱ জন্মে। এই প্ৰক্ৰিয়াই গণতন্ত্ৰক এক মানৱীয় ব্যৱস্থা হিচাপে গঢ়ি তোলে, য'ত প্ৰতিজন ব্যক্তিৰ মৰ্যাদা আৰু স্বাধীনতা সুৰক্ষিত হয়। যদি ৰাইজৰ মতামতক দমন কৰা হয়, তেন্তে ব্যক্তিৰ স্বাধীনতা আৰু মৰ্যাদাৰ ওপৰত আঘাত হানে। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তিয়ে নিজৰ চিন্তা প্ৰকাশ কৰিব নোৱাৰে, তেন্তে তেওঁৰ নিজৰ অস্তিত্বৰ প্ৰতি থকা গৌৰৱবোধ কমি যায়। এই প্ৰক্ৰিয়াই ব্যক্তিক নিষ্ক্ৰিয় কৰি তুলিব পাৰে। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক এক মানৱকেন্দ্ৰিক ব্যৱস্থা হিচাপে প্ৰতিষ্ঠা কৰে। এই ব্যৱস্থাত প্ৰতিজন ব্যক্তিৰ কথা শুনা যায় আৰু তেওঁৰ মৰ্যাদাৰ প্ৰতি সন্মান প্ৰকাশ কৰা হয়।

ৰাইজে যেতিয়া দ্বিধাহীনভাৱে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, তেতিয়া তেওঁলোকৰ অসন্তুষ্টি বা অভিযোগবোৰ পোহৰলৈ আহে। এই প্ৰক্ৰিয়াৰ জৰিয়তে শাসন ব্যৱস্থাই ৰাইজৰ প্ৰত্যাশা বুজি পায় আৰু সেই অনুসৰি কাম কৰিব পাৰে। যদি ৰাইজৰ মতামতৰ স্থান নাথাকে, তেন্তে অসন্তুষ্টি জমা হৈ অশান্তিৰ সৃষ্টি হ'ব পাৰে। ৰাইজৰ মতামতৰ প্ৰকাশৰ মাধ্যমে এই অসন্তুষ্টিৰ সমাধান বিচাৰি উলিওৱা হয়। এই প্ৰক্ৰিয়াই শাসন ব্যৱস্থাৰ স্থিতিশীলতা ৰক্ষা কৰে আৰু সমাজত শান্তি বজাই ৰাখে। উদাহৰণস্বৰূপে, যদি কোনো নীতিৰ বিৰুদ্ধে ৰাইজৰ মাজত অসন্তোষ থাকে, তেন্তে মতামতৰ প্ৰকাশৰ জৰিয়তে সেই অসন্তোষৰ সমাধান বিচাৰি উলিওৱা যায়। এই প্ৰক্ৰিয়াই শাসন ব্যৱস্থাক অধিক গ্ৰহণযোগ্য আৰু স্থিতিশীল কৰি তোলে। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক এক শান্তিপূৰ্ণ আৰু স্থিতিশীল ব্যৱস্থা হিচাপে গঢ়ি তোলে।

গণতন্ত্ৰত ৰাইজৰ মতামতৰ জৰিয়তে সমাজৰ সাংস্কৃতিক আৰু নৈতিক মূল্যবোধৰ প্ৰতিফলন ঘটে। যেতিয়া ৰাইজে নিজৰ চিন্তা আৰু বিশ্বাস প্ৰকাশ কৰিব পাৰে, তেতিয়া সমাজৰ সাংস্কৃতিক বৈচিত্ৰ্যয় আৰু নৈতিক মূল্যবোধৰ প্ৰতি সন্মানৰ ভাৱ জন্মে। এই প্ৰক্ৰিয়াই সমাজৰ সাংস্কৃতিক ঐতিহ্যক সুৰক্ষিত কৰে আৰু নৈতিক মূল্যবোধক শক্তিশালী কৰে। উদাহৰণস্বৰূপে, যদি কোনো সমাজৰ মানুহে নিজৰ সংস্কৃতিৰ প্ৰতি গুৰুত্ব দিয়ে, তেন্তে ৰাইজৰ মতামতৰ জৰিয়তে সেই সংস্কৃতিৰ সুৰক্ষাৰ বাবে পদক্ষেপ লোৱা যায়। এই প্ৰক্ৰিয়াই গণতন্ত্ৰক এক সাংস্কৃতিকভাৱে সমৃদ্ধ আৰু নৈতিকভাৱে শক্তিশালী ব্যৱস্থা হিচাপে গঢ়ি তোলে। ৰাইজৰ মতামতৰ এই ভূমিকাই গণতন্ত্ৰক সমাজৰ সাংস্কৃতিক আৰু নৈতিক মূল্যবোধৰ সৈতে সংযোগ কৰি ৰাখে।

শেষত এটা কথা স্পষ্ট যে, ৰাইজৰ কণ্ঠ অবিহনে গণতন্ত্ৰ অসম্পূৰ্ণ। ৰাইজৰ মতামতৰ জৰিয়তে শাসন ব্যৱস্থা স্বচ্ছ, দায়বদ্ধ, ন্যায়পৰায়ণ আৰু গতিশীল হৈ থাকে। এই মতামতৰ প্ৰকাশৰ মাধ্যমে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ সমস্যা পোহৰলৈ আহে, সমাজত পৰিৱৰ্তনৰ পথ মুকলি হয়, সামাজিক ঐক্য গঢ়ি উঠে, ব্যক্তিৰ স্বাধীনতা আৰু মৰ্যাদা সুৰক্ষিত হয়, শাসন ব্যৱস্থাৰ স্থিতিশীলতা ৰক্ষা পৰে, শিক্ষা আৰু সচেতনতাৰ প্ৰসাৰ ঘটে আৰু সমাজৰ সাংস্কৃতিক আৰু নৈতিক মূল্যবোধৰ সুৰক্ষা হয়। সেয়েহে, গণতন্ত্ৰৰ সফলতাৰ মূল চাবিকাঠি হৈছে ৰাইজৰ মতামতৰ স্থান সুনিশ্চিত কৰা। এই মতামতৰ প্ৰকাশৰ বাবে মুক্ত পৰিৱেশ, শিক্ষাৰ প্ৰসাৰ, স্বাধীন গণমাধ্যম আৰু সচেতন ৰাইজৰ প্ৰয়োজন। এই সকলো উপাদানৰ সমন্বয়ত গণতন্ত্ৰ এক জীৱন্ত, গতিশীল আৰু মানৱকেন্দ্ৰিক ব্যৱস্থা হিচাপে প্ৰতিষ্ঠিত হয়।

# অৰ্থনৈতিক বিকাশ বনাম প্ৰাকৃতিক ভাৰসাম্য

কবিতা নাথ

উন্নয়ন আৰু পৰিৱেশৰ মাজত চলি অহা সংঘাত আধুনিক সভ্যতাত এক চিৰন্তন সমস্যা হিচাপে পৰিগণিত হৈছে। শেহতীয়াকৈ ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে পৰিৱেশ সুৰক্ষা আৰু ঔদ্যোগিক নীতিৰ মাজত থকা এই স্পৰ্শকাতৰ বিষয়টোক লৈ এক অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক ৰায়দান প্ৰদান কৰিছে। দেশৰ উদ্যোগ আৰু প্ৰকল্পসমূহৰ বাবে 'ভূতাপেক্ষ' বা পূৰ্বৱৰ্তী প্ৰভাৱশালী পাৰিপাৰ্শ্বিক সন্মতি (Retrospective বা Ex Post Facto Environmental Clearance) প্ৰদান কৰাৰ যি এক ক্ষতিকাৰক প্ৰৱণতা গঢ় লৈ উঠিছিল, তাৰ ওপৰত সৰ্বোচ্চ ন্যায়ালয়ে কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এগৰাকী বিশ্লেষকৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে, ন্যায়ালয়ৰ এই সিদ্ধান্ত কেৱল এখন আইনী নিৰ্দেশনা নহয়, বৰঞ্চ ই হৈছে প্ৰকৃতিৰ অধিকাৰ আৰু বহনক্ষম উন্নয়নৰ (Sustainable Development) সপক্ষে এক বলিষ্ঠ পদক্ষেপ। বৰ্তমানৰ দ্ৰুত ঔদ্যোগিকৰণৰ দৌৰত প্ৰকৃতিক এক প্ৰকাৰ আওকাণ কৰি অহা নীতি-নিৰ্ধাৰক আৰু পুঁজিপতিসকলৰ বাবে এই ৰায়দান এক কঠোৰ সকীয়নি।

ভাৰতীয় পৰিৱেশ সুৰক্ষা আইন অনুসৰি, যিকোনো বৃহৎ উদ্যোগ, খনি বা আন্তঃগাঁথনিমূলক প্ৰকল্প আৰম্ভ কৰাৰ পূৰ্বে 'পাৰিপাৰ্শ্বিক প্ৰভাৱ নিৰূপণ' (Environmental Impact Assessment বা EIA) আৰু পাৰিপাৰ্শ্বিক সন্মতি (Environmental Clearance) গ্ৰহণ কৰাটো বাধ্যতামূলক। ইয়াৰ মূল উদ্দেশ্য হৈছে প্ৰকল্পটোৰ ফলত স্থানীয় পৰিৱেশ, বনাঞ্চল, জীৱ-জন্তু আৰু জনসাধাৰণৰ ওপৰত পৰিব পৰা বিৰূপ প্ৰভাৱসমূহ আগতীয়াকৈ মূল্যায়ন কৰা। ইয়াক পৰিৱেশ বিজ্ঞান আৰু ন্যায়শাস্ত্ৰৰ ভাষাত 'সতৰ্কতামূলক নীতি' (Precautionary Principle) বুলি কোৱা হয়। অৰ্থাৎ, পৰিৱেশৰ ক্ষতি হোৱাৰ পিছত ব্যৱস্থা গ্ৰহণ কৰাতকৈ, ক্ষতি হোৱাৰ পূৰ্বেই তাক ৰোধ কৰাৰ ব্যৱস্থা কৰা। কিন্তু বিগত কিছু দশক ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যত, আনকি কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰো আশীৰ্বাদপুষ্ট হৈ এক ভয়ংকৰ ব্যৱস্থা গঢ় লৈ উঠিছিল। উদ্যোগপতিসকলে কোনো ধৰণৰ পাৰিপাৰ্শ্বিক সন্মতি নোলোৱাকৈয়ে প্ৰকল্প নিৰ্মাণ কৰে বা উৎপাদন আৰম্ভ কৰে, আৰু পৰৱৰ্তী সময়ত জৰিমনা ভৰি বা বিভিন্ন চৰকাৰী সুৰুঙাৰে সেই প্ৰকল্পসমূহক 'ভূতাপেক্ষ সন্মতি' প্ৰদান কৰি বৈধতা দিয়া হয়। উচ্চতম ন্যায়ালয়ে শেহতীয়া ৰায়দান আৰু পৰ্যবেক্ষণৰ জৰিয়তে এই পৰম্পৰাক তীব্ৰ ভাষাৰে ভৰ্ৎসনা কৰিছে। ন্যায়ালয়ে স্পষ্ট কৰি দিছে যে পৰিৱেশ আইনক এনেদৰে উপলুঙা কৰিব নোৱাৰি। 'আগতে নিৰ্মাণ কৰা আৰু পিছত সন্মতি লোৱা' নীতিয়ে পৰিৱেশ আইনৰ মূল ভেটিটোক ধূলিসাৎ কৰি পেলায়। কাৰণ যেতিয়া এটা প্ৰকল্প নিৰ্মাণ হৈ যায় বা ঔদ্যোগিক আৱৰ্জনা নিৰ্গত হ'বলৈ আৰম্ভ কৰে, তেতিয়া পৰিৱেশৰ যি অপূৰণীয় ক্ষতি হয়, সেয়া পৰৱৰ্তী সময়ত কোনো জৰিমনা বা বৃক্ষৰোপণেৰে পূৰণ কৰিব নোৱাৰি। এখন নদীত এবাৰ বিষাক্ত ৰাসায়নিক পদাৰ্থ মিহলি হৈ গ'লে বা এখন প্ৰাচীন বনাঞ্চল ধ্বংস হৈ গ'লে তাক পুনৰ ঘূৰাই অনাটো প্ৰায় অসম্ভৱ। সেয়েহে, অপৰাধ সংঘটিত হোৱাৰ পিছত তাক বৈধতা প্ৰদান কৰা কাৰ্যই কেৱল উদ্যোগপতিসকলক পৰিৱেশ আইন উলংঘা কৰিবলৈ উৎসাহিতহে কৰে। ন্যায়ালয়ৰ মতে, পৰিৱেশ আইনসমূহ কোনো সাধাৰণ কৰ সংগ্ৰহৰ আইন নহয় য'ত পলমকৈ কৰ পৰিশোধ কৰি অপৰাধ মাফ কৰিব পাৰি। ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত 'জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ'ৰ ভিতৰত এক নিকা আৰু প্ৰদূষণমুক্ত পৰিৱেশত জীয়াই থকাৰ অধিকাৰকো অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বোচ্চ ন্যায়ালয়ে এই সাংবিধানিক অধিকাৰৰ প্ৰতি আঙুলিয়াই দি কৈছে যে, ভূতাপেক্ষ পাৰিপাৰ্শ্বিক সন্মতিয়ে প্ৰত্যক্ষভাৱে নাগৰিকৰ এই মৌলিক অধিকাৰ খৰ্ব কৰে। শেহতীয়া বছৰবোৰত জলবায়ু পৰিৱৰ্তনৰ যি ভয়ংকৰ প্ৰভাৱ আমি অনুভৱ কৰিছোঁ- অস্বাভাৱিক বানপানী, অত্যধিক গৰম আৰু খৰাং- এই সকলোবোৰৰ গুৰিতে আছে প্ৰকৃতিৰ ওপৰত মানুহৰ নিৰন্তৰ আৰু অবিবেচকী আক্ৰমণ। এনে এক জটিল সময়ত চৰকাৰ আৰু প্ৰশাসনে পৰিৱেশৰ ৰক্ষকৰ ভূমিকা পালন কৰিব লাগিছিল। কিন্তু তাৰ পৰিৱৰ্তে 'ইজ অৱ ডুইং বিজনেচ'ৰ (Ease of doing business) নামত অৰ্থনৈতিক বিকাশক অগ্ৰাধিকাৰ দি পৰিৱেশ আইনসমূহ শিথিল কৰাৰ যি প্ৰৱণতা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰিছিল, তাক ন্যায়ালয়ে একপ্ৰকাৰ নাকচ কৰিছে। এই ৰায়দানে স্পষ্ট কৰিছে যে আইনৰ শাসন কেতিয়াও পুঁজিপতিৰ সুবিধাৰ বাবে বিকৃত হ'ব নোৱাৰে। সৰ্বোচ্চ ন্যায়ালয়ৰ এই নিষেধাজ্ঞাই দেশৰ উদ্যোগ খণ্ড আৰু অৰ্থনীতিক সাময়িকভাৱে প্ৰভাৱিত কৰিব পাৰে বুলি একাংশই যুক্তি দৰ্শাব পাৰে। বহু উদ্যোগপতিৰ মতে পাৰিপাৰ্শ্বিক সন্মতি লোৱাৰ প্ৰক্ৰিয়াটো অতিশয় লেহেমীয়া আৰু জটিল, যাৰ বাবে প্ৰকল্পৰ ব্যয় বৃদ্ধি পায়। কিন্তু দীৰ্ঘম্যাদী দৃষ্টিকোণৰ পৰা চালে, বহনক্ষম উন্নয়নৰ বাহিৰে আন কোনো বিকল্প আমাৰ সন্মুখত নাই। প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদসমূহ আৰু পৰিৱেশ মন্ত্ৰালয়ে এতিয়া নিজৰ কৰ্মপদ্ধতি সলনি কৰিবলৈ বাধ্য হ'ব। প্ৰতিটো উদ্যোগ আৰু প্ৰকল্পৰ আৰম্ভণিতেই কঠোৰ আৰু নিৰপেক্ষভাৱে পাৰিপাৰ্শ্বিক মূল্যায়ন হ'ব লাগিব। চৰকাৰে নিশ্চিত কৰিব লাগিব যে প্ৰকল্পৰ অনুমোদন প্ৰক্ৰিয়া দ্ৰুত আৰু দুৰ্নীতিমুক্ত হয়, যাতে উদ্যোগপতিসকলে বেআইনী পথ ল'বলৈ বাধ্য নহয়। কিন্তু কোনো কাৰণতেই পৰিৱেশ ধ্বংসৰ বিনিময়ত উদ্যোগ স্থাপনৰ প্ৰক্ৰিয়াক ক্ষমা কৰিব নোৱাৰি।

উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ভূতাপেক্ষ পাৰিপাৰ্শ্বিক সন্মতিৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাই ভাৰতীয় পৰিৱেশ ন্যায়শাস্ত্ৰত (Environmental Jurisprudence) এক নতুন আৰু সোণালী অধ্যায়ৰ সূচনা কৰিছে। ই প্ৰমাণ কৰিছে যে অৰ্থনৈতিক বিকাশ আৰু প্ৰাকৃতিক ভাৰসাম্য দুয়োটা সমান্তৰালভাৱে আগবাঢ়িব লাগিব। প্ৰকৃতি কোনো উদ্যোগপতিৰ ব্যক্তিগত সম্পত্তি নহয়; ই হৈছে ভৱিষ্যত প্ৰজন্মৰ বাবে আমাৰ হাতত থকা এক অমূল্য আমানত। সৰ্বোচ্চ ন্যায়ালয়ে সেই আমানত ৰক্ষাৰ স্বাৰ্থত যি সাহসিক স্থিতি গ্ৰহণ কৰিছে, তাক সমগ্ৰ দেশবাসীয়ে আদৰণি জনোৱা উচিত। চৰকাৰ আৰু উদ্যোগ খণ্ডই এই ৰায়দানক এক আইনগত বাধা হিচাপে গণ্য নকৰি, পৰিৱেশৰ প্ৰতি নিজৰ নৈতিক দায়বদ্ধতা পালনৰ এক সুযোগ হিচাপে গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। ন্যায়ালয়ৰ এই সকীয়নিয়ে ভৱিষ্যতে এখন সেউজ আৰু সুৰক্ষিত ভাৰতবৰ্ষ গঢ়ি তোলাত নিৰ্ণায়ক ভূমিকা পালন কৰিব।

# সংগ্ৰামৰ মাজেৰে গঢ়া জনবিশ্বাস

লক্ষ্মীনন্দন কলিতা

মানুহৰ জীৱনৰ সাৰ্থকতা কেৱল নিজৰ সফলতাৰ শিখৰত উপনীত হোৱাতেই সীমাবদ্ধ নহয়, সাৰ্থকতা নিহিত থাকে সমাজৰ দুখ-দুৰ্দশাক নিজৰ হৃদয়ৰ বেদনাৰূপে অনুভৱ কৰি মানুহৰ কল্যাণৰ বাবে নিৰ্ভয়ে আগবাঢ়ি যোৱাত। যিসকল ব্যক্তিয়ে নিজৰ স্বাৰ্থতকৈ জনস্বাৰ্থক অধিক মূল্য দিয়ে, তেওঁলোকেই সময়ৰ বুকুত এক অনন্য পৰিচয় গঢ়ি তোলে। অসমৰ জনজীৱনত তেনে দুটা পৰিচিত নাম হৈছে সন্মানীয় বিধায়ক অখিল গগৈ। তেওঁলোকৰ কৰ্ম, সাহস, দৃঢ়তা আৰু জনমুখী চিন্তাধাৰাই বহু লোকৰ হৃদয়ত আস্থাৰ বন্তি জ্বলাই আহিছে। অখিল গগৈৰ নাম উচ্চাৰিত হ'লেই মনত ভাঁহি উঠে সংগ্ৰাম, সাহস, প্ৰতিবাদ আৰু জনসাধাৰণৰ অধিকাৰৰ বাবে নীৰৱচ্ছিন্ন যুঁজৰ এক জীৱন্ত প্ৰতিচ্ছবি। কৃষক, শ্ৰমিক, বানপীড়িত, চাহ জনগোষ্ঠী, খিলঞ্জীয়া আৰু সমাজৰ অৱহেলিত শ্ৰেণীৰ কণ্ঠস্বৰ হৈ তেওঁ বহু বছৰ ধৰি অন্যায়, দুৰ্নীতি আৰু বৈষম্যৰ বিৰুদ্ধে দৃঢ়ভাৱে মাত মাতি আহিছে। বহু বাধা-বিঘিনি, সমালোচনা আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজতো তেওঁ নিজৰ আদৰ্শৰ পৰা বিচলিত হোৱা নাই। তেওঁৰ জীৱনযাত্ৰাই দেখুৱায় যে সত্যৰ পথ সদায় সহজ নহয়, কিন্তু সাহস আৰু সততাই সেই পথক মহীয়ান কৰি তোলে। জনতাৰ সুখ-দুখৰ সৈতে নিজকে একাত্ম কৰি তোলাৰ এই মানসিকতাই তেওঁক সাধাৰণ মানুহৰ মাজত এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। ৰাজনীতিত প্ৰৱেশ কৰাৰ পিছতো তেওঁ জনসেৱাকেই নিজৰ মূল আদৰ্শ হিচাপে গ্ৰহণ কৰিছে। তেওঁৰ বক্তব্য, চিন্তাধাৰা আৰু কৰ্মই অসমৰ সামাজিক-ৰাজনৈতিক পৰিসৰত এক বিশেষ আলোচনাৰ সৃষ্টি কৰি আহিছে। অখিল গগৈৰ এই জনমুখী যাত্ৰাত ভাতৃ অম্লানেও নীৰৱ অথচ তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ সমাজৰ বিভিন্ন ক্ষেত্ৰত মানুহৰ সৈতে ওচৰ সম্পৰ্ক গঢ়ি তুলি শিক্ষা, সামাজিক সচেতনতা, মানৱীয় মূল্যবোধ আৰু জনকল্যাণমূলক বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে জড়িত। আলোচনাৰ পোহৰত নাথাকিলেও নীৰৱভাৱে সমাজৰ হকে কাম কৰি যোৱাৰ মানসিকতাই তেওঁৰ ব্যক্তিত্বক অধিক মৰ্যাদাপূৰ্ণ কৰি তুলিছে। একেটা আদৰ্শ, একেটা লক্ষ্য আৰু জনসেৱাৰ একেই অংগীকাৰ দুয়ো ভাতৃৰ কৰ্মত স্পষ্টভাৱে প্ৰতিফলিত হয়। সমাজ পৰিৱৰ্তনৰ পথ কেতিয়াও সহজ নহয়। এই পথত থাকে বাধা, ত্যাগ, সমালোচনা আৰু অসংখ্য পৰীক্ষা। তথাপিও যিসকলে মানুহৰ কল্যাণক জীৱনৰ উদ্দেশ্য হিচাপে গ্ৰহণ কৰে, তেওঁলোকেই সময়ৰ বুকুত অমলিন হৈ ৰৈ যায়। অখিল গগৈ আৰু অম্লানৰ জীৱন সেই ত্যাগ, সাহস আৰু দায়বদ্ধতাৰেই এক জীৱন্ত দৃষ্টান্ত। বৰ্তমানৰ যুৱসমাজৰ বাবে তেওঁলোকৰ জীৱন এক অনুপ্ৰেৰণাৰ উৎস। সমাজৰ প্ৰতি দায়িত্ববোধ, সত্যৰ প্ৰতি অটল বিশ্বাস, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ আৰু মানৱতাৰ প্ৰতি অগাধ শ্ৰদ্ধাই এজন প্ৰকৃত নাগৰিকৰ পৰিচয় বহন কৰে। এই মূল্যবোধসমূহকে তেওঁলোকে নিজৰ কৰ্মৰ মাজেৰে সমাজৰ আগত প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছে।

শেষত ক'ব পাৰি, ইতিহাসত সঁচা অৰ্থত স্মৰণীয় হৈ থাকে সেইসকল লোক, যিসকলে নিজৰ জীৱনক কেৱল নিজৰ বাবে নহয়, আনৰ কল্যাণৰ বাবেও উৎসৰ্গা কৰে। অখিল গগৈ আৰু ভাতৃ অম্লানৰ কৰ্মযাত্ৰাই আমাক সেই শিক্ষাই দিয়ে যে সাহস, সততা, ন্যায়বোধ আৰু জনসেৱাৰ মানসিকতাই মানুহক প্ৰকৃত অৰ্থত মহান কৰি তোলে। তেওঁলোকৰ এই আদৰ্শ আৰু কৰ্মধাৰা আগন্তুক প্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ এক উজ্জ্বল দীপশিখা হৈ চিৰদিন জ্বলি থাকিব।

**শোধনাগাৰ নগৰাঞ্চত ঘৰুৱা কৰ্মী হিচাপে থকা জ্যোতি কেৰকেটাৰ ৰহস্যজনক মৃত্যুক হত্যাৰ অভিযোগ আটচাৰ; নিৰপেক্ষ তদন্ত বিচাৰি আটচাৰ পথ অৱৰোধ**

# জ্যোতি কেৰকেটাৰ ৰহস্য জনক মৃত্যুক কেন্দ্ৰ কৰি নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলত আটছাৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, নুমলীগড়, ৮ আগষ্ট ঃ** গত ৬ আগষ্ট অৰ্থাৎ কালি নুমলীগড় শোধনাগাৰ নগৰাঞ্চত সংঘটিত হৈছিল এটি চাঞ্চল্যকৰ ঘটনা। নুমলীগড় শোধনাগাৰৰ (NRL) নগৰাঞ্চলত সংঘটিত এক ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি শুকুৰবাৰে অৰ্থাৎ আজি পুনৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। নুমলীগড় শোধনাগাৰৰ কৰ্মচাৰী ভাৰ্গৱ চান্দিল্যৰ বাসগৃহত ঘৰুৱা কৰ্মী হিচাপে কাম কৰা জ্যোতি কেৰকেটা নামৰ এগৰাকী কিশোৰীৰ মৃত্যুক সহজভাৱে ল'বলৈ অস্বীকাৰ কৰি অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ খুমটাই শাখাই আজি বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে, জ্যোতি কেৰকেটা এগৰাকী নাবালিকা আছিল। তেওঁৰ প্ৰকৃত বয়স গোপন কৰি প্ৰাপ্তবয়স্ক দেখুৱাই ঘৰুৱা কৰ্মী হিচাপে নিয়োগ কৰা হৈছিল। আটছাৰ মতে, যি ঘটনাক আত্মহত্যা বুলি উপস্থাপন কৰাৰ চেষ্টা চলিছে, সেয়া সন্দেহজনক আৰু ইয়াৰ আঁৰত হত্যাৰ ঘটনা লুকাই থকাৰ সম্ভাৱনাৰ সন্দেহ কৰে আটচাই। সেয়েহে ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ দাবী জনায় সংগঠনটোৱে সংগঠনটোৱে এই প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাৰ প্ৰতিবাদত আটছাৰ সদস্যসকলে নুমলীগড় শোধনাগাৰৰ নগৰাঞ্চলৰ মুখ্য প্ৰৱেশদ্বাৰত প্ৰতিবাদ সাব্যস্ত কৰি কিছু সময়ৰ বাবে পথ অৱৰোধ কৰে। ফলত যান-বাহনৰ চলাচল ব্যাহত হয় আৰু অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে, আটছা খুমটাই শাখাই নুমলীগড় আৰক্ষী থানাত এখন লিখিত এজাহাৰো দাখিল কৰিছে। সংগঠনটোৱে দাখিল কৰা অভিযোগত উল্লেখ কৰা হৈছে যে, জ্যোতি কেৰকেটাই প্ৰায় পাঁচ বছৰ ধৰি ভাৰ্গৱ চান্দিল্যৰ বাসগৃহত কাম কৰি আছিল। কিন্তু বৃহস্পতিবাৰে তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতে সমগ্ৰ ঘটনাটো সন্দেহজনক বুলি দাবী কৰিছে সংগঠনটোৱে। লগতে, মৃত কিশোৰীগৰাকী জীৱিত অৱস্থাত বিভিন্ন ধৰণৰ শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ সন্মুখীন হৈছিল বুলিও অভিযোগ উত্থাপন কৰা হৈছে। আটছাৰ দাবী, এই ঘটনাক কেৱল অস্বাভাৱিক মৃত্যু হিচাপে সীমাবদ্ধ নাৰাখি, হত্যাৰ সম্ভাৱনাকো সমান গুৰুত্ব দি তদন্ত চলাব লাগে। দোষী যিয়েই নহওক কিয়, আইন অনুসৰি কঠোৰ শাস্তি নিশ্চিত কৰাৰ দাবী জনায় সংগঠনটোৱে। উল্লেখযোগ্য যে, এই ঘটনাক লৈ ইতিমধ্যে সমগ্ৰ নুমলীগড় অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বিভিন্ন দল-সংগঠন আৰু সচেতন নহলেও ঘটনাটোৰ স্বচ্ছ, নিৰপেক্ষ আৰু দ্ৰুত তদন্তৰ দাবী উত্থাপন কৰিছে। আনহাতে, আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। এই মুহূৰ্তলৈকে মৃত্যুৰ সঠিক কাৰণ আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হোৱা নাই। সেয়েহে হত্যাৰ অভিযোগসমূহ এতিয়াও প্ৰমাণিত হোৱা নাই আৰু তদন্তৰ অন্তিম প্ৰতিবেদনেহে ঘটনাটোৰ প্ৰকৃত সত্য উন্মোচন কৰিব।

# বিপিএম টুনিৰাম পায়েংঙৰ স্বেচ্ছাচাৰিতাত হাৰাশাস্তিৰ সন্মুখীন ১০৯ গৰাকী জীৱিকা সখী

**বিহালীত উপহাসত পৰিণত মহিলা সবলীকৰণ আঁচনি**

**অসম বাৰ্তা, বিহালী, ৮ আগষ্ট ঃ** যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ৰাজ্যৰ লাখ লাখ গ্ৰাম্য মহিলাক একত্ৰিত কৰি 'জীৱিকা সখী'সকলৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ এক অভূতপূৰ্ব পৰিৱৰ্তন আনিবলৈ চেষ্টা চলাইছে, ঠিক সেই সময়তে ৭১ নং বিহালী বিধানসভা সমষ্টিত উন্মোচিত হৈছে চৰকাৰী নীতি-নিয়ম আৰু প্ৰশাসনৰ এক চূড়ান্ত ফোঁপোলা আৰু লজ্জাজনক ছবি। গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ অধীনস্থ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে গাঁৱৰ মহিলাসকলক আত্মনিৰ্ভৰশীল কৰাৰ বাবে প্ৰতিখন পঞ্চায়তে পঞ্চায়তে জীৱিকা সখীৰ লগতে পশু সখী, বীমা সখী, কৃষি সখী নিয়োগ কৰা হৈছে। তেওঁলোকৰ কৰ্মদক্ষতা বৃদ্ধি আৰু যাতায়াত সুচাৰুৰূপে চলোৱাৰ উদ্দেশ্যে চৰকাৰে তেওঁলোকক ৰঙা ৰঙৰ স্কুটিও যোগান ধৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত বিহালী উন্নয়ন খণ্ডত চৰকাৰৰ এই অভিলাষী সবলীকৰণ কাৰ্যসূচীক যেন সম্পূৰ্ণ উপহাসত পৰিণত কৰিছে বিহালী উন্নয়ন খণ্ডৰ অসম ৰাজ্যিক জীৱিকা অভিযানৰ ব্লক প্ৰগ্ৰেম মেনেজাৰ টুলীৰাম পায়েং নামৰ বিষয়াগৰাকীয়ে। বিহালী উন্নয়ন খণ্ডৰ অধীনত দিন-ৰাতি একাকাৰ কৰি কাম কৰি থকা শতাধিক কৰ্তব্যপৰায়ণ জীৱিকা সখী, পশু সখী, বীমা সখী আৰু কৃষি সখীয়ে বৰ্তমান এই গৰাকী বিপিএম পায়েঙৰ চূড়ান্ত দৌৰাত্ম্য আৰু মানসিক অশান্তিৰ বলি হ'বলগীয়া হৈছে। ভুক্তভোগী জীৱিকা সখীসকলৰ অভিযোগ অনুসৰি, বিপিএম টুনীৰাম পায়েঙে মন গ'লেই জীৱিকা সখীয়ে মাহৰ মূৰত পাবলগীয়া মাত্ৰ ১০, ০০০ টকাৰ নগণ্য পাৰিতোষিকৰ পৰা ১, ০০০ টকাৰ পৰা আৰম্ভ কৰি ৫, ০০০ টকাপৰ্যন্ত অবৈধভাৱে কৰ্তন কৰে। চৰকাৰী নীতি উলংঘা কৰি কি কাৰণত এনেদৰে দৰমহা কৰ্তন কৰা হৈছে বুলি সুধিলে বিষয়াগৰাকীয়ে কোনো সদুত্তৰ নিদিয়াৰ উপৰি চূড়ান্ত অসংস্কৃতিক আৰু অভব্য ব্যৱহাৰ প্ৰদৰ্শন কৰে। অফিচিয়েল সুসম্পৰ্ক আৰু সৌজন্যৰ সকলো সীমা অতিক্ৰম কৰি বিষয়াগৰাকীয়ে জীৱিকা সখীসকলক কাৰ্যালয়ৰ ভিতৰতে ধাৰাবাহিকভাৱে মানসিক কষ্ট দি আহিছে। যিয়ে এই আত্মাভিমানী মহিলাসকলৰ আত্মসন্মান আৰু স্বাভিমানত বাৰুকৈ আঘাত হনাৰ অভিযোগ উত্থাপন হৈছে। ইপিনে গ্ৰাম্য এলেকাৰ বিভিন্ন প্ৰশিক্ষণৰ নামতো চূড়ান্ত অনিয়ম সংঘটিত কৰি অহাৰ অভিযোগ উত্থাপন হৈছে এই গৰাকী বিপিএমৰ বিৰুদ্ধে। গ্ৰাম্য অঞ্চলত কাগজে-কলমে প্ৰশিক্ষণ পতা দেখুৱাই সেই প্ৰশিক্ষণত বৰগাঙৰ নিৰজ হোটেলৰ পৰা চাহ-মিঠাই খুওৱাৰ ভুৱা বিল ভাউচাৰ সংগ্ৰহ কৰি আৰু সেই বিল ভাউচাৰৰ জৰিয়তে প্ৰশিক্ষণৰ নামত আন এক কেলেংকাৰি সংঘটিত কৰি আহিছে বিপিএমগৰাকীয়ে। এনেদৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ প্ৰশিক্ষণৰ নামতো অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে বিপিএমগৰাকীৰ বিৰুদ্ধে। এফালে চৰকাৰে মহিলাসকলক সমাজৰ মূল সূত্ৰলৈ আনি অৰ্থনৈতিকভাৱে সবল কৰাৰ বাবে চৰকাৰৰ ডাঙৰ ডাঙৰ ঘোষণা আৰু আনফালে প্ৰশাসনৰ এনেধৰণৰ দায়িত্বজ্ঞানহীন আৰু স্বৈৰাচাৰী বিষয়াৰ এনে ব্যৱহাৰে সমগ্ৰ ব্যৱস্থাটোৰে নগ্ন ৰূপটোক উদঙাই দিছে। চৰকাৰী আঁচনি ৰূপায়ণ কৰোঁতা প্ৰত্যক্ষ সংগ্ৰামী মহিলাসকল যদি চৰকাৰী কাৰ্যালয়তে এনেদৰে লাঞ্ছিত-বঞ্চিত হ'বলগীয়া হয়, তেন্তে চৰকাৰৰ 'মহিলা। সবলীকৰণ'ৰ ঢাক-ঢোল কেৱল কাগজতে সীমাবদ্ধ হৈ পৰাটো স্পষ্ট। বিপিএম টুনীৰাম পায়েং নামৰ বিষয়াগৰাকীয়ে এনেদৰে স্বেচ্ছাচাৰী নীতি গ্ৰহণ কৰাত বহু জীৱিকা সখী অতিষ্ঠ হৈ পদত্যাগ কৰাৰ দৰে চৰম সিদ্ধান্ত ল'বলৈ চিন্তা-চৰ্চা কৰা বুলি জানিব পৰা গৈছে। যিটো সমগ্ৰ জিলাখনৰ বাবেই অতি দুৰ্ভাগ্যজনক আৰু চিন্তাৰ বিষয়। দল-সংগঠনসমূহে স্পষ্ট ভাষাত দাবী জনাইছে যে মহিলা কৰ্মচাৰীসকলৰ ওপৰত ধাৰাবাহিক হাৰাশাস্তি চলোৱা আৰু অবৈধভাৱে দৰমহা কৰ্তন কৰা বিপিএম টুনীবাম পায়েঙৰ বিৰুদ্ধে অনতিবিলম্বে এক উচ্চস্তৰীয় তদন্ত হ'ব লাগে আৰু বিপিএম টুনীৰাম পায়েঙক তাৎক্ষণিকভাৱে বিহালীৰ পৰা বদলি কৰাৰ দাবী৭শ উত্থাপন হৈছে। ইয়াৰ উপৰি বিহালীৰ দল-সংগঠন আৰু ভুক্তভোগী বিহালীৰ জীৱিকা সখীসকলে প্ৰশাসনক সকীয়াই দিছে যে যদিহে এই স্বৈৰাচাৰী বিষয়াগৰাকীৰ বিৰুদ্ধে অতিশীঘ্ৰে কঠোৰ আইনী আৰু বিভাগীয় শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে তেওঁলোকে সৰৱ হৈ ৰাজপথত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব।

## শালবাৰী মহাবিদ্যালয়ত শিক্ষাৰ্থীক নিযুত মইনা-নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ

**অসম বাৰ্তা, খাৰিজাবিজনী, ৮ আগষ্ট ঃ** শালবাৰী মহাবিদ্যালয়ত আজি শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ এক বিশেষ আঁচনি নিযুত মইনা আৰু নিযুত বাবুৰ প্ৰ-পত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কাৰ্যসূচী সম্পন্ন হয়। এই উদ্দেশ্যে শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জগত চন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মানাহ বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ ওপৰত বক্তৃতা প্ৰদান কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বিটিচি চৰকাৰে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত আৰু শৈক্ষিক ক্ষেত্ৰখনৰ উন্নয়নৰ ওপৰত গ্ৰহণ কৰা ভিন্ন আঁচনিৰ ওপৰত বহল ব্যাখ্যাৰে বক্তৃতা প্ৰদান কৰে। শালবাৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দুলেন চন্দ্ৰ বসুমতাৰী আৰু আই কিউ এ চিৰ সমন্বয়ক ড° ছাংখাং বসুমতাৰীয়ে আত ধৰা সভাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে বিপিএফৰ নেতৃবৃন্দ ক্ৰমে- বিনাৰাম বড়ো, জিতেন বড়ো, ৰিংগৌমছাৰ বসুমতাৰী, দানছেৰাং ব্ৰহ্ম, ছানসৌৰাং ৱাৰী আৰু অতুল স্বৰ্গীয়াৰীয়ে। তদুপৰি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যক্ৰমণিকাও ভাৰ্চুৱেলি প্ৰদৰ্শন কৰা হয়।

## বান-বিধ্বস্ত নেপালি খুঁটিত অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ সঁজাতী দল

**অসম বাৰ্তা, গেলেকী, ৮ আগষ্ট ঃ** উজনি অসমৰ চৰাইদেউ, যোৰহাট আৰু শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত নগালেণ্ডৰ পৰা আকস্মিকভাৱে নামি অহা প্ৰবল বানপানীয়ে এক প্ৰকাৰ 'চুনামী'ৰ সৃষ্টি কৰি বহু লোকক সৰ্বস্বান্ত কৰিছে। বানৰ এই বিভীষিকাই বিশেষকৈ চণ্টক, বিহুবৰ আৰু নেপালি খুঁটি অঞ্চল সম্পূৰ্ণৰূপে তচনচ কৰি থৈ গৈছে। এই সংকটপূৰ্ণ সময়ত ক্ষতিগ্ৰস্ত স্থানত উপস্থিত হৈ বানাক্ৰান্ত ৰাইজৰ কাষত থিয় দিছে অসমীয়া যুৱ মঞ্চ আৰু অসমীয়া মহিলা মঞ্চ। গোহালি আৰু বসতি স্থানসমূহ বিনষ্ট হোৱাৰ পিছত সৃষ্টি হোৱা দুৰ্বিষহ পৰিস্থিতিৰ বুজ ল'বলৈ কালি নেপালি খুঁটিত উপস্থিত হয় অসমীয়া যুৱ মঞ্চ আৰু অসমীয়া মহিলা মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ এটি সঁজাতী দল।



অসমীয়া যুৱ মঞ্চ, শিৱসাগৰ জিলা সমিতিৰ সভাপতি যদুমণি কলিতা আৰু সাধাৰণ সম্পাদক বিষ্ণু শইকীয়াৰ নেতৃত্বত যোৱা সঁজাতী দলটিয়ে বানাক্ৰান্ত অঞ্চলসমূহত স্থানীয় ৰাইজৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাক ওচৰৰ পৰা প্ৰত্যক্ষ কৰে। ইয়াৰ উপৰিও, বানৰ পিছত হ'ব পৰা সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবে অঞ্চলটোৰ বহু ঠাইত চেনিটাইজ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। সঁজাতী দলটোৱে নিজ সাধ্যানুসৰি বানপীড়িত লোকসকলৰ মাজত বাচন-বৰ্তন, টৰ্চ লাইট আদি ধৰি বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। ইফালে, ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়ৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাই অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে। বান-বিধ্বস্ত এই সমগ্ৰ অঞ্চলটোৰ ৰাইজক শীঘ্ৰেই যাৱতীয় সকলো ধৰণৰ চৰকাৰী সাহায্য আৰু পুনৰসংস্থাপনৰ সুবিধা প্ৰদান কৰিবলৈ সংগঠনটোৱে চৰকাৰক দৃঢ় দাবী জনায়।

## গহপুৰৰ প্ৰিমলী বৰুৱাৰ ডক্টৰেট ডিগ্ৰী লাভ

**অসম বাৰ্তা, গহপুৰ, ৮ আগষ্ট ঃ** গহপুৰ সমজিলাৰ বাবে আৰু এটা ভাল খবৰ। গহপুৰ পৌৰসভাৰ অন্তৰ্গত ছত্ৰংগুৰি মাজগাঁও নিবাসী তথা ডুবিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভাৰত বৰুৱা আৰু জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী প্ৰণালী বৰুৱাৰ জেষ্ঠ্যা কন্যা প্ৰিমলী বৰুৱাই অসম বিশ্ববিদ্যালয়, শিলচৰৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰি সমগ্ৰ গহপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। ড° প্ৰিমলী বৰুৱা বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ AICTEৰ Senior Language Expert হিচাপে দিল্লীত কৰ্মৰত হৈ আছে। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা ভাষাতত্ত্ব (ইংৰাজী) বিভাগত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা পাছত অসম বিশ্ববিদ্যালয়, শিলচৰৰ পৰা প্ৰফেচাৰ অজিত কুমাৰ বৈশ্যৰ তত্ত্বাবধানত বিশ্বৰ পুষ্যভাষা ভিতৰৰ এটা বিলুপ্তপ্ৰায় অসমৰ বৰ্মন ভাষাৰ কথন শৈলীৰ ভাষাতত্ত্বৰ ওপৰত প্ৰত্যাহ্বানমূলক গৱেষণা আৰম্ভ কৰিছিল। উল্লেখযোগ্য যে বৰ্তমান টংলা, ওদালগুৰি, বাক্সা, চিৰাং আদি অঞ্চলসমূহ বৰ্মন জাতিৰ সীমিত সংখ্যক লোক আছে যদিও এই ভাষা জনা বা কোৱা লোকৰ সংখ্যা ১০ জনতকৈ কম, ই প্ৰায় বিলুপ্তিৰ পথত। এই অঞ্চলসমূহৰ মাজত গৈ নিজে থাকি-বুজি অধ্যয়ন কৰি ২৫০ পৃষ্ঠাৰ বৃহৎ গৱেষণা গ্ৰন্থ প্ৰস্তুত আৰু প্ৰকাশ কৰি আন্তঃ ৰাষ্ট্ৰীয় স্বীকৃত লাভ কৰিছে ডঃ প্ৰিমলী বৰুৱাই। ড° প্ৰিমলী বৰুৱাৰ কঠোৰ পৰিশ্ৰম, কষ্টসহিষ্ণু মন আৰু অধ্যয়নশীল সুশৃংখলিত চেষ্টাৰ ই সৰ্বোত্তম ফচল আৰু আমাৰ গহপুৰৰ বাবে ইতিবাচক খবৰ। ড° প্ৰিমলী বৰুৱাৰ এই প্ৰাপ্তিৰ বাবে গহপুৰৰ বৌদ্ধিক আৰু শৈক্ষিক সমাজে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

## মৈৰাবাৰী মহাবিদ্যালয়ত ১২০ ঘণ্টীয়া ইণ্টাৰ্ণশ্বিপৰ কাৰ্যসূচী সফলতাৰে সমাপ্ত

**অসম বাৰ্তা, মৈৰাবাৰী, ৮ আগষ্ট ঃ** মৈৰাবাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'প্ৰচেষ্টা এফ পি চি লিমিটেড'ৰ উদ্যোগত আয়োজিত ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বিকাশৰ এক গুৰুত্বপূৰ্ণ ১২০ ঘণ্টীয়া ইণ্টাৰ্নশ্বিপ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বী কৰি তোলা আৰু কাৰিকৰী জ্ঞান প্ৰদানৰ লক্ষ্যৰে এই প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছিল। এমাহ জুৰি চলা এই কাৰ্যসূচীত মূলত দুটা গুৰুত্বপূৰ্ণ বিষয়- 'মৌলিক কম্পিউটাৰ শিক্ষা' আৰু 'কেঁচুসাৰ প্ৰস্তুতি তথা আৱৰ্জনা ব্যৱস্থাপনা'ৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। মহাবিদ্যালয়খনৰ মুঠ ৩০৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰশিক্ষণত উৎসাহেৰে অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীটো শুভাৰম্ভণি কৰে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হকে। অৰ্থনীতি বিভাগৰ অধ্যাপিকা তথা ইণ্টাৰ্ণশ্বিপৰ সমন্বয়ক ড ৰেহেনা আহমেদে ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্মজীৱনৰ সফলতাৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে এক অনুপ্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। তেখেতে ইণ্টাৰ্ণশ্বিপৰ মূল উদ্দেশ্য, ইয়াৰ অপৰিসীম গুৰুত্ব আৰু পেছাদাৰী ক্ষেত্ৰত প্ৰয়োজনীয় বিভিন্ন কৌশল বিকাশৰ ওপৰত আলোকপাত কৰি নিজৰ কৰ্মজীৱনৰ অমূল্য অভিজ্ঞতাৰ বিষয়ে বিষদভাৱে আলোচনা কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ আইকিউএচিৰ (IQAC) সমন্বয়ক ড° মইদুল ইছলামে উপস্থিত থাকি বৰ্তমান যুগৰ প্ৰতিযোগিতামূলক পৰিৱেশত ছাত্ৰ-ছাত্ৰীৰ বাবে পেছাদাৰী দক্ষতা বিকাশৰ অপাৰ প্ৰয়োজনীয়তাৰ ওপৰত এক প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক তাইজুদ্দিন আহমেদ আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড আব্দুল মান্নান আহমেদ উপস্থিত থাকে। অনুষ্ঠানত 'প্ৰচেষ্টা এফ পি চি লিমিটেড'ৰ সঞ্চালক ড° ৰাবুল আহাদে উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলৰ মাজত প্ৰয়োজনীয় সা-সামগ্ৰী সমূহ বিতৰণ কৰে। উক্ত প্ৰশিক্ষণ শিবিৰত কেঁচুসাৰ প্ৰস্তুতি আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ মূল মাষ্টাৰ ট্ৰেইনাৰৰ দায়িত্ব পালন কৰে শ্ৰী দিবেন্দ্ৰ হাজৰিকাই। ইয়াৰোপৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী শ্ৰীযুত সৌৰভ বৰুৱাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানসম্মতভাৱে কেঁচুসাৰ প্ৰস্তুত কৰাৰ বিভিন্ন কাৰিকৰী দিশ সম্পৰ্কে বিশদভাৱে বুজাই দিয়ে। আনহাতে, কম্পিউটাৰৰ মৌলিক পাঠ্যক্ৰমৰ প্ৰশিক্ষণ প্ৰদান কৰে প্ৰশিক্ষক হীৰা শইকীয়া, উজাইৰ নাফিছ আৰু হেপি শইকীয়াই। এমাহজোৰা এই ব্যৱহাৰিক তথা তাত্ত্বিক প্ৰশিক্ষণ কাৰ্যসূচীখনি ২০২৬ চনৰ ৩১ জুলাইত সফলভাৱে সমাপ্তি ঘটে। এই কাৰ্যসূচীক লৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো যথেষ্ট আনন্দ আৰু উৎসাহ পৰিলক্ষিত হয়।

**১৩ দিন ধৰি খাদ্য-সামগ্ৰী বিতৰণত সহায় জাঁজীৰ যুৱ ব্যৱসায়ী তথা সাংস্কৃতিক কৰ্মীৰ**

## নিজেই বানত সৰ্বস্বান্ত; তথাপিও বানাক্ৰান্তৰ কাষত অবিৰত প্ৰাণজিৎ গায়ন

**অসম বাৰ্তা, জাঁজী, ৮ আগষ্ট ঃ** যোৱা ১৯ জুলাইত জাঁজী নদীৰ প্ৰলয়ংকৰী বানে শিৱসাগৰ জিলাৰ বিস্তীৰ্ণ অঞ্চলত নজিৰবিহীন ধ্বংসলীলা সংঘটিত কৰে। বানৰ প্ৰচণ্ড সোঁতে অসংখ্য পৰিয়ালৰ ঘৰ-বাৰী, কৃষিভূমি আৰু জীৱিকাৰ সমল ধ্বংস হোৱাত হাজাৰ হাজাৰ লোক এক অসহায় পৰিস্থিতিৰ সন্মুখীন হয়। এনে দুৰ্যোগৰ সময়ত চৰকাৰী সাহায্যৰ সমান্তৰালভাৱে বিভিন্ন দল-সংগঠন, স্বেচ্ছাসেৱী আৰু সমাজহিতৈষী ব্যক্তিয়ে বানপীড়িত লোকসকলৰ কাষত থিয় দি মানৱতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। তেনে এজন সমাজমুখী ব্যক্তি হৈছে জাঁজী খাটোৱাল গাঁৱৰ যুৱ ব্যৱসায়ী তথা সাংস্কৃতিক কৰ্মী প্ৰাণজিৎ গায়ন। উল্লেখযোগ্য যে, এই ভয়ংকৰ বানত তেওঁৰ নিজৰ ঘৰখনো ক্ষতিগ্ৰস্ত হয় আৰু পৰিয়ালেও যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। তথাপিও ব্যক্তিগত দুৰ্ভোগক আওকাণ কৰি তেওঁ বানপীড়িত লোকসকলৰ সেৱাত আত্মনিয়োগ কৰিছে। যোৱা ১৩ দিন ধৰি প্ৰাণজিৎ গায়নে ধাৰাবাহিকভাৱে বানাক্ৰান্ত লোকসকলৰ মাজত চাউল, দাইল, বিস্কুট, খোৱাপানী, শুকান খাদ্য আৰু অন্যান্য নিত্যপ্ৰয়োজনীয় সামগ্ৰী বিলোৱা সকলক সহায় কৰি আহিছে। বিশেষকৈ যি সকল লোকে বানাক্ৰান্ত লোকক সহায় কৰিবলৈ আহিছে তেওঁ লোকক প্ৰাণজিৎ গায়নএ সহায় কৰিছে। আনহাতে শিৱসাগৰ জিলাৰ জেলেঙিটোপ, হাবিচুক, বিহুবৰ, পানবেচা, তিপমীয়া, চন্তক, কলিয়ৰি, নেপালী খুঁটি আদি দূৰ-দূৰণিৰ বানাক্ৰান্ত অঞ্চলত তেওঁ উপস্থিত হৈ সাহায্য সামগ্ৰী বিতৰণ কৰিছে। ইফালে, বানৰ পানী নামিবলৈ আৰম্ভ কৰাৰ পিছত নিজৰ ঘৰখন বোকা আৰু আৱৰ্জনাৰ পৰা পৰিষ্কাৰ কৰাৰ কামতো এতিয়া ব্যস্ত হৈ পৰিছে প্ৰাণজিৎ গায়ন। নিজৰ ঘৰ-সংসাৰ দুৰ্যোগৰ কবলত পৰিলেও আনৰ দুখ-কষ্টক অগ্ৰাধিকাৰ দি তেওঁ যিদৰে সেৱাৰ মনোভাৱেৰে আগবাঢ়ি আহিছে, সেয়া নিঃসন্দেহে সমাজৰ বাবে এক অনুপ্ৰেৰণাদায়ক উদাহৰণ। প্ৰাণজিৎ গায়নৰ এই নিঃস্বাৰ্থ মানৱীয় সেৱাই সেই বাৰ্তাকেই পুনৰ প্ৰতিষ্ঠা কৰিছে।

# SNA SPARSH ব্যৱস্থাৰ বিৰুদ্ধে তিনিচুকীয়াত প্ৰাথমিক শিক্ষক সন্মিলনীৰ বৃহৎ ধৰ্ণা

**বেতন প্ৰদানৰ নতুন নিৰ্দেশ বাতিলৰ দাবী; চৰকাৰলৈ স্মাৰকপত্ৰ প্ৰেৰণ**

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ৮ আগষ্ট ঃ** বিশেষ নিযুক্তি (SRD) প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বেতন SNA SPARSH মডিউলৰ জৰিয়তে প্ৰদান কৰা চৰকাৰী নিৰ্দেশ বাতিলৰ দাবীত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত আজি তিনিচুকীয়াৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ চৌহদত এক বৃহৎ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় পাঁচ শতাধিক SRD শিক্ষক-শিক্ষয়িত্ৰীয়ে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি চৰকাৰৰ ওচৰত তেওঁলোকৰ ন্যায্য দাবীসমূহ শক্তিশালীভাৱে উত্থাপন কৰে। ধৰ্ণাত প্ৰতিবাদকাৰীসকলে হাতে হাতে দাবী সম্বলিত প্লেকাৰ্ড আৰু বেনাৰ লৈ শান্তিপূৰ্ণভাৱে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, SRD শিক্ষকসকলৰ বেতন SNA SPARSH মডিউলৰ জৰিয়তে প্ৰদানৰ নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰিলে বেতন লাভৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সৃষ্টি হোৱাৰ লগতে বিভিন্ন কাৰিকৰী আৰু প্ৰশাসনিক জটিলতাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত শিক্ষক-শিক্ষয়িত্ৰীসকল আৰ্থিক অনিশ্চয়তাৰ সন্মুখীন হ'ব পাৰে বুলি তেওঁলোকে আশংকা প্ৰকাশ কৰে। ইয়াৰোপৰি প্ৰতিবাদকাৰী সকলে আশংকা প্ৰকাশ কৰে যে, SNA SPARSH প'ৰ্টেলৰ জৰিয়তে বেতন প্ৰদানৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিলে বৰ্তমান নিয়মীয়া শিক্ষক হিচাপে সেৱা আগবঢ়াই থকা SRD শিক্ষকসকলৰ বেতন প্ৰদানৰ ব্যৱস্থাটো পুনৰ চুক্তিভিত্তিক(Contractual) পৰ্যায়লৈ ৰূপান্তৰিত কৰাৰ দৰে এক পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। তেওঁলোকৰ মতে, বেতন প্ৰদানৰ ক্ষেত্ৰত পৃথক আৰু বিশেষ ব্যৱস্থা প্ৰৱৰ্তনে শিক্ষকসকলৰ চাকৰিৰ স্থায়িত্ব, মৰ্যাদা আৰু আৰ্থিক সুৰক্ষাক লৈ অনিশ্চয়তাৰ সৃষ্টি কৰিব পাৰে। সেয়ে শিক্ষকসকলে পূৰ্বৰ নিয়মীয়া চৰকাৰী ব্যৱস্থাৰে বেতন প্ৰদান অব্যাহত ৰখা আৰু SNA SPARSHৰ জৰিয়তে বেতন প্ৰদানৰ নতুন নিৰ্দেশ তৎকালীনভাৱে বাতিল কৰিবলৈ দাবী উত্থাপন কৰে। কোনো কাৰণতে নিয়মীয়া শিক্ষকসকলৰ বেতন প্ৰদান ব্যৱস্থাক পুনৰ চুক্তিভিত্তিক ব্যৱস্থাৰ সৈতে সাদৃশ্য থকা কোনো প্ৰক্ৰিয়ালৈ ৰূপান্তৰ কৰা উচিত নহয় বুলিও তেওঁলোকে স্পষ্ট কৰি দিয়ে। লগতে SRD শিক্ষক-শিক্ষয়িত্ৰীসকলে দীৰ্ঘদিন ধৰি ৰাজ্যৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনত নিষ্ঠা, সততা আৰু দায়িত্বশীলতাৰে সেৱা আগবঢ়াই আহিছে। এনে পৰিপ্ৰেক্ষিতত শিক্ষকসকলৰ বাস্তৱ সমস্যাসমূহ আৰু মতামত বিবেচনা নকৰাকৈ কোনো নতুন ব্যৱস্থা জাপি দিলে তেওঁলোকৰ ন্যায্য অধিকাৰ আৰু চাকৰিৰ সুৰক্ষা প্ৰশ্নৰ সন্মুখীন হ'ব পাৰে। সেয়েহে চৰকাৰে বিষয়টো সংবেদনশীলভাৱে বিবেচনা কৰি শিক্ষক সমাজৰ সৈতে আলোচনাৰ মাধ্যমেৰে শীঘ্ৰে এক গ্ৰহণযোগ্য সমাধান উলিয়াব লাগে বুলি তেওঁলোকে দাবী জনায়। ধৰ্ণা কাৰ্যসূচীৰ অন্তত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অসমৰ মুখ্যমন্ত্ৰী, ৰাজ্যপাল, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী, সমগ্ৰ শিক্ষা অভিযানৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় কৰ্তৃপক্ষকে ধৰি সংশ্লিষ্ট বিভাগসমূহলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। স্মাৰক পত্ৰখনত SNA SPARSH মডিউলৰ জৰিয়তে বেতন প্ৰদানৰ নিৰ্দেশ বাতিল কৰা, পূৰ্বৰ ব্যৱস্থাৰে বেতন প্ৰদান অব্যাহত ৰখা, SRD শিক্ষকসকলৰ চাকৰিৰ সুৰক্ষা নিশ্চিত কৰা আৰু তেওঁলোকৰ ন্যায্য দাবীসমূহ পূৰণৰ বাবে শীঘ্ৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।




প্ৰতিবাদকাৰীসকলে স্পষ্ট কৰি দিয়ে যে, এই আন্দোলন কোনো ব্যক্তিগত স্বাৰ্থৰ বাবে নহয়; ই SRD শিক্ষকসকলৰ ন্যায্য অধিকাৰ, চাকৰিৰ সুৰক্ষা আৰু বেতন প্ৰদান ব্যৱস্থাত স্বচ্ছতা তথা স্থিৰতা নিশ্চিত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা হৈছে। চৰকাৰে দাবীসমূহ ইতিবাচকভাৱে বিবেচনা কৰি শীঘ্ৰে সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি শিক্ষক সমাজে আশা প্ৰকাশ কৰে। অন্যথা পৰৱৰ্তী সময়ত গণতান্ত্ৰিকভাৱে অধিক শক্তিশালী আন্দোলন গঢ়ি তোলাৰ কথাও প্ৰতিবাদকাৰী সকলে উল্লেখ কৰে। উল্লেখযোগ্য যে, SNA SPARSH মডিউলৰ জৰিয়তে বেতন প্ৰদানৰ সিদ্ধান্তক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ SRD শিক্ষকসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে তিনিচুকীয়াত অনুষ্ঠিত আজিৰ ধৰ্ণা কাৰ্যসূচীত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তিনিচুকীয়া মহকুমাৰ সভাপতি বীৰেশ্বৰ চাউৰক, তিনিচুকীয়া হাইস্কুল শিক্ষক সন্থাৰ সভাপতি কেশৱ বেজবৰুৱা, তিনিচুকীয়া এম.ই. শিক্ষক সন্থাৰ সভাপতি কল্যাণ বড়া, অসম ৰাজ্যিক শিক্ষক সন্থাৰ প্ৰতিনিধি সুবোধ মৰাণ, তিনিচুকীয়া জিলা হাইস্কুল শিক্ষক সন্থাৰ সম্পাদক দিলীপ গগৈ, তিনিচুকীয়া জিলা এম.ই. শিক্ষক সন্থাৰ সম্পাদক অনিম মৰাণ, প্ৰাথমিক শিক্ষক সন্মিলনী, তিনিচুকীয়া মহকুমাৰ সহকাৰী সাধাৰণ সম্পাদক হীৰেশ্বৰ দাস আৰু সদস্য জয়ন্তজিত বৰুৱা উপস্থিত থাকি আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়ায়। ধৰ্ণা কাৰ্যসূচীত শিক্ষকসকলে ঐক্যবদ্ধভাৱে "বিভেদৰ নীতি নচলিব", "শিক্ষক ঐক্য জিন্দাবাদ" আদি শ্লোগানেৰে তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰে।

# বাইহাটা চাৰিআলিৰ পৰা

মুঠ ৮৯৭০.২০ কোটি টকাৰ মূলধনী ব্যয়েৰে বিল্ট-অপাৰেট-ট্ৰেন্সফাৰ শচবি অ' টিগ্ন টোল মোডত বিকশিত কৰা হ'ব। এই প্ৰকল্পটোত ভাৰতীয় বায়ুসেনাৰ সৈতে সমন্বয় কৰি তেজপুৰ বাইপাছত এটা জৰুৰীকালীন অৱতৰণ সুবিধা শচইএলএফগ্ন শচচ্ছ.জ্ঝ কিলোমিটাৰগ্ন নিৰ্মাণৰ পৰিকল্পনা চূড়ান্ত কৰা হৈছে আৰু ই ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ দিশত থকা বৰ্তমানৰ ৰাষ্ট্ৰীয় ঘাইপথ-২৭ (পূব-পশ্চিম কৰিডৰ) ৰ ভিৰ হ্ৰাস কৰিব। এই প্ৰকল্পটোত প্তজ্জ.জ্ঞকিলোমিটাৰ দৈৰ্ঘ্যৰ প্তটা প্ৰধান বাইপাছ নিৰ্মাণ কৰাৰ জৰিয়তে বাইহাটা চাৰিআলিৰ, ছিপাঝাৰ, খাৰুপেটিয়া, ঢেকীয়াজুলী, তেজপুৰৰ দৰে ঘন জনবসতিপূৰ্ণ অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা অঞ্চলসমূহত যানজঁট হ্ৰাস পাব। ইয়াৰ উপৰিও, এই প্ৰকল্পটোত ৰপ্তখন ডাঙৰ দলং,, জ্ঝখন সৰু দলং, ৰজ্ঝখন উৰণ সেতু, ৰটা এলিফেন্ট আণ্ডাৰ পাছ (তেজপুৰ বাইপাছ)ৰ ব্যৱস্থা আছে। প্ৰকল্পটোৰ অংশ হিচাপে চৰজ্ঝ কিলোমিটাৰ ছাৰ্ভিচ ৰোডৰ সৈতে ৪৬টা আণ্ডাৰপাছ আৰু ৰজ্ঝখন উৰণ সেতুও নিৰ্মাণ কৰা হ'ব। কিয়নো প্ৰকল্পটো access controlled হিচাপে বিকশিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। এই প্ৰকল্পটোৱে গড় ভ্ৰমণৰ গতি ১০০শতাংশ বৃদ্ধি কৰি ভ্ৰমণৰ সময় আধালৈ হ্ৰাস কৰাৰ লগতে সামগ্ৰিক পথ সুৰক্ষা উন্নত কৰাৰ উপৰি ইন্ধনৰ দক্ষতা বৃদ্ধি কৰিব আৰু বাহন পৰিচালনাৰ ব্যয় হ্ৰাস কৰাৰ জৰিয়তে আঞ্চলিক গতিশীলতা আৰু আৰ্থ-সামাজিক বিকাশ বৃদ্ধি পাব। কেন্দ্ৰৰ এই অনুমোদনক আদৰণি জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয়, "অসমৰ পথ আন্তঃগাঁথনি উন্নয়নত আন এক ঐতিহাসিক পদক্ষেপ। আজি কেন্দ্ৰীয় কেবিনেটে অসমৰ পথ যোগাযোগ নেটৱৰ্কৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ— বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ (মঙলদৈ বাইপাছৰ ১৫.১১ কিঃমিঃ বাদ দি ৰাষ্ট্ৰীয় ঘাইপথ ১৫": ১৩৫.৮৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ ৪-লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত অনুমোদন জনাইছে। ইয়াৰ বাবে ভাৰতৰ চৰকাৰে ৮, ৯৭০ কোটি টকাৰ ব্যয় কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। আমি বিশ্বাস কৰোঁ- প্ৰতীক্ষিত এই বৃহৎ প্ৰকল্পই ৰাজ্যৰ যাতায়াত ব্যৱস্থা অধিক দ্ৰুত, সুৰক্ষিত আৰু আধুনিক কৰি তুলিব। অসমৰ যোগাযোগ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু কেন্দ্ৰীয় কেবিনেটক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।"

# চৰকাৰী সমালোচনা দমনৰ

ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহক চৰকাৰে আপত্তি দৰ্শোৱা যিকোনো পোষ্ট বা ভিডিঅ' তিনি ঘণ্টাৰ ভিতৰতে আঁতৰাই পেলাবলৈ বাধ্য কৰোৱা হ'ব। তেওঁ কয়, "মোদী চৰকাৰে নতুন আইন প্ৰণয়ন কৰিছে। চৰকাৰে যদি ইনষ্টাগ্ৰাম, ফেচবুক বা আন যিকোনো প্লেটফৰ্মক কোনো পোষ্ট ডিলিট কৰিবলৈ কয়, তেন্তে সেই প্লেটফৰ্মে তিনি ঘণ্টাৰ ভিতৰতে সেয়া আঁতৰাব লাগিব।" এই আইনখন মূলতঃ চৰকাৰৰ বিৰুদ্ধে সমালোচনামূলক পোষ্ট আঁতৰোৱাৰ বাবেই তৈয়াৰ কৰা বুলি কেজিৰালে অভিযোগ আগবঢ়ায়। তেওঁ স্পষ্টকৈ কয় যে নিয়োগ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল, ইথানল নীতি, বিভিন্ন দুৰ্নীতি কাণ্ড আদি বিষয়ত চৰকাৰক সমালোচনা কৰা পোষ্টবোৰ এই আইনৰ বলত তিনি ঘণ্টাৰ ভিতৰতে মচি পেলোৱা হ'ব। ইফালে, চৰকাৰৰ সৈতে জড়িত লোকসকলে যদি সাংঘাতিক ধৰণৰ গালি-গালাজ বা মহিলাৰ বিৰুদ্ধে আপত্তিজনক ভাষা ব্যৱহাৰ কৰে, তেন্তে তেনে বিষয়বস্তুৰ বিৰুদ্ধে চৰকাৰে একো ব্যৱস্থা নলয় বুলিও তেওঁ কটাক্ষ কৰে। প্ৰধানমন্ত্ৰী মোদী যে কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ আঁৰত থকা মূল কাৰণ হৈছে শেহতীয়াকৈ সংগঠিত হোৱা যুৱ প্ৰজন্ম শচজেন-জিগ্নৰ প্ৰতিবাদ আৰু যন্তৰ মন্তৰত হোৱা বিক্ষোভ, সেই কথাও কেজিৰালে উল্লেখ কৰে। তেওঁ দাবী কৰে, "যন্তৰ মন্তৰত হোৱা প্ৰতিবাদৰ পাছৰে পৰা প্ৰধানমন্ত্ৰী মোদী ক্ৰমান্বয়ে চিন্তিত আৰু ভীতিগ্ৰস্ত হৈ পৰিছে। তেওঁ এই দেশৰ যুৱক-যুৱতী, শিশু আৰু মহিলাসকলক ভয় কৰে।" জনমত দমন কৰি চৰকাৰে নিজৰ সমস্যাৰ সমাধান নাপাব বুলি সতৰ্কবাণী উচ্চাৰণ কৰি কেজিৰালে কয়, "সমাধান হ'ল মানুহৰ কণ্ঠৰুদ্ধ কৰা নহয়। চৰকাৰে ভাল কাম কৰিলে মানুহে নিজেই প্ৰশংসা কৰিব। কিন্তু সমালোচনাক দমন কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিলে জনতাৰ ক্ষোভ কেৱল বহুগুণে বৃদ্ধি পাব।" তেওঁ লগতে কয় যে নিজৰ নাগৰিকক ভয় কৰা চৰকাৰ দীৰ্ঘদিন টিকি থাকিব নোৱাৰে। "যি শাসকে নিজৰ জনতাৰ কণ্ঠক ভয় কৰে, তেওঁৰ দিন গণনা আৰম্ভ হৈছে। জনতাৰ কণ্ঠ যিমানেই দমন কৰিবলৈ যাবা, সিমানেই তেওঁলোকৰ প্ৰতিবাদ প্ৰবল হৈ উঠিব, "— এইদৰে কটাক্ষেৰে কেজিৰালে নিজৰ বক্তব্য সামৰি লয়।

# গালি-গালাজে বঢ়াইছে সাহায্য

পাৰি থাকক, সেয়াই মোৰ বাবে আশীৰ্বাদস্বৰূপ।" ইফালে, অসমৰ বান সমস্যাটোক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰাৰ দীৰ্ঘদিনীয়া দাবীক নাকচ কৰি মুখ্যমন্ত্ৰীয়ে বৈজ্ঞানিক আৰু কাৰ্যকৰী সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, "কেৱল কিবা এটা ডিক্লাৰ কৰিলেই বান সমস্যাৰ সমাধান নহয়। আমাক লাগে সুনিৰ্দিষ্ট কাৰিকৰী আঁচনি। আইআইটি, আইআইএম, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু আমাৰ ইঞ্জিনীয়াৰসকলে এনেকুৱা স্কীম প্ৰস্তুত কৰক, যাৰ দ্বাৰা বান সমস্যাটো সঁচাকৈয়ে সমাধান হ'ব পাৰে।" মুখ্যমন্ত্ৰীয়ে প্ৰতিবেশী ৰাজ্যৰ পৰা অহা পানীৰ প্ৰসংগ উত্থাপন কৰি কয়, "নাগালেণ্ড বা অন্যান্য ৰাজ্যৰ পৰা পানী নামি আহে, অসমে কেনেকৈ ৰখাব? তাৰ বাবে আমাক কাৰিকৰী আঁচনি প্ৰয়োজন। তেতিয়া আমি সেই আঁচনি লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত ক'ব পাৰিম যে ৫০, ০০০ কোটি টকা দিয়ক, আমি বান সমস্যা সম্পূৰ্ণ সমাধান কৰিম। টকা-পইছা প্ৰধানমন্ত্ৰীয়ে দিব, কিন্তু বৰ্তমান অসম চৰকাৰৰ ওচৰত তেনে কোনো সঠিক আঁচনি নাই। আমাৰ শিক্ষাবিদসকলে কেৱল মথাউৰি বা জিঅ' বেগৰ পৰামৰ্শ দিয়ে।" "কেৱল ৰাষ্ট্ৰীয় সমস্যা বুলি নটিফিকেচন উলিয়াই দিলেই বান সমস্যাৰ সমাধান নহয়। মোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে নহয়, ৰাষ্ট্ৰীয় সমাধান হিচাপে ঘোষণা লাগে, "— বুলি স্পষ্টীকৰণ দিয়ে মুখ্যমন্ত্ৰীয়ে। তেওঁ সকীয়াই দিয়ে যে অসমৰ ভৱিষ্যতে হ'ব পৰা বান প্ৰকোপ ৰোধ কৰিবলৈ সঠিক বৈজ্ঞানিক পৰিকল্পনা আৰু কেন্দ্ৰীয় সহায়ৰ বিকল্প নাই, আৰু সেই দিশতে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দি আগুৱাই যাব।

# বিধ্বংসী বানপানীত ক্ষতিগ্ৰস্ত

যাৰ ফলত চাহ শ্ৰমিকসকলো চৰম দুৰ্দশাৰ সন্মুখীন হৈছে। চৰকাৰী সূত্ৰ অনুসৰি, উক্ত চাৰিখন জিলাৰ মুঠ ৩০খন চাহ বাগিচাত বানৰ প্ৰভাৱ পৰিছে। অসম চৰকাৰৰ চাহ জনজাতি আৰু আদিবাসী উন্নয়ন মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে সংবাদ মাধ্যমক এই তথ্য অৱগত কৰাৰ লগতে কয় যে ইতিমধ্যে তেওঁ বিভাগীয় বিষয়াৰ সৈতে ক্ষতিগ্ৰস্ত বাগিচাসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ প্ৰাথমিক মূল্যায়ন সম্পন্ন কৰিছে। মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে উল্লেখ কৰে যে এই৲৩০খন বাগিচাৰ ভিতৰত ৰৰখন বাগিচাতে আটাইতকৈ বেছি ক্ষতি হৈছে। "শ্ৰমিক উন্নয়ন মন্ত্ৰীৰ দায়িত্বত থকা হিচাপে মই বানপীড়িত বাগিচাবোৰ প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰিছোঁ। ক্ষয়-ক্ষতিৰ পূৰ্ণাংগ প্ৰতিবেদন প্ৰস্তুত কৰি সোনকালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰিম, "— বুলি তেলীয়ে কয়। মন্ত্ৰী তেলীয়ে এই মন্তব্য কৰে যোৰহাটৰ চিনামৰাস্থিত কনভেনশ্বন চেণ্টাৰত শুকুৰবাৰে অনুষ্ঠিত বানপানীৰ ক্ষয়-ক্ষতিৰ দ্ৰুত মূল্যায়ন জৰীপ সম্পৰ্কীয় এক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি। উল্লেখনীয় যে এই প্ৰশিক্ষণ কাৰ্যসূচীত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী কেশৱ মহন্ত, অতুল বৰা, সুশান্ত বুঢ়াগোঁহাই আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিভাগীয় বিষয়াসকলে অংশ লয়। জিলা আয়ুক্ত আৰু ৰাজহ চক্ৰ বিষয়াসকলেও এই অনুষ্ঠানত উপস্থিত থাকে। সামগ্ৰিকভাৱে চাহ উদ্যোগৰ বাবে এই বান এক গুৰুতৰ আঘাত হিচাপে চিহ্নিত হৈছে। চৰকাৰে জৰীপৰ পূৰ্ণ তথ্য পোৱাৰ পাছত প্ৰয়োজনীয় সাহায্য আৰু পুনৰুদ্ধাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্ত্ৰী তেলীয়ে আশ্বাস প্ৰদান কৰে।

# ৯ আগষ্টৰ পৰা উজনি অসমৰ চাৰি

জিলাৰ জিলা আয়ুক্ত, সম জিলা আয়ুক্ত, চক্ৰ বিষয়াসকল আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ শীৰ্ষ কৰ্মচাৰীসকলৰ সৈতে বিস্তৃত আলোচনা কৰি এই জৰীপ পদ্ধতি চূড়ান্ত কৰা হৈছে। জৰীপ চলিব উজনিৰ বানপীড়িত অঞ্চলসমূহত। যিসকল বিষয়াই জৰীপত নিয়োজিত হ'ব, তেওঁলোকৰ বাবে শনিবাৰৰ পৰা জিলা পৰ্যায়ত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, "প্ৰথম পৰ্যায়ৰ জৰীপ ৩০ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। সম্পূৰ্ণ জৰীপ সমাপ্ত হ'লেহে ক্ষয়-ক্ষতিৰ সঠিক অনুমান কৰিব পৰা যাব আৰু তাৰ পিছত ছেপ্টেম্বৰ মাহত প্ৰকৃত ক্ষতিপূৰণৰ প্ৰয়োজনীয়তা স্পষ্ট হৈ উঠিব।" জৰীপকাৰী বিষয়াসকলক প্ৰতিটো ক্ষতিগ্ৰস্ত স্থানৰ ফটো আৰু ভিডিঅ' ৰেকৰ্ডিং সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই কাম সহজ কৰিবলৈ মোবাইল এপৰ বিশেষ ব্যৱস্থা কৰা বুলিও মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। বানপীড়িত চাৰি জিলাৰ বিদ্যালয়সমূহ পুনৰ খোলাৰ বিষয়ে মুখ্যমন্ত্ৰী শৰ্মাই কয়, "১০ আগষ্টৰ পৰা বিদ্যালয়সমূহ খোলা হ'ব। যি সকলো বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী আহিবলৈ অসুবিধা হৈছে, তেনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কাষৰীয়া বিদ্যালয়লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে।" বানত ক্ষতিগ্ৰস্ত মুঠ ৭৯৩খন বিদ্যালয়লৈ ইতিমধ্যে দুই লাখ টকাকৈ প্ৰাথমিক সাহায্য আগবঢ়োৱা হৈছে। লগতে ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্ম ক্ৰয়ৰ বাবে 'মুখ্যমন্ত্ৰী সাহায্য পুঁজি'ৰ পৰা প্ৰয়োজনীয় অৰ্থ মোকলাই দিয়া বুলিও তেওঁ নিশ্চিত কৰে। যোৰহাট চহৰৰ কৃত্ৰিম বানপানীৰ সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰি কয়, "২০০১ চনৰ পৰা কৃত্ৰিম বান প্ৰতিৰোধৰ বাবে আমি যুঁজি যুঁজি হাৰি আহিছো। এই সমস্যা সমাধান কৰিবলৈ চৰকাৰ আৰু ৰাইজে একত্ৰিত হৈ যত্ন ল'ব লাগিব।" তেওঁ যোৰহাটৰ জিলা আয়ুক্তক কৃত্ৰিম বানৰ সমস্যাৰ ওপৰত বিশেষ নজৰ ৰাখি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অত্যাধুনিক মোবাইল এপ আৰু প্ৰশিক্ষণৰ যোগেদী জৰীপ কাৰ্যটো দ্ৰুত আৰু স্বচ্ছভাৱে সম্পন্ন কৰাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে ৰাজ্য চৰকাৰে। অহা মাহৰ শেষলৈ ক্ষয়-ক্ষতিৰ অংক স্পষ্ট হ'লে তাৰ ভিত্তিত পুনৰুদ্ধাৰমূলক কাম-কাজ আৰু সাহায্য বিতৰণ ত্বৰান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

# অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত বৃহৎ

কাছাৰ, বিশ্বনাথ, হোজাই, মৰিগাঁও, ধেমাজি, চিৰাং আৰু দৰং জিলাত নতুন আৰক্ষী অধীক্ষকে দায়িত্বভাৰ গ্ৰহণ কৰিছে। পোৱা তথ্য অনুসৰি, গোলাঘাট জিলাৰ নতুন জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে স্বপ্নীল ডেকাক। তেওঁ ইয়াৰ আগতে অন্যান্য গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি আহিছিল। আনহাতে, বৰ্তমান নগাঁও জিলাৰ ত্ৰত্ৰত্ন পাৰ্থপ্ৰতীম দাসক কাছাৰ জিলালৈ বদলি কৰা হৈছে, য'ত তেওঁ নতুন অধীক্ষক ৰূপে কাৰ্যনিৰ্বাহ কৰিব। নগাঁও জিলাৰ নতুন ত্ৰত্ৰত্ন হিচাপে নিযুক্তি লাভ কৰিছে পি ভি ৰাকেশ ৰেড্ডীয়ে। বিশ্বনাথ জিলাৰ দায়িত্ব প্ৰদান কৰা হৈছে আছিফ আহমেদক, আনহাতে হোজাই জিলাৰ নতুন SSP হৈছে নিৰুপম হাজৰিকা। ইফালে, মৰিগাঁও জিলাৰ SSP প্ৰকাশ সোণোৱালক ধেমাজি জিলালৈ বদলি কৰা হৈছে। চিৰাং জিলাৰ নতুন SSPৰ দায়িত্ব পাব ধ্ৰুৱ বৰাই, আৰু দৰং জিলাৰ দায়িত্ব প্ৰদান কৰা হৈছে শৰ্মিষ্ঠা বৰুৱাক। ৰাজ্য আৰক্ষী মুখ্য কাৰ্যালয়তো এটা গুৰুত্বপূৰ্ণ বদলি ঘটিছে। গোলাঘাটৰ প্ৰাক্তন SSP ৰাজেন সিঙক অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ CR/HR পদলৈ বদলি কৰা হৈছে। লগতে কাছাৰ জিলাৰ ত্ৰত্ৰত্ন সঞ্জীৱ কুমাৰ শইকীয়াক ২০তম অসম পুলিচ বেটেলিয়ন (APBN)ৰ অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, 20ত÷ APBNৰ বৰ্তমানৰ অধিনায়ক জ্যোতি ৰঞ্জন নাথক ১০তম APBNলৈ বদলি কৰা হৈছে। এই সলনিৰ জৰিয়তে ৰাজ্যৰ আৰক্ষী বিষয়াসকলৰ কাৰ্যক্ষেত্ৰত নতুন গতিশীলতা আহিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰশাসনিক কাৰণত এই বদলি ঘটোৱা হৈছে আৰু নতুন নিযুক্তিপ্ৰাপ্ত অধিকাৰিকসকলক যাত্ৰা অব্যাহতি দিয়ে তৎক্ষণাৎ দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

# 'চিএম সাহায্য পুঁজিৰ চান্দা সংগ্ৰহ

গৰাকীয়ে 'চিএম সাহায্য পুঁজি'ৰ বাবে চান্দা সংগ্ৰহ বন্ধ কৰক। গগৈয়ে কয়, "আজি অসমৰ আটাইতকৈ ধনী ব্যক্তি হৈছে হিমন্ত বিশ্ব শৰ্মা। উত্তৰ-পূব অঞ্চলৰ ধনী ৰাজনৈতিক নেতাসকলৰ ভিতৰত তেওঁ অন্যতম। এনে পৰিস্থিতিতে মুখ্যমন্ত্ৰীগৰাকীয়ে সাহায্য পুঁজিলৈ নিজে কিমান ধন যোগান ধৰিছে, সেই প্ৰশ্ন জনসাধাৰণৰ মনত উঠিছে।" তেওঁ মুখ্যমন্ত্ৰীক 'ৰজাৰ ভূমিকা পালন নকৰিবলৈ' সকীয়নি প্ৰদান কৰে। বানৰ প্ৰথম সাতদিন চৰকাৰ সম্পূৰ্ণ অস্তিত্বহীন আছিল বুলি অভিযোগ উত্থাপন কৰি অখিল গগৈয়ে কয়, "আমি হুলস্থূল কৰাৰ পাছতহে ৰিলায়েন্সৰ দৰে কোম্পানীয়ে সাহায্য আগবঢ়াইছে। প্ৰত্যেক দিনাই অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ঋণ লৈছে, অথচ ৰাইজৰ দুৰ্দশাৰ প্ৰতি তেওঁৰ কোনো স্পষ্ট প্ৰতিক্ৰিয়া নাই।" দিল্লীলৈ প্ৰধানমন্ত্ৰীৰ সাক্ষাৎ ল'বলৈ যোৱা মুখ্যমন্ত্ৰীৰ সাক্ষাৎ নোহোৱাৰ কথাও গগৈয়ে উত্থাপন কৰে। তেওঁ কয়, "মুখ্যমন্ত্ৰীগৰাকী প্ৰধানমন্ত্ৰীৰ সাক্ষাৎ ল'বলৈ দিল্লী গৈছিল যদিও সাক্ষাৎ নিদিলে। আনফালে গুজৰাটক ২০০০ কোটি টকা প্ৰদান কৰা হৈছে, কিন্তু অসমক দিয়া হৈছে মাত্ৰ ৩৭৯ কোটি টকা। অসমীয়া মানুহৰ অপমান কৰাৰ এই কাৰ্যই মোক গভীৰভাৱে ক্ষুব্ধ কৰিছে, আৰু মই এই অপমান কেতিয়াও মানি ল'ব নোৱাৰো।" বান বিধ্বস্ত বহু অঞ্চলৰ লোকসকলৰ বিষয়েও গগৈয়ে গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "বানপীড়িত বহু পৰিয়ালে এতিয়ালৈকে এককালীন ৰপ্ত হাজাৰ টকাৰ সাহায্য পোৱা নাই। কাৰণ এই সাহায্যৰ তালিকা প্ৰস্তুত কৰিছে বিজেপিৰ লোকসকলে, যাৰ ফলত অনেক যোগ্য লোক বাদ পৰিছে।" তেওঁ চৰকাৰৰ উদ্দেশ্যে আহ্বান জনায় যে সাহায্য বিতৰণৰ তালিকা যাতে চৰকাৰী কৰ্মচাৰীৰ জৰিয়তে স্বচ্ছভাৱে প্ৰস্তুত কৰা হয়, যাতে কোনো দুৰ্যোগপীড়িত পৰিয়াল বঞ্চিত নহয়। অখিল গগৈয়ে শেষত কয় যে চৰকাৰে যদি ৰাইজৰ দুখ-কষ্ট বুজি সঠিকভাৱে কাম নকৰে, তেন্তে অসমীয়া জনতাই এই নিৰ্লজ্জ আচৰণৰ প্ৰত্যুত্তৰ নিৰ্বাচনী মঞ্চত দিব। তেওঁ চৰকাৰক দায়িত্বশীল আচৰণৰ আহ্বান জনায়।

# অলিম্পিক পদক বিজয়ী লাভলীনা

প্ৰদান কৰে। স্থানীয় লোকসকলে লাভলীনাৰ এই আগমনক এক বৃহৎ মানসিক সঁহাৰি বুলি অভিহিত কৰে। লাভলীনা বৰগোঁহাই মৰ্মস্পৰ্শী ভংগীত কয়, "ইয়ালৈ আহি এই বিধ্বংসী পৰিস্থিতি প্ৰত্যক্ষ কৰি মোৰ বুকুখন ফাটি যোৱা যেন লাগিছে। মানুহবোৰে নিজৰ সকলো সম্পত্তি হেৰুৱাই মানসিকভাৱে সম্পূৰ্ণ ভাঙি পৰিছে। এই পানী কেতিয়া নামিব আৰু তেওঁলোকৰ জীৱন কেতিয়া স্বাভাৱিক হ'ব তাৰ কোনো নিশ্চয়তা নাই।" তেখেতে লগতে উল্লেখ কৰে যে যি খেতি-বাতিৰ ওপৰত এই অঞ্চলৰ লোকসকলে নিৰ্ভৰ কৰি আহিছিল, সেই সকলো শস্যই এতিয়া পানীৰ তলত নিমজ্জিত হৈ গৈছে। "প্ৰকৃত কষ্ট কেৱল দুৰ্যোগপীড়িতসকলেহে অনুভৱ কৰিব পাৰে, বাহিৰৰ পৰা অহা মানুহে সেয়া সম্পূৰ্ণৰূপে উপলব্ধি কৰাটো অতি কঠিন। মোৰ মূল উদ্দেশ্য হৈছে মানসিকভাৱে ভাগি পৰা এই মহানাগৰিকসকলৰ কাষত থিয় দি তেওঁলোকক কিছু সান্ত্বনা আৰু সাহস প্ৰদান কৰা, "— বুলি লাভলীনাই কয়। অলিম্পিক পদকবিজয়ীগৰাকীৰ এই মানৱীয় অভিযানে শিৱসাগৰৰ বাসিন্দাসকলৰ মাজত ভৰসা সঞ্চাৰ কৰিছে। লাভলীনা বৰগোঁহাই আগন্তুক দিনবোৰতো বানপীড়িতসকলৰ পুনৰ্বাসন আৰু সাহায্য কাৰ্যত যাতে কোনো প্ৰকাৰে ব্যাঘাত নঘটে, তাৰ বাবে প্ৰাসংগিক প্ৰশাসন আৰু স্বেচ্ছাসেৱী সংগঠনবোৰৰ সৈতে সম্পৰ্ক ৰাখি আগবাঢ়ি যোৱাৰ আশা প্ৰকাশ কৰে।

# ৰাহুল গান্ধীৰ বাসগৃহৰ বাহিৰত

কেইজনক আৰক্ষীৰ গাড়ীত তুলি নিৰাপত্তা বেষ্টনীৰ বাহিৰলৈ লৈ যোৱা হয়। ঘটনাস্থলীত উত্তেজনা বৃদ্ধি পোৱাৰ সম্ভাৱনা বিবেচনা কৰি ৰাহুল গান্ধীৰ বাসগৃহৰ আশে-পাশে নিৰাপত্তাৰক্ষীৰ সংখ্যা বৃদ্ধি কৰা হয়। সমগ্ৰ এলেকাটোতে আৰক্ষীৰ তদন্ত আৰম্ভ হয় আৰু কোনো অপ্ৰীতিকৰ ঘটনা নঘটিবলৈ সতৰ্ক ব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰতিবাদকাৰীসকলে কেনেকৈ আৰু কিয় ৰাহুল গান্ধীৰ ঘৰৰ বাহিৰত সাধুৰ বেশত প্ৰতিবাদ কৰিবলৈ আহিছিল, সেই সন্দৰ্ভত এতিয়াও কোনো স্পষ্ট তথ্য পোহৰলৈ অহা নাই। আটককাৰীসকলৰ পৰিচয় আৰু তেওঁলোকৰ দাবী সম্পৰ্কে আৰক্ষীয়ে কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই।

# পাকিস্তান-চৌদি-তুৰ্কিৰ ত্ৰিপাক্ষিক

প্ৰাসংগিক তথ্য আপোনালোকক অৱগত কৰিম।" ছোমালিয়া আৰু পাকিস্তানৰ মাজত হোৱা নিৰাপত্তা চুক্তি সম্পৰ্কীয় খবৰৰ ক্ষেত্ৰতো ভাৰতে একে ধৰণৰ সতৰ্ক দৃষ্টি ৰখা বুলি মন্ত্ৰালয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, পাকিস্তান, চৌদি আৰৱ আৰু তুৰস্কে 'মক্কা যুটীয়া প্ৰতিৰক্ষা চুক্তি' শীৰ্ষক এই গুৰুত্বপূৰ্ণ চুক্তিখনত স্বাক্ষৰ কৰে। এই চুক্তিৰ মূল উদ্দেশ্য হৈছে আঞ্চলিক নিৰাপত্তাৰ সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ মাজতে তিনিখন দেশৰ মাজত সামৰিক সহযোগিতা আৰু শক্তিশালী কৰা। চুক্তি অনুসৰি, যিকোনো এখন দেশৰ ওপৰত সশস্ত্ৰ আক্ৰমণ সংঘটিত হ'লে সেই আক্ৰমণক তিনিওখন দেশৰ বিৰুদ্ধে আক্ৰমণ বুলি গণ্য কৰা হ'ব। লগতে তিনিখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতাৰ সকলো ক্ষেত্ৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছে যদিও চুক্তিত কোনো নিৰ্দিষ্ট সামৰিক পদক্ষেপ বা স্পষ্ট সামৰিক দায়িত্বৰ বিশদ উল্লেখ কৰা হোৱা নাই। মূলতঃ আঞ্চলিক আৰু বৈশ্বিক পৰ্যায়ত শান্তি, সুস্থিৰতা আৰু নিৰাপত্তা প্ৰসাৰৰ ওপৰতেই গুৰুত্ব দিয়া হৈছে। চৌদি আৰৱৰ ক্ৰাউন প্ৰিন্স মহম্মদ বিন চালমান, তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেচেপ টাইপ এৰদোগান আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ বৈঠকৰ সময়ত এই চুক্তি স্বাক্ষৰিত হয়। পশ্চিম এছিয়াত ইৰান, ইজৰাইল আৰু আমেৰিকাৰ মাজত উত্তেজনা বৃদ্ধি পোৱা আৰু উপসাগৰীয় অঞ্চলৰ নিৰাপত্তা তথা হৰমুজ প্ৰণালীৰ সামুদ্ৰিক পথসমূহত প্ৰভাৱ পৰা এনে এক সন্ধিক্ষণতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। চৌদি আৰৱৰ গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি আৰু তেল প্ৰতিষ্ঠানসমূহৰ ওপৰত হুথি আৰু ইৰাকী মিলিশিয়াকে ধৰি ইৰান সমৰ্থিত গোটসমূহৰ আক্ৰমণৰ পাছত ৰিয়াদে নিজৰ প্ৰতিৰক্ষা অংশীদাৰিত্ব সম্প্ৰসাৰণৰ চেষ্টা চলাই আছে। ইফালে, গাজা ইছ্যুক লৈ তুৰস্ক-ইজৰাইল উত্তেজনা আৰু ইৰান-লেবানন সম্পৰ্কীয় সংঘৰ্ষৰ মাজতো আঞ্চলিক পৰিস্থিতি ক্ৰমাগতভাৱে জটিল হৈ পৰিছে। কৌশলগত বিষয়ৰ বিশেষজ্ঞসকলে এই চুক্তিখনক 'ইছলামিক নাটো' (Islamic NATO) বুলি আখ্যা দিয়া দীৰ্ঘদিনীয়া ধাৰণাক নতুন ৰূপ দিয়া বুলি মত প্ৰকাশ কৰিছে। যোৱা বছৰ পাকিস্তান আৰু চৌদি আৰৱৰ মাজত হোৱা দ্বিপাক্ষিক নিৰাপত্তা চুক্তিয়ে এই ত্ৰিপাক্ষিক চুক্তিৰ বাট মুকলি কৰিছে।

# টাকচিঙত চীনৰ অনুপ্ৰৱেশৰ

অনুপ্ৰৱেশ ঘটা নাই, কাৰণ সীমান্ত অঞ্চলত থকা ভাৰতীয় সেনাই ভূখণ্ডটো অত্যন্ত সজাগতাৰে ৰক্ষণাবেক্ষণ কৰি আছে। সীমান্তীয় সুৰক্ষা ব্যৱস্থা যথেষ্ট শক্তিশালী, আৰু ইয়াত কোনো অস্বাভাৱিক গতিবিধি ধৰা পৰা নাই।" অৱশ্যে তেওঁ স্বীকাৰ কৰে যে স্থানীয় গাঁওবাসীসকলে সীমান্তত সন্দেহজনক কাৰ্যকলাপ আৰু ভাৰত-চীন মুখামুখি সংঘাত হোৱাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰিছে। এই উদ্বেগক গুৰুত্ব দিয়েই মুখ্যমন্ত্ৰীয়ে জনজাতীয় সম্প্ৰদায়ৰ প্ৰতিনিধিসকলক টাকচিং চক্ৰলৈ আমন্ত্ৰণ জনোৱা বুলি জনায়। তেওঁ কয়, "আমি গাঁওবাসীৰ কথা শুনিছো আৰু তেওঁলোকৰ চিন্তাসমূহ বুজিবলৈ সৰ্বোচ্চ চেষ্টা চলাইছো। প্ৰকৃততে কি ঘটিছিল, সেই সত্যতা নিৰূপণ কৰিবলৈ আমি ভূ-পৃষ্ঠীয় এক মূল্যায়ন চলাব।" দূৰৱৰ্তী সীমান্ত অঞ্চলটো কৌশলগতভাৱে অতি সংবেদনশীল। সুবনশিৰি জিলাৰ টাকচিং অঞ্চল প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (LAC)ৰ ওচৰত অৱস্থিত, যাৰ বাবে ইয়াৰ আন্তঃৰাষ্ট্ৰীয় গুৰুত্ব যথেষ্ট। সীমান্তৰ সান্নিধ্যৰ বাবেই এই অঞ্চলটো সদায় নিৰাপত্তা দৃষ্টিকোণৰ পৰা অতি সতৰ্কতাৰে চোৱা হয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰে যাতে পৰিস্থিতিৰ সম্পূৰ্ণ নিৰীক্ষণ কৰিব পাৰে, তাৰ বাবে শীঘ্ৰেই এক সুসংহত ভূ-পৃষ্ঠীয় জৰীপ আৰম্ভ কৰা হ'ব। এই জৰীপৰ ফলাফলেই স্পষ্ট কৰিব যে সীমান্তত কোনো অনুপ্ৰৱেশ বা সংঘাতৰ ঘটনা সংঘটিত হৈছিলনে নাই। তেতিয়াহে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলিও খাণ্ডুৱে উল্লেখ কৰে।

# উজনি অসমৰ বান পৰিস্থিতিক লৈ

জৰুৰী দৃষ্টি আকৰ্ষণ কৰিবলৈ যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে বিগত ৩০ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্দেশ্যে এখন আনুষ্ঠানিক পত্ৰ প্ৰেৰণ কৰে। লোকসভাৰ কংগ্ৰেছ সংসদীয় দলৰ উপ-দলপতি হিচাপেও দায়িত্ব পালন কৰা গগৈয়ে এই পত্ৰখনৰ জৰিয়তে বানপানীয়ে সৃষ্টি কৰা বিধ্বংসী ৰূপ আৰু জনসাধাৰণে ভোগা দুৰ্দশাৰ বিষয়ে বিশদভাৱে অৱগত কৰায়। পত্ৰখনত সাংসদগৰাকীয়ে বিশেষভাৱে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত বানে কৰা ধ্বংসলীলাৰ চিত্ৰ উন্মোচন কৰে। ৰাজহুৱা আন্তঃগাঁথনি, জীৱন-জীৱিকা আৰু গৃহস্থালিৰ বিপুল ক্ষয়ক্ষতিৰ প্ৰসংগ উত্থাপন কৰি গগৈয়ে কেন্দ্ৰীয় চৰকাৰক অসমৰ বাবে এখন বিশেষ সাহায্য আৰু পুনৰসংস্থাপন পেকেজ ঘোষণা কৰিবলৈ অনুৰোধ জনায়। ক্ষয়ক্ষতি পূৰণ আৰু পুনৰ্নিৰ্মাণৰ বাবে এই পেকেজ অতি প্ৰয়োজনীয় বুলি তেওঁ দাবী কৰে। উল্লেখযোগ্য যে, গৌৰৱ গগৈৰ এই পত্ৰখন প্ৰধানমন্ত্ৰী কাৰ্যালয়ত প্ৰাপ্ত হোৱাৰ স্বীকৃতি স্বৰূপে এখন প্ৰাপ্তি স্বীকাৰ পত্ৰও প্ৰেৰণ কৰা হৈছে। ইয়াৰ পৰা স্পষ্ট যে কেন্দ্ৰীয় চৰকাৰে অসমৰ বান পৰিস্থিতি সম্পৰ্কে অৱগত হৈছে। গগৈয়ে আশা প্ৰকাশ কৰে যে প্ৰধানমন্ত্ৰীগৰাকীয়ে অতি সোনকালে এই বিশেষ সাহায্য আৰু পুনৰসংস্থাপন পেকেজখন অনুমোদন জনাব। বানপীড়িত অঞ্চলসমূহৰ দ্ৰুত পুনৰুদ্ধাৰ আৰু দুৰ্দশাগ্ৰস্ত ৰাইজৰ পুনৰ সংস্থাপনৰ বাবে সময়োপযোগী এই পদক্ষেপ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি তেওঁ মত প্ৰকাশ কৰে। শেহতীয়া পৰিসংখ্যা অনুসৰি, চলিত বৰ্ষৰ বানপানীত অসমৰ চপ্তখন জিলাৰ ৰৰ, ৮৪, ৯৪৪জন লোক ক্ষতিগ্ৰস্ত হৈছে। ইতিমধ্যে ৯৭জন লোকৰ মৃত্যু হোৱাৰ লগতে ৪জন লোক এতিয়াও নিৰুদ্দেশ হৈ আছে। বৰ্তমান ৰাজ্যৰ বিভিন্ন সাহায্য শিবিৰত ৭৬, ৮৮৫জন বানপীড়িত লোকে আশ্ৰয় লৈ আছে। আনহাতে বানাক্ৰান্ত জিলাসমূহত ৪, ০১১টা বাসগৃহ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছে। এই পৰিস্থিতিৰ মাজতে গৌৰৱ গগৈৰ পত্ৰখনেই কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি অসমৰ ফালে নিবলৈ সহায় কৰিব বুলি আশা কৰিছেৰাজ্যবাসীয়ে।

# ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫-ত

অসাধাৰণ দক্ষতা আৰু হস্ততাঁত খণ্ডলৈ অৱদানৰ বাবে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫ লাভ কৰে। তৃতীয়গৰাকী মিছ ৰীতি ডলে হস্ততাঁত শিল্পত সৃষ্টিশীলতা আৰু দক্ষতাৰ স্বীকৃতি স্বৰূপে একেখন বঁটাৰে সন্মানিত হয়। ইফালে, উদ্যোগী যুগল ভৰালীৰ প্ৰতিষ্ঠান M/S Marvella Associates-এ 'Start-up Ventures/Producer Company' শাখাত হস্ততাঁত খণ্ডত অসাধাৰণ প্ৰদৰ্শনৰ বাবে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫ লাভ কৰে। এই বঁটাই অসমৰ নতুন উদ্যোগী প্ৰজন্মকো উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যত গভীৰ আনন্দ প্ৰকাশ কৰি নিজৰ ফেচবুক পোষ্টযোগে সকলো বঁটাপ্ৰাপ্তক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয়, "আমাৰ বাবে গৌৰৱৰ কথা যে বয়ন শিতানত সন্ত কবীৰ হস্ততাঁত বঁটাৰে শ্ৰীমতী ৰুণিমা চেতিয়া চৌধুৰী, ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাৰে শ্ৰীমতী জ্যোতি ভূএগ্ৰ, শ্ৰীমতী ৰীতি ড'লে তথা ষ্টাৰ্টআপ-উৎপাদন কোম্পানীৰ শিতানত মেছাৰ্ছ মাৰ্ভেল্লা এছ'চিয়েটে লাভ কৰিছে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা। এই সন্মানে অসমৰ সমৃদ্ধ বস্ত্ৰ-ঐতিহ্য, শিল্পকুশলতা আৰু সৃষ্টিশীলতাক সমগ্ৰ দেশৰ সন্মুখত পুনৰ উজলাই তুলিছে।" মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ পৰা বঁটা গ্ৰহণ কৰা মুহূৰ্তটো অসমবাসী হিচাপে অত্যন্ত আনন্দৰ। তেওঁ বঁটাপ্ৰাপকসকলৰ নিষ্ঠা, অধ্যৱসায় আৰু সৃজনশীলতাই ভৱিষ্যত প্ৰজন্মক এই গৌৰৱময় পৰম্পৰা আগুৱাই নিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে। অসমৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ সমৃদ্ধ পৰম্পৰাই ৰাষ্ট্ৰীয় পৰ্যায়ত এই স্বীকৃতি লাভ কৰাটো অতি গুৰুত্বপূৰ্ণ। এই সন্মানে ৰাজ্যখনৰ শিপিনী-শিল্পীসকলক নতুন উদ্যম দিয়া উপৰি সমগ্ৰ দেশতে অসমৰ হস্ততাঁত খণ্ডৰ সুনাম আৰু বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

# প্ৰধানমন্ত্ৰী সন্ধানহীন' বেনাৰেৰে

A For Absent ?" — অৰ্থাৎ অসমৰ বাবে আটাইতকৈ সাহসৰ প্ৰয়োজন হোৱা সময়ত 'প্তছ ইঞ্চি'ৰ প্ৰতিমূৰ্তিটো নাই। এনএছইউআইৰ নেতাসকলে কয় যে, উজনি অসমৰ বানপীঞ্চতি ৰাইজে বিগত ২০ দিন ধৰি ককবকাই আছে, কিন্তু প্ৰধানমন্ত্ৰীৰ কোনো খবৰ নাই। "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনৰ সময়ত সঘনাই অসমলৈ আহি A for Assam বুলি ইংৰাজী বৰ্ণমালা গাইছিল। কিন্তু আজি বিপদৰ সময়ত অসমীয়াই তেওঁক অষ্টলক্ষ্মীৰ কাষত থিয় হোৱা দেখিবলৈ নাপালে। সংকটৰ মুখত অসমবাসীৰ কাষত থিয় দিয়াটো তেওঁৰ কৰ্তব্য, কিন্তু তাত তেওঁ সম্পূৰ্ণ অনুপস্থিত।" সংগঠনটোৱে অভিযোগ উত্থাপন কৰে যে, অসমৰ বানপানীৰ ফলত লোকসকলৰ প্ৰায় সকলো নিঃশেষ হৈছে, তথাপি কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমলৈ কোনো বিশেষ আৰ্থিক পেকেজ ঘোষণা কৰা হোৱা নাই। লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে এই সংকটময় সময়ত কোনো গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণ কৰা নাই বুলিও সদৰি কৰে তেওঁলোকে। এনএছইউআইৰ এই প্ৰতিবাদে বানপীড়িত ৰাইজৰ মনৰ কথাক প্ৰতিফলিত কৰে বুলি দাবী কৰি সংগঠনটোৱে ৰাজ্যবাসীৰ হৈ প্ৰধানমন্ত্ৰীৰ ওচৰত অহা-যোৱা আৰু সকাহৰ বিনয় আবেদন জনায়। ইফালে, এনএছইউআইৰ বেনাৰ প্ৰতিবাদক লৈ সামাজিক মাধ্যমত যথেষ্ট আলোচনা-সমালোচনা চলিছে।

# প্ৰতিবাদত নামিলেই 'দেশবিৰোধী' টেগ

সমাৰোহত প্ৰায় দুই হাজাৰ জেন জি আৰু জেন আলফা প্ৰজন্মৰ সদস্যক সম্বোধন কৰিয়েই তেওঁ এই মত প্ৰকাশ কৰে। ভাগৱতে কয়, "যুৱপ্ৰজন্মক কাঠগড়াত থিয় কৰোৱাৰ সলনি তেওঁলোকৰ কথা মন দি শুনিব লাগে। তেওঁলোক আমাৰ নিজৰ মানুহ, আমাৰ আগন্তুক দিনৰ ভিত্তি। তেওঁলোকক যদি আমি বুজিব নোৱাৰো, তেন্তে আগুৱাই যোৱা অসম্ভৱ।" তেওঁ লগতে উল্লেখ কৰে যে যুৱকসকলক যিকোনো প্ৰশ্ন বা অসন্তোষ প্ৰকাশ কৰাৰ অধিকাৰ আছে, কিন্তু সেই প্ৰকাশৰ পদ্ধতি গণতান্ত্ৰিক মূল্যবোধৰ পৰা বিচ্যুত নহ'ব লাগে। আজিৰ জেন জি আৰু জেন আলফা প্ৰজন্ম যে আগৰ প্ৰজন্মতকৈ অধিক সৎ আৰু নিষ্ঠাবান, সেই কথাও গুৰুত্ব সহকাৰে দোহাৰে ভাগৱতে। তেওঁ কয়, "নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেম আৰু দেশৰ সেৱাৰ মনোভাৱ গভীৰভাৱে বিদ্যমান। তেওঁলোকৰ কাম-কাজ আৰু মতামতক যদি আমি সঠিকভাৱে মূল্যায়ন কৰো, তেন্তে বহু ক্ষেত্ৰত তেওঁলোকেই আমাক নতুন দিশ দেখুৱাব পাৰে।" শেহতীয়া ছাত্ৰ আন্দোলন আৰু আৰক্ষীৰ সৈতে হোৱা সংঘাতৰ প্ৰসংগত ভাগৱতে সতৰ্কবাণী উচ্চাৰণ কৰে যে সম্পূৰ্ণ তথ্য আৰু প্ৰমাণ নোহোৱাকৈ যিকোনো ঘটনাৰ বিষয়ে সিদ্ধান্ত লোৱাটো বিপজ্জনক। "কিছুমান গোচৰত অসামাজিক উপাদান জড়িত থকাৰ কথা সংবাদ মাধ্যমত প্ৰকাশ পাইছে, কিন্তু প্ৰমাণিত তথ্য অবিহনে কোনো গোট বা ব্যক্তিক দোষী সাব্যস্ত কৰা উচিত নহয়, "— বুলি তেওঁ মত প্ৰকাশ কৰে। আৰ এছ এছ প্ৰধানে স্পষ্টভাৱে জনায় যে তেওঁ কেতিয়াও জেন জিক প্ৰতিবাদ নকৰিবলৈ কোৱা নাই। কিন্তু একেই সময়ত তেওঁ সোঁৱৰাই দিয়ে যে গণতন্ত্ৰত প্ৰতিবাদৰো এক নিৰ্দিষ্ট নীতি-নিয়ম আৰু পদ্ধতি আছে। "প্ৰতিবাদেৰে সমাজত পৰিৱৰ্তন আনা সম্ভৱ, কিন্তু তাক শৃংখলাবদ্ধ আৰু আইনসন্মত উপায়েৰে কৰিব লাগে, "— ভাগৱতে কয়। তেওঁৰ মতে, যুৱপ্ৰজন্মই যেতিয়া মাত মাতে, তাত কেৱল বিৰোধিতা নাথাকে; তাত লুকাই থাকে সমাজৰ বিৱৰ্তন আৰু সংস্কাৰৰ এক গভীৰ আকাংক্ষা। এই আকাংক্ষাক সমীচীন আৰু ইতিবাচক দিশত ৰাখিব পাৰিলেহে দেশ আগুৱাই যাব বুলি মন্তব্য কৰি মোহন ভাগৱতে যুৱশক্তিক সন্মান আৰু বুজাবুজিৰে আগবঢ়াই নিবলৈ আহ্বান জনায়।

# বান সাহায্য বিতৰণত গুৰুতৰ অনিয়মৰ

তেওঁ অভিযোগ উত্থাপন কৰে। পত্ৰখনত শইকীয়াই উল্লেখ কৰে যে নাজিৰা উন্নয়ন খণ্ডৰ ২১, ১৮১ পৰিয়াল, আঠখেল জিলা পৰিষদ অঞ্চলৰ ৯, ৮৩৮ পৰিয়াল আৰু আমগুৰি জিলা পৰিষদ অঞ্চলৰ ৫, ২০০ পৰিয়াল — মুঠ ৩৬, ২১৯ পৰিয়াল বানত ক্ষতিগ্ৰস্ত হৈছে। কিন্তু বাস্তৱত এই পৰিয়ালসমূহৰ মাজত মাত্ৰ প্ৰায় ২৫, ০০০ পৰিয়ালেহে সাহায্যৰ ধন পাইছে। এই পাৰ্থক্যই প্ৰশাসনৰ পৰ্যায়ত হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়াত গুৰুতৰ গাফিলতিৰ ইংগিত দিয়ে। তদুপৰি, পত্ৰখনত অভিযোগ কৰা হৈছে যে একে পৰিয়ালৰে দুজন বা তিনিজন সদস্যই পৃথকভাৱে সাহায্য লাভ কৰিছে। আকৌ বানৰ ফলত ক্ষতিগ্ৰস্ত নোহোৱা পৰিয়ালেও প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (DBT)ৰ জৰিয়তে ধন পাইছে। আনহাতে, যিসকল পৰিয়ালৰ ঘৰত পানী সোমাই সম্পূৰ্ণ ক্ষতিগ্ৰস্ত হৈছে, যিসকলে পকী ঘৰৰ প্ৰথম বা দ্বিতীয় মহলাত আশ্ৰয় লৈ আছে, তেওঁলোকৰ একাউণ্টত এতিয়াও ধন সোমোৱা নাই। অথচ চোতালত অলপ পানী অহা আৰু ঘৰৰ ভিতৰত পানী নোসোমোৱা পৰিয়ালেই সময়মতে ১৫, ০০০ টকা লাভ কৰিছে। শইকীয়াই লগতে কয় যে ইতিমধ্যে সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি এই অনিয়মৰ বাবেই ৰাজ্য চৰকাৰে সাহায্য বিতৰণ সাময়িকভাৱে স্থগিত ৰাখিছে। তেওঁ মুখ্যমন্ত্ৰীৰ কাষত দাবী জনায় যে শাসকীয় দলৰ ৰাজনৈতিক ব্যক্তি আৰু শিক্ষকসকলে পৃথকভাৱে প্ৰস্তুত কৰা তালিকাসমূহ মিলাই চাব লাগে। লগতে এই অনিয়মৰ বাবে কিয়, ক'ত আৰু কোনে দায়ী, তাৰ সম্পূৰ্ণ তদন্ত কৰি দোষীসকলক শাস্তি দিয়া উচিত। প্ৰতিবেদনটো ৰাজহুৱা কৰিবলৈও আহ্বান জনায়। একেদিনাই মুকলি কৰা পত্ৰখনত শইকীয়াই মুখ্যমন্ত্ৰীৰ আন এটা ঘোষণা — ছমাহলৈ ড্ৰন্ত স্থগিত ৰখাৰ সিদ্ধান্ত — সম্পৰ্কেও তথ্য প্ৰকাশ কৰে। তেওঁ কয়, "আপুনি ঘোষণা কৰিছিল যে কোনো ধৰণৰ EMI ধাৰকসকলে ছমাহলৈ পৰিশোধ কৰিব নালাগে। কিন্তু বাজাজ কেপিটেলকে ধৰি বিভিন্ন বেংকে হিতাধিকাৰীসকলক কিস্তি পৰিশোধৰ বাবে জাননী দিছে। গতিকে আপুনি সোনকালে হস্তক্ষেপ কৰি বেংকসমূহক এই ঘোষণা মানিবলৈ নিৰ্দেশ দিয়ক।" শেষত শইকীয়াই উল্লেখ কৰে যে এই প্ৰলয়ংকাৰী বানত মানুহে নিজৰ গৃহস্থালিৰ সকলো সা-সৰঞ্জাম, বাচন-বৰ্তন, বিছনা, ঔষধ আদি হেৰুৱাইছে। তেওঁ দাবী জনায় যে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ঘৰ চাফা কৰা আৰু প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবে কমেও এক লাখ টকাকৈ প্ৰাৰম্ভিক সাহায্য আগবঢ়োৱা হওক। "১৫, ০০০ টকা কোনো ধৰণেই পৰ্যাপ্ত নহয়, "— বুলি উল্লেখ কৰি তেওঁ মুখ্যমন্ত্ৰীৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ পদক্ষেপ কামনা কৰিছে।

# ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়ামত বেডমিণ্টন ক'ৰ্টত নতুন মেটৰ উদ্বোধন অসম বেডমিণ্টন সন্থাৰ সচিব ওমৰ ৰছিদৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়ামত জৱাহৰলাল নেহৰু পৰ্ট অথৰিটিৰ অৰ্থ সাহায্যৰে পাঁচখন বেডমিণ্টন কৰ্টত অত্যাধুনিক চিন্থেটিক মেট স্থাপন কৰা হয়। এই আন্তঃ গাঁথনি উন্নয়ন আৰু চিন্থেটিক মেট স্থাপনৰ আনুষ্ঠানিক ভাৱে আজি উদ্বোধন কৰে অসম বেডমিণ্টন সন্থাৰ সচিব তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ (বাই) উপ সভাপতি ওমৰ ৰছিদে। উল্লেখযোগ্য যে, জৱাহৰলাল নেহৰু পৰ্ট অথৰিটিয়ে এই আন্তঃ গাঁথনি উন্নয়নৰ বাবে জিলা ক্ৰীড়া সন্থাক ১৯ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিছে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা অসম বেডমিণ্টন সন্থাৰ সচিব ওমৰ ৰছিদে কয় যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই ক্ৰীড়া প্ৰতিভাৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কৰি আহিছে। জিলা ক্ৰীড়া সন্থাই কেইবাগৰাকী আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ উলিয়াবলৈ সক্ষম হৈছে। তাৰ বাবে ৰছিদে জিলা ক্ৰীড়া সন্থাক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কণকণ খেলুৱৈ সকলক সন্থাই প্ৰদান কৰা এই সুবিধা গ্ৰহণ কৰি নিজৰ একাগ্ৰতা পৰিশ্ৰমৰ যোগেদি উচ্চ শিখৰত উপনীত হ'বলৈ আহ্বান জনায়। তেখেতে ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতি ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়াই অহাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। চলিত মাহৰ শেষৰ ফালে ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ জিলা বেডমিণ্টন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি খেলুৱৈ সকলক নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে পোনপ্ৰথমবাৰৰ বাবে অসমত বেডমিণ্টনৰ পইণ্ট ১৫ লৈ হ্ৰাস কৰা হৈছে। ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ জিলা বেডমিণ্টন চেম্পিয়নশ্বিপত খেল সমূহ ১৫ পইণ্টৰ হ'ব। ভাৰতবৰ্ষতো এই নতুন নিয়ম প্ৰৱৰ্তন কৰা হ'ব বুলি তেওঁ কয়। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তীয়ে কয় যে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই শেহতীয়াকৈ ক্ৰীড়া আন্তঃ গাঁথনি উন্নয়নৰ ক্ষেত্ৰত প্ৰশংসনীয় কাম কাজ কৰিছে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। খেলুৱৈ সকলক এই সুবিধা গ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াই নিজৰ ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়ায় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কামাখ্যা শইকীয়াই। অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি মানস জ্যোতি দত্ত, কোষাধ্যক্ষ প্ৰণৱ সোণোৱাল, উপ সভাপতি সঞ্জয় জৈন, আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ ঈশা ৰাণী বৰুৱাৰ পিতৃ মুলেশ্বৰ বৰুৱা, জিলা ক্ৰীড়া সন্থাৰ বেডমিণ্টন বিভাগৰ সম্পাদক সুনীল গগৈ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। এই অনুষ্ঠানতে মুলেশ্বৰ বৰুৱা আৰু আন এগৰাকী আন্তঃ ৰাষ্ট্ৰীয় বেডমিণ্টন খেলুৱৈ নিংশি ব্লক হাজৰিকাৰ মাতৃ লতা বৰুৱা হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়।

# কমলাবাৰী একাডেমিত ঐক্যসাজ বিতৰ বিধায়কৰ দ্বাৰা শুভাৰম্ভ

কালিলৈৰ পৰাই বিদ্যালয়ৰ সংযোগী পথ নিৰ্মাণৰ আশ্বাস; পিছ মুহূৰ্ততে খণ্ড উন্নয়ন বিষয়া উপস্থিত

**অসম বাৰ্তা, উজনী মাজুলী, ৮ আগষ্ট ঃ** মাজুলী কমলাবাৰীৰ মাজ মজিয়াত অৱস্থিত অগ্ৰণী উচ্চ মাধ্যমিক বিদ্যালয় কমলাবাৰী একাডেমিৰ জৰাজীৰ্ণ সংযোগী পথ কালিলৈৰ পৰাই নিৰ্মাণ আৰম্ভ হ'ব। বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ আহ্বানক সহঁাৰি জনাই এই ঘোষণা কৰে স্থানীয় বিধায়ক ভুবন গামে। আজি বিয়লি ২ বজাত বিদ্যালয়ত নৱম আৰু দশম শ্ৰেণীৰ ঐক্যসাজ বিতৰণ শুভাৰম্ভ কৰি নিজৰ ভাষণত বিধায়ক গৰাকীয়ে এই প্ৰতিশ্ৰুতি দিয়ে। বিদ্যালয়ৰ দুৰ্যোগ পূৰ্ণ সংযোগী পথ, বৰষুণ দিলে ক্লাছ কৰিব নোৱৰা প্ৰধান গৃহটোৰ উন্নয়নৰ দাবীত বিদ্যালয়ৰ প্ৰধান শিক্ষক কমল দত্তই বিধায়ক গৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। বিধায়ক গৰাকীয়ে সেইসকলো সমস্যা দূৰ কৰাৰ প্ৰতিশ্ৰুতি দি বিদ্যালয়খনিৰ পৰা উন্নত ফলাফল আহ্বান কৰে আৰু বিজেপি চৰকাৰে মেধাৰ ভিত্তিত নিযুক্তি দিয়া বিদ্যালয়খনিৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ লগত চিনাকি হৈ তেওঁলোকক সম্পূৰ্ণ ব্যক্তিগত বিদ্যালয়ত আগবঢ়োৱা সেৱাৰ দৰে প্ৰচেষ্টা ল'বলৈ আহ্বান জনায়। বিধায়কগৰাকীৰ আহ্বানক স্বাগতম জনাই প্ৰত্যেক গৰাকীয়ে আগন্তুক দিনক কমলাবাৰী একাডেমিক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত স্থানীয় ৰাইজৰ হৈ অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়া আৰু ললিত শইকীয়াই ভাষণ দি বিধায়ক গৰাকীৰ প্ৰতিশ্ৰুতিক আদৰণী জনাই আৰু কমলাবাৰী একাডেমি আগন্তুক দিনত মাজুলীৰ প্ৰথম দহখন বিদ্যালয়ৰ এখন হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আশা ৰাণী হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকা, বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি ধীৰেন বৰুৱাই অংশ গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে বিধায়ক গৰাকীক এখনি ফুলাম গামোচাৰে বিদ্যালয়ৰ হৈ জ্যেষ্ঠ শিক্ষয়িত্ৰী ৰাণু বৰুৱা পাঠকে আদৰণি জনায়। বিধায়ক গৰাকীয়ে দুগৰাকী ছাত্ৰ-ছাত্ৰীক ঐক্যসাজ প্ৰদান কৰি কাৰ্যসূচী শুভাৰম্ভ ঘটায়। ইফালে বিধায়কৰ নিৰ্দেশত সভা অন্ত পৰাৰ কিছু সময়ৰ পিছতে মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অবিনাশ টায়ে আৰু অভিযন্তা মৃণ্ময় ভৰদ্বাজ বিদ্যালয়ত উপস্থিত হয়গৈ। বিদ্যালয়ৰ সংযোগী পথ আৰু বিদ্যালয়ৰ নিৰ্মাণ কৰিবলগীয়া গৃহ পৰিদৰ্শন কৰে। বিষয়া গৰাকীক এখনি গামোচাৰে আদৰণি জনায় আৰু বিষয়খিনি প্ৰধান শিক্ষকে অৱগত কৰে। দুয়োগৰাকী বিষয়াই সকলো মনযোগেৰে শুনি পৰ্যায়ক্ৰমে সমাধা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

**৪০ গৰাকী প্ৰশিক্ষাৰ্থীক মানপত্ৰ আৰু শাল প্ৰদান**

# মৰিগাঁৱত দ্বাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ আগষ্ট ঃ** মৰিগাঁও জিলা হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত দ্বাদশ সংখ্যক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসটো আজি মৰিগাঁৱত বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। মৰিগাঁৱৰ মেঘালী চিল্ক আৰু প্ৰশিক্ষণ কেন্দ্ৰ আৰু গুৱাহাটীৰ খানাপাৰাস্থিত উইভিং চাৰ্ভিছ চেন্টাৰৰ সহযোগত মৰিগাঁও চহৰৰ বুঢ়াগাঁৱস্থিত মেঘালী চিল্কৰ কাৰ্যালয় প্ৰাংগণত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসটোৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত কৰা হয়। মেঘালী দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাখন উদ্বোধন কৰে তিৱা স্বায়ত্ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈয়ে। সভাত অংশগ্ৰহণ কৰি মৰিগাঁও জিলা হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালক প্ৰণিতা বৰুৱাই দিৱসটোৰ তাৎপৰ্য সবিস্তাৰে ব্যাখ্যা কৰে। সভাত ৰেচম বিভাগৰ সম্প্ৰসাৰণ বিষয়া সুজিতা কলিতা, উত্তৰ পূব উদ্যোগী নাৰী সন্থাৰ কেন্দ্ৰীয়



সমিতিৰ উপ সভানেত্ৰী অঞ্জু বুঢ়াগোহাঁই, সাধাৰণ সম্পাদিক ইন্দু সিং, গুৱাহাটীৰ সভানেত্ৰী ড° অনিতা চেতিয়াই একোটাকৈ চমু ভাষণ প্ৰদান কৰে। ইপিনে এই দিৱসৰ লগত সংগতি ৰাখি হস্ততাঁত শিল্পৰ প্ৰচাৰ আৰু সজাগতা সৃষ্টিৰ লক্ষ্যৰে এক সজাগতামূলক অনুষ্ঠানৰো আয়োজন কৰা হয়। শতাধিক উদ্যমী মহিলাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২০২৩ বৰ্ষত মুগাৰ মেখেলাৰ বাবে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা লাভ কৰা মৰিগাঁৱৰ বিশিষ্ট উদ্যোগী মহিলা মেঘালী দেউৰী দাসে জানিবলৈ দিয়ে যে, স্থানীয় মহিলা তথা প্ৰশিক্ষাৰ্থীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে দুটাকৈ প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল- এটা 'সমৰ্থ' আঁচনিৰ অধীনত WSCৰ সহযোগত আৰু আনটো শিপিনীসকলৰ পাৰিশ্ৰমিক বৃদ্ধিৰ উপায় সম্পৰ্কত। সফলভাৱে প্ৰশিক্ষণ সমাপ্ত কৰা ৪০ গৰাকী প্ৰশিক্ষাৰ্থী শিপিনীক এই দিৱসৰ দিনা আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰাৰ লগতে প্ৰত্যেককে একোখনকৈ তাঁতশাল বিতৰণ কৰা হয়।

# বৰপথাৰৰ কল্যাণীপাৰাত ভয়াৱহ অগ্নিকাণ্ড; ভস্মীভূত তিনিটাকৈ বাসগৃহ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৮ আগষ্ট ঃ** গোলাঘাট জিলাৰ বৰপথাৰ পৌৰসভাৰ অন্তৰ্গত ১০ নং ৱাৰ্ডৰ কল্যাণীপাৰাত শুকুৰবাৰে সংঘটিত এক ভয়াৱহ অগ্নিকাণ্ডত তিনিটাকৈ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোত আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, মিঠুন চক্ৰৱৰ্তী নামৰ ব্যক্তিজনৰ বাসগৃহত প্ৰথমে অগ্নিৰ সূত্ৰপাত ঘটে। মুহূৰ্তৰ ভিতৰতে জুইৰ লেলিহান শিখাই কাষত থকা বাসগৃহলৈও বিয়পি পৰে। অগ্নিকাণ্ডত মিঠুন চক্ৰৱৰ্তী আৰু গোপাল শৰ্মাৰ বাসগৃহৰ লগতে কেইবাটাও ভাৰাঘৰ জুইত জাহ যায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে অগ্নি নিৰ্বাপক বাহিনীৰ দুখনকৈ বাহন ঘটনাস্থলীত উপস্থিত হয় আৰু বহু চেষ্টা চলাই অৱশেষত জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। এই ভয়ংকৰ অগ্নিকাণ্ডত প্ৰায় ৩৫ লাখ টকাৰ সা-সম্পত্তি ক্ষতিগ্ৰস্ত হোৱা বুলি জানিব পৰা গৈছে। আনহাতে, অগ্নিকাণ্ডত চাৰিটাকৈ কুকুৰ পোৱালি অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এই পৰ্যন্ত নিশ্চিত হোৱা নাই যদিও ইলেকট্ৰিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই অগ্নিকাণ্ডটো সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হোৱাৰ লগতে বৰপথাৰ পৌৰসভাৰ পৌৰপতি আৰু অন্যান্য বিষয়াসকল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। অগ্নিকাণ্ডৰ কাৰণ আৰু ক্ষয়-ক্ষতি সন্দৰ্ভত অধিক তদন্ত অব্যাহত আছে।

# গুৱাহাটীৰ 'Infinity Media' আৰু ৰাহিদুৰ ৰহমানৰ উদ্যোগত উজনি অসমত বান সাহায্য বিতৰণ

**অসম বাৰ্তা, মৈৰাবাৰী, ৮ আগষ্ট ঃ** প্ৰকৃতিৰ তাণ্ডৱ লীলাত সৰ্বস্বান্ত হৈ পৰা উজনি অসমৰ বানাক্ৰান্ত লোকসকলৰ কাষত থিয় দিছে গুৱাহাটীৰ আগশাৰীৰ অনুষ্ঠান Infinity Media। অনুষ্ঠানটোৰ সৌজন্যত তথা বিশিষ্ট সমাজসেৱক তথা 'প্ৰতিদিন টাইম'ৰ মাৰ্কেটিং হেড ৰাহিদুৰ ৰহমানৰ প্ৰত্যক্ষ নেতৃত্বত যোৱা তিনি দিন ধৰি উজনি অসমৰ বিভিন্ন বানবিধ্বস্ত অঞ্চলত এক বৃহৎ বান সাহায্য বিতৰণ অভিযান সফলতাৰে সম্পন্ন কৰা হয়। দুৰ্গম আৰু অৱহেলিত অঞ্চললৈ সাহায্যৰ হাত প্ৰাপ্ত তথ্য অনুসৰি, এই সাহায্য অভিযানৰ মূল লক্ষ্য আছিল সেইসকল দুৰ্গম আৰু অৱহেলিত অঞ্চলৰ বানপীড়িত পৰিয়াল। বানপানীয়ে সৰ্বস্ব কেৰি নিয়া দুৰ্ভগীয়া মানুহখিনিৰ কাষত আশীৰ্বাদৰ হাত বিয়পাই দি মানৱতাৰ এক সুন্দৰ উদাহৰণ দাঙি ধৰে এই দলটোৱে। বিতৰণ কৰা সাহায্য সামগ্ৰীসমূহ বানাক্ৰান্ত পৰিয়ালসমূহক জগতৰ কামত অহা কেবাবিধো গুৰুত্বপূৰ্ণ সামগ্ৰী বিতৰণ কৰা হয়। ইয়াৰ ভিতৰত উল্লেখযোগ্য আছিল খাদ্যসামগ্ৰী প্ৰায় ২৫০০০ পেকেট নুডলছ, পৰ্যাপ্ত পৰিমাণৰ চাউল আৰু অন্যান্য শুকান ৰেচন সামগ্ৰী। নিত্যপ্ৰয়োজনীয় সামগ্ৰী: বানৰ পিছত স্বাস্থ্য আৰু চাফাই ৰক্ষাৰ বাবে চাবোন, ব্লিচিং পাউডাৰ, মহ খেদাবৰ বাবে মছছৰ কইল, লগতে পানী কঢ়িয়া আৰু ব্যৱহাৰৰ বাবে বাল্টি, মগ আৰু চোকা আদি। বস্ত্ৰ বিতৰণ বানাক্ৰান্ত মহিলা আৰু পুৰুষসকলৰ বাবে মেখেলা চাদৰ, চাৰ্ট আৰু কণ কণ শিশুসকলৰ উপযোগী নতুন কাপোৰ। সহযোগীসকলৰ ভূমিকা এই মহৎ তথা মানবীয় অভিযানটো সফল কৰি তোলাৰ ক্ষেত্ৰত ৰাহিদুৰ ৰহমানক সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়ায় কেইগৰাকীমান নিষ্ঠাবান কৰ্মীয়ে। তেখেতৰ মুখ্য সহযোগীসকল আছিল সুমন কাফলে, নিশা সিং, নজিব আহমেদ, এই দলটোৱে দিনে-নিৰ্বিশেষে কষ্ট স্বীকাৰ কৰি বানাক্ৰান্তৰ দুৱাৰদলিত সাহায্য সামগ্ৰীসমূহ সুৰক্ষিতভাৱে পৌঁছে দিয়ে। জনসাধাৰণৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা Infinity Media আৰু ৰাহিদুৰ ৰহমানৰ এই সময়োপযোগী পদক্ষেপে উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ মাজত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। প্ৰতিকূল পৰিস্থিতিকো নেওচি দুৰ্গম অঞ্চলত চলোৱা এই সাহায্য অভিযানক সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

# অসম কৃষিসেৱা বিষয়া সন্থাৰ মৰিগাঁও জিলা শাখা আৰু কৃষক উৎপাদক কোম্পানীৰ সহযোগত শিৱসাগৰ জিলাৰ বানাক্ৰান্ত কৃষকলৈ শালিধানৰ কঠীয়া প্ৰেৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ আগষ্ট ঃ** অসম কৃষিসেৱা বিষয়া সন্থাৰ উদ্যোগত তথা মৰিগাঁও জিলা শাখা আৰু এখোজ কৃষক উৎপাদক কোম্পানীৰ সহযোগত আজি শিৱসাগৰ জিলাৰ বানাক্ৰান্ত কৃষকলৈ শালিধানৰ কঠীয়া আনুষ্ঠানিকভাৱে প্ৰেৰণ কৰা হয়। অসম কৃষি সেৱা বিষয়া সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ভূঞাৰ উপস্থিতিত শিৱসাগৰ জিলাৰ আমগুৰি মহকুমালৈ উন্নত ৰঞ্জিৎ চাব-১ জাতৰ প্ৰায় ৫০০ বাণ্ডোল শালি ধানৰ কঠীয়া প্ৰেৰণ কৰা হয়। উজনি অসমৰ কেইবাখনো জিলাত সংঘটিত প্ৰলয়ংকাৰী বানৰ ফলত কৃষিক্ষেত্ৰকে ধৰি জনসাধাৰণৰ জীৱন-জীৱিকাত ব্যাপক ক্ষতি সাধন হৈছে। বিশেষকৈ কৃষকৰ খেতি-পথাৰ বানপানীৰ কবলত পৰি বিনষ্ট হোৱাত পুনৰ খেতি আৰম্ভ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই পৰিস্থিতিৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰি আৰু বানাক্ৰান্ত কৃষকৰ খেতি পুনৰ জীপাল কৰাৰ উদ্দেশ্যে এই



পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপে বানৰ ফলত ক্ষতিগ্ৰস্ত কৃষকসকলক পুনৰ কৃষিকাৰ্য আৰম্ভ কৰাত সহায় কৰাৰ লগতে কৃষি উৎপাদন স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হয়। আজিৰ অনুষ্ঠানত কৃষি সঞ্চালকালয়ৰ সহকাৰী কৃষি তথ্য বিষয়া নূপুৰ কলিতা, সহকাৰী কৃষি সঞ্চালক কমলেন্দ্ৰ বৰ্মন, মহকুমা কৃষি বিষয়া প্ৰফুল্ল চহৰীয়া, মৰিগাঁও জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া মুছাহীদ ফাৰুকী, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কিশোৰ কুমাৰ কলিতা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথৰ লগতে এখোজ কৃষক উৎপাদক কোম্পানীৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# গৌৰীপুৰত এটিএম কাৰ্ড সলনি কৰি প্ৰতাৰণা; দুই অভিযুক্ত গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গৌৰীপুৰ, ৮ আগষ্ট ঃ** গৌৰীপুৰ বজাৰত সংঘটিত এটিএম কাৰ্ড সলনি কৰি ধন আত্মসাৎ কৰাৰ এক ঘটনাৰ তদন্তত আৰক্ষীয়ে দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি বৃহৎ সফলতা লাভ কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি, ৩ আগষ্ট, ২০২৬ তাৰিখে ছানোৱাৰ আলী আৰু আমিৰ আলী নামৰ দুই অভিযুক্তই একে উদ্দেশ্য আৰু পৰিকল্পনাৰে গৌৰীপুৰ বজাৰস্থিত ষ্টেট বেংক অৱ ইণ্ডিয়া (SBI)-ৰ এটিএমত এগৰাকী মহিলা গ্ৰাহকৰ এটিএম কাৰ্ড কৌশলেৰে সলনি কৰি দিয়ে। পিছতসেই কাৰ্ড ব্যৱহাৰ কৰি গৌৰীপুৰস্থিত HDFC বেংকৰ এটিএমৰ জৰিয়তে চাৰিটা পৃথক লেনদেনৰ মাধ্যমেৰে ভুক্তভোগীৰ বেংক একাউণ্টৰ পৰা ৩৫ হাজাৰ টকা আত্মসাৎ কৰে। ৬ আগষ্টত গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে তৰঘাটস্থিত আমিন হোটেলৰ পৰা দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ দখলৰ পৰা বিভিন্ন ব্যক্তিৰ নামত থকা ৫খন এটিএম কাৰ্ড আৰু দুটা মোবাইল ফোন উদ্ধাৰ কৰা হয়। জেৰা চলোৱাৰ সময়ত অভিযুক্ত আমিৰ আলীয়ে নিজৰ বাসগৃহত আৰু অধিক চুৰি কৰা এটিএম কাৰ্ড আৰু আত্মসাৎ কৰা ধনৰ এটা অংশ লুকুৱাই ৰখাৰ কথা স্বীকাৰ কৰে। ইয়াৰ ভিত্তিত আৰক্ষীয়ে তেওঁৰ বাসগৃহত তালাচী চলাই আৰু ৭খন বিভিন্ন ব্যক্তিৰ এটিএম কাৰ্ড আৰু নগদ ২০ হাজাৰ টকা উদ্ধাৰ কৰে। অভিযুক্তই উদ্ধাৰ হোৱা এই ধন ভুক্তভোগীৰ একাউণ্টৰ পৰা আত্মসাৎ কৰা ধনৰ অংশ বুলি স্বীকাৰ কৰে। আৰক্ষীৰ জেৰাত অভিযুক্তই উদ্ধাৰ হোৱা এটিএম কাৰ্ডসমূহো একেধৰণৰ এটিএম কাৰ্ড সলনি কৰি প্ৰতাৰণা (ATM Swapping Fraud) কৌশলেৰে বিভিন্ন লোকৰ পৰা সংগ্ৰহ কৰা বুলি স্বীকাৰোক্তি দিয়ে। অভিযানত মুঠ ১২খন বিভিন্ন ব্যক্তিৰ এটিএম কাৰ্ড, দুটা মোবাইল ফোন আৰু নগদ ২০ হাজাৰ টকা উদ্ধাৰ কৰা হৈছে। ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি বা বৃহত্তৰ প্ৰতাৰণা চক্ৰ জড়িত আছে নেকি, সেই দিশত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বৰপেটাত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান; ৯৭৫ গ্ৰাম গাঞ্জা জব্দ, এজনক আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৮ আগষ্ট ঃ** ৰাজ্যজুৰি চলি থকা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ অভিযানৰ মাজতে বৰপেটা আৰক্ষীয়ে পুনৰ এক সফল অভিযান চলাই ৯৭৫ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হৈছে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত গজেন শীল নামৰ এজন ব্যক্তিক আটক কৰি অধিক তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। আৰক্ষী সূত্ৰৰ তথ্য অনুসৰি, গোপন খবৰৰ ভিত্তিত চলোৱা এই বিশেষ অভিযানত সন্দেহজনকভাৱে সৰবৰাহ কৰা গাঞ্জাখিনি উদ্ধাৰ কৰা হয়। অভিযানৰ সময়ত আৰক্ষীয়ে গজেন শীলক আটক কৰাৰ লগতে জব্দকৃত গাঞ্জাখিনি নিজৰ জিম্মাত লৈ প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰাৰম্ভিক তদন্তত এই ঘটনাৰ সৈতে আন কোনো ব্যক্তি বা বৃহৎ নিচাজাতীয় সামগ্ৰী সৰবৰাহকাৰী চক্ৰ জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। এই সন্দৰ্ভত অধিক তথ্য সংগ্ৰহৰ বাবে আটক ব্যক্তিজনক সোধা-পোছা চলি থকাৰ কথাও আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, সমাজত নিচাজাতীয় সামগ্ৰীৰ প্ৰসাৰ ৰোধ কৰাৰ লক্ষ্যৰে অসম আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। বৰপেটা আৰক্ষীৰ এই সফল অভিযানেও অবৈধ নিচাজাতীয় সামগ্ৰীৰ ব্যৱসায়ৰ বিৰুদ্ধে আইন-শৃংখলা বাহিনীৰ কঠোৰ স্থিতিক পুনৰ স্পষ্ট কৰি তুলিছে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

# গেলেকীৰ নামদঙ্গীয়াত বানাক্ৰান্তৰ উত্তাল প্ৰতিবাদ; চৰকাৰী সাহায্যৰ তালিকাত ব্যাপক বিসংগতিৰ অভিযোগ

**প্ৰকৃত বানপীড়িত বঞ্চিত; তালিকাভুক্ত হ'ল বানৰ মুখ নেদেখা লোকৰ নাম**

**অসম বাৰ্তা, গেলেকী, ৮ আগষ্ট ঃ** চৰকাৰী সাহায্যৰ প্ৰাপ্য ধনৰ পৰা বঞ্চিত হৈ অৱশেষত ৰণচণ্ডী মূৰ্তি ধাৰণ কৰিছে গেলেকীৰ নামদঙ্গীয়া গাঁৱৰ বানাক্ৰান্ত ৰাইজে। প্ৰকৃত বানপীড়িতই মুখ্যমন্ত্ৰীৰ একঁকালীন সাহায্য এই পৰ্যন্ত নোপোৱাক লৈ অঞ্চলটোত তীব্ৰ অসন্তোষ আৰু ক্ষোভৰ সৃষ্টি হৈছে। উল্লেখ্য যে, ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে শেহতীয়া বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালৰ বাবে একঁকালীন ১৫ হাজাৰ টকাকৈ বিত্তীয় সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছিল। ইতিমধ্যে শিৱসাগৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ বানাক্ৰান্তই এই সুবিধা লাভ কৰিছে যদিও শিৱসাগৰ আৰু নাজিৰা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ বহু প্ৰকৃত বানপীড়িতই বৰ্তমানলৈকে এই ধন পোৱা নাই। প্ৰাপ্ত তথ্য অনুসৰি, বিভাগীয় নিৰ্দেশনা মৰ্মে স্থানীয় গাঁওপ্ৰধান আৰু ৱাৰ্ড সদস্যসকলৰ সহযোগত বানাক্ৰান্তসকলৰ এক প্ৰাথমিক তালিকা প্ৰস্তুত কৰা হৈছিল। কিন্তু এই তালিকা প্ৰস্তুত প্ৰক্ৰিয়াত ব্যাপক অনিয়ম আৰু বিসংগতি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ক্ষুব্ধ ৰাইজে। অভিযোগ অনুসৰি, একেটা নামকে তালিকাত দুবাৰকৈ অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে বহু প্ৰকৃত বানপীড়িতৰ নাম তালিকাৰ পৰা অকাৰণতে বাদ দিয়া হ'ল। ইয়াৰ উপৰিও, বানৰ সামান্যতমো মুখ নেদেখা বহু অৰ্হতাহীন লোকৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰি তেওঁলোকক সাহায্য প্ৰদান কৰাৰ দৰে অনিয়ম সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰে। ইতিমধ্যে তালিকাত নাম থকাৰ পিছতো অনুদান নোপোৱা আৰু সমূলঞ্চে নাম বাদ পৰা বানাক্ৰান্তসকলে একত্ৰিত হৈ স্থানীয় গাঁওপ্ৰধান তথা ৱাৰ্ড সদস্যক ঘেৰাও কৰি উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে আৰু তীব্ৰ জবাবদিহি কৰে। গাঁওপ্ৰধানৰ স্পষ্টীকৰণ: ইফালে জনৰোষৰ মুখত পৰি গাঁওপ্ৰধানে স্পষ্টীকৰণ দি কয় যে চৰকাৰৰ ফালৰ পৰা প্ৰথম পৰ্যায়ত বাদ পৰি ৰোৱা প্ৰকৃত বানাক্ৰান্তসকলৰ নাম পুনৰ অন্তৰ্ভুক্ত কৰাৰ বাবে নতুন নিৰ্দেশনা প্ৰদান কৰা হৈছে। তথাপিও, স্থানীয় ৰাইজৰ দাবী- জৰুৰীভাৱে এই বিসংগতি দূৰ কৰি তদন্তৰ জৰিয়তে প্ৰকৃত বানাক্ৰান্তক প্ৰাপ্য সাহায্য প্ৰদান নকৰিলে অনাগত দিনত পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈ পৰিব।

# বৰপেটাৰোডত বটলজাত পানী সেৱনৰ পিছতে একেটা পৰিয়ালৰ চাৰি সদস্য অসুস্থ; তৎপৰ খাদ্য সুৰক্ষা বিভাগ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ৮ আগষ্ট ঃ** বৰপেটাৰোডত বটলজাত পানী সেৱন কৰাৰ পিছতে একেটা পৰিয়ালৰ চাৰি সদস্য গুৰুতৰভাৱে অসুস্থ হৈ পৰাৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে খাদ্য সুৰক্ষা বিভাগ আৰু জিলা প্ৰশাসন তৎপৰ হৈ পৰি বিষয়টোৰ তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, পৰিয়ালটোৱে শিমলাগুৰি অঞ্চলৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰা "এপলো প্লাছ" নামৰ বটলজাত পানী সেৱন কৰাৰ কিছু সময়ৰ পিছতেই একে পৰিয়ালৰে চাৰি সদস্য অসুস্থ হৈ পৰে। পৰৱৰ্তী সময়ত তেওঁলোকক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ নিয়া হয়। চিকিৎসাধীন লোকসকলৰ স্বাস্থ্যৰ অৱস্থা সন্দৰ্ভত অধিক তথ্য এতিয়াও আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হোৱা নাই। ঘটনাটোৰ গুৰুত্ব উপলব্ধি কৰি খাদ্য সুৰক্ষা বিভাগে সংশ্লিষ্ট ফাৰ্মাচী তথা বিক্ৰয় কেন্দ্ৰটো সাময়িকভাৱে চিল কৰি তদন্ত আৰম্ভ কৰিছে। লগতে পৰীক্ষাগাৰত বৈজ্ঞানিক বিশ্লেষণৰ উদ্দেশ্যে বটলজাত পানীৰ নমুনা সংগ্ৰহ কৰা হৈছে। পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পিছত পানীৰ মানদণ্ড, দূষণ বা অন্য কোনো ত্ৰুটি আছে নেকি সেয়া স্পষ্ট হ'ব বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিয়ে। ইফালে, ঘটনাটোৱে বটলজাত খোৱাপানীৰ গুণগত মান, সংৰক্ষণ পদ্ধতি আৰু খাদ্য সুৰক্ষা বিধি পালনক লৈ জনমনত উদ্বেগৰ সৃষ্টি কৰিছে। প্ৰশাসনে জনসাধাৰণক আতংকিত নহ'বলৈ আহ্বান জনোৱাৰ লগতে তদন্তৰ ফলাফলৰ ভিত্তিত দোষী সাব্যস্ত হ'লে সংশ্লিষ্ট ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে, বৰ্তমান ঘটনাটোৰ প্ৰকৃত কাৰণ নিশ্চিত হোৱা নাই। সেয়েহে তদন্ত আৰু পৰীক্ষাগাৰৰ চূড়ান্ত প্ৰতিবেদন প্ৰকাশ নোহোৱালৈকে কোনো সিদ্ধান্তত উপনীত নহ'বলৈ সংশ্লিষ্ট মহলে আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন